● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in


## দিগ্‌দৰ্শন



কোনো শব্দ অবিহনেই এটি বীজ বাঢ়ি যায়, কিন্তু গছ এডাল ভাগি পৰোতে প্ৰচণ্ড শব্দৰ সৃষ্টি কৰে। অৰ্থাৎ ধ্বংসই কোলাহলৰ সৃষ্টি কৰে, সৃষ্টি কিন্তু নীৰৱ।

কনফুছিয়াছ
*চীনা দাৰ্শনিক*


৭ প্ৰচণ্ড উত্তাপে দহিছে চীনাবাসীক, ৪০ ডিগ্ৰীলৈ তাপমাত্ৰা
১৫ পাকিস্তানৰ অভিলেখ ভংগ ভাৰতৰ
৪ বিৰোধীৰ শিবিৰত গেলাৰ গোন্ধ



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮৬তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৯ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৬ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 26 July 2022 মূল্য ঃ ৯.০০ টকা


■ দিছপুৰত উচ্চ শিক্ষা প্ৰতিষ্ঠানত সংৰক্ষণ ব্যৱস্থাক লৈ ছয় জনগোষ্ঠীৰে আলোচনা ■ অ'বিচিৰ তালিকাভুক্ত জনগোষ্ঠীসমূহক তিনিটা ভাগত বিভক্ত কৰাৰ পৰিকল্পনা ■ এমঅ'বিচি ৯১টা সম্প্ৰদায়

# শিক্ষাত জনসংখ্যাভিত্তিক সংৰক্ষণৰ ব্যৱস্থা

অ'বিচিৰ 'এ' ভাগত আহোম-চুতীয়া-কোচ ৰাজবংশীকে ধৰি ১০টা ঃ 'বি'ত মৰাণ-মটককে ধৰি ২২টা ঃ 'চি'ত চাহ জনগোষ্ঠী-গৰিয়া-মৰিয়াকে ধৰি ৩০টা সম্প্ৰদায়ক অন্তৰ্ভূক্তিৰ যোজা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ জুলাই ঃ** ৰাজ্যৰ অন্যান্য পিছপৰা শ্ৰেণী (অ'বিচি)ৰ তালিকাভুক্ত জনগোষ্ঠী তথা সম্প্ৰদায়সমূহক তিনিটা ভাগত বিভক্ত কৰি সংৰক্ষণ ব্যৱস্থা ভগাই দিয়াৰ পৰিকল্পনা কৰিছে ৰাজ্য চৰকাৰে। ইতিমধ্যে ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী বিভাগে এই সন্দৰ্ভত এখন আৰ্হি প্ৰস্তুত কৰি অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাভুক্ত জনগোষ্ঠী-সম্প্ৰদায়সমূহক 'এ', 'বি' আৰু 'চি' তিনিটা ভাগত বিভক্ত কৰিছে। এই সন্দৰ্ভত চৰকাৰে এতিয়াও চূড়ান্ত সিদ্ধান্তত উপনীত হোৱা নাই যদিও ইয়াৰ আলোচনা অব্যাহত ৰাখিছে। তাৰ মাজতে আজি জনজাতিকৰণৰ দাবী কৰি অহা ৰাজ্যৰ ছয় জনগোষ্ঠী ক্ৰমে কোচ ৰাজবংশী, চুতীয়া, মৰাণ, আহোম, মটক আৰু চাহ জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সংগঠনসমূহৰ স'তে জনতা ভৱনত ভৈয়াম জনজাতি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা এক আলোচনাত মিলিত হয়। উল্লেখ্য যে বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানত অ'বিচিৰ সংৰক্ষিত পদত উল্লিখিত ছটা জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ বাবে ১০ পৃষ্ঠাত চাওক

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৮)

■ সঞ্জীৱ সভাপণ্ডিত



**ধৰ্ম** আৰু বিজ্ঞান— ইটোৰ লগত সিটোৰ সম্পৰ্ক বৰ মধুৰ নহয়। ধৰ্ম আৰু আধুনিকতাৰ মাজৰ সম্বন্ধও প্ৰকৃততে তেল-পানীৰ নিচিনাই। আচলতে বিজ্ঞান আৰু আধুনিকতাহে মিতিৰ হ'ব লাগে।

ধৰ্ম-বিজ্ঞান-আধুনিকতা, প্ৰতিটোৰে অৰ্থ ব্যাপক। ঠেক গণ্ডীত বা সৰু পৰিসৰত ইয়াৰ এটাকো বিচাৰ ১০ পৃষ্ঠাত চাওক



দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰিলে দ্ৰৌপদী মুৰ্মুৱে, নতুন দিল্লীত সোমবাৰে।

■ 'জ'হাৰ! নমস্কাৰ' দেশবাসীক এইদৰে সম্বোধন কৰি ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ দ্ৰৌপদী মুৰ্মুৰ ■ যুগান্তকাৰী মুহূৰ্ত বুলি আখ্যা প্ৰধানমন্ত্ৰীৰ

## মোৰ নিৰ্বাচনেই প্ৰমাণ যে এই দেশত দৰিদ্ৰই সপোন দেখিব পাৰে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৫ জুলাই ঃ** জ'হাৰ! নমস্কাৰ! ভাৰতৰ সকলো নাগৰিকৰ আশা-আকাংক্ষা আৰু অধিকাৰৰ প্ৰতীক এই পবিত্ৰ সংসদৰ কক্ষৰ পৰা মই সকলো সহনাগৰিকক বিনম্ৰ অভিনন্দন জনাওঁ। দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰি প্ৰথমটো ভাষণত আজি দেশবাসীক উদ্দেশি এইদৰে সম্বোধন কৰিলে দ্ৰৌপদী মুৰ্মুৱে। ভাৰতৰ গণতন্ত্ৰৰ জয়গান গাই তেওঁ কয়, 'এয়া আমাৰ গণতন্ত্ৰৰ শক্তিলৈ এক শ্ৰদ্ধা অৰ্পণ যে প্ৰত্যন্ত জনজাতীয় অঞ্চলৰ দৰিদ্ৰ ঘৰত জন্মলাভ কৰা এগৰাকী কন্যাই আঠ পৃষ্ঠাত চাওক



## কংগ্ৰেছৰ চাৰি সাংসদক সদনৰ চলিত কাৰ্যসূচীৰ পৰাই বহিষ্কাৰ

লোকসভাত মূল্যবৃদ্ধিৰ বিৰুদ্ধে বিৰোধী সাংসদৰ প্লেকাৰ্ড লৈ প্ৰতিবাদ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৫ জুলাই ঃ** মূল্যবৃদ্ধিৰ বিৰুদ্ধে সদনৰ ভিতৰত প্লেকাৰ্ড প্ৰদৰ্শনৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিণতিত আজি লোকসভাৰ চাৰিজন কংগ্ৰেছ সাংসদক চলিত বৰ্ষাকালীন অধিবেশনৰ পৰাই বহিষ্কাৰ কৰা হয়। ইয়াৰ ফলত অহা ১২ আগষ্টলৈ চলিবলগীয়া অধিবেশনত অংশগ্ৰহণৰ সুযোগ নাপায় এই সাংসদকেইজনে। বহিষ্কাৰ হোৱা সাংসদকেইজন হ'ল ক্ৰমে মাণিক্কম টেগৰ, য'থিমানি, ৰম্মা হৰিদাস আৰু টি এন প্ৰথাপান। সাংসদকেইজনক দুই পৃষ্ঠাত চাওক

নাম আছিল পুটি, সলাই দিছিল শিক্ষকে

## ১০বাৰ ফোন কৰিও মোদীয়ে পোৱা নাছিল দ্ৰৌপদী মুৰ্মুক

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৫ জুলাই ঃ** দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে দ্ৰৌপদী মুৰ্মুৰ শপতগ্ৰহণৰ ধামখুমীয়াত পোহৰলৈ আহিছে দৃষ্টি আকৰ্ষক আৰু কিছু আমোদজনক বতৰা। এক বৰ্ণাঢ্য অনুষ্ঠানত আজি ১০ পৃষ্ঠাত চাওক

## প্ৰতি লিটাৰ গাখীৰত চাৰি টকাকৈ বৃদ্ধি কৰিলে গো-পালকে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ জুলাই ঃ** প্ৰতি লিটাৰ গাখীৰত চাৰি টকাকৈ মূল্য বৃদ্ধি কৰিলে গো-পালকসকলে। ফলত গাখীৰৰ লগতে মিঠাই আদিৰো মূল্যবৃদ্ধি নিশ্চিত হৈ পৰিল। উল্লেখ্য দুই পৃষ্ঠাত চাওক


সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ ঘোষণা ঃ প্ৰকাশ পাব অসমৰ অৰ্ধশতিকাৰ দাপোণ শীৰ্ষক এলানি গ্ৰন্থ ঃ তিনিদিনীয়া আলোচনাচক্ৰ

## চলিত বৰ্ষৰ পৰা দুই লাখটকীয়া অগ্ৰদূতৰ সাংবাদিক বঁটা ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ জুলাই ঃ** প্ৰকাশৰ গৌৰৱময় ৫২ বছৰ চলি থকা 'অগ্ৰদূত'ৰ সোণালী জয়ন্তীৰ বৰ্ষজোৰা বিস্তৃত কাৰ্যসূচী ৰূপায়ণৰ বাবে সাজু হৈছে উদ্‌যাপন সমিতি। আজি ইয়াত এক সংবাদমেলত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ ড° দয়ানন্দ পাঠক আৰু 'অগ্ৰদূত'ৰ সম্পাদক কনকসেন ডেকাই তেওঁলোকৰ বৰ্ষজোৰা কাৰ্যসূচীৰ বিষয়ে ঘোষণা কৰে। তেওঁ লগতে চলিত বৰ্ষৰ পৰা অগ্ৰদূত সাংবাদিকতাৰ বঁটা প্ৰদানৰো ঘোষণা কৰে। সম্পাদক ডেকাই 'অগ্ৰদূত' প্ৰকাশৰ লগত থকা তেওঁৰ অভিজ্ঞতা আৰু উপলব্ধিৰ বিষয়েও সংবাদমেলত সদৰী কৰে। সাংবাদিক জীৱনৰ দীৰ্ঘ পৰিক্ৰমাৰ ১০ পৃষ্ঠাত চাওক

গ্ৰাহক আৰু লেখকে অগ্ৰদূতৰ মূল শক্তি ঃ ডেকা

■ টুইটাৰ যোগে নিজৰ অসন্তুষ্টি ব্যক্ত কৰিলে অসম-কন্যাই




মনোনিবেশ-অনুশীলনত বিঘিনিৰ কথা জনালে

## কমনৱেল্‌থৰ প্ৰাক্‌ক্ষণত 'মানসিক হাৰাশাস্তি'ৰ অভিযোগ লাভলীনাৰ

■ নিউজ ব্যুৰ'
**বাৰ্মিংহাম, ২৫ জুলাই ঃ** 'মানসিক হাৰাশাস্তি'ৰ সন্মুখীন হোৱাৰ অভিযোগ তুলিলে টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁয়ে। কাৰো নাম উল্লেখ নকৰাকৈ ৰাজনীতিৰ বলি হোৱা বুলিও অভিযোগ উত্থাপন কৰি লাভলীনাই মন্তব্য কৰিছে যে তেওঁৰ প্ৰশিক্ষকসকলক প্ৰতিবাৰেই আঁতৰাই ৰাখি তেওঁৰ অনুশীলনত ব্যাঘাত জন্মোৱা হৈছে। যাৰ বাবে অসম-কন্যাই সমাগত কমনৱেল্‌থ গেমছৰ বাবে ১০ পৃষ্ঠাত চাওক

## এইবাৰ যথেষ্ট উপকৃত হ'ব বানাক্ৰান্ত, ক'লে বৰাই

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৫ জুলাই ঃ** 'নগাঁও জিলাত বানত আৱাস গৃহ ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক শীঘ্ৰেই চৰকাৰে সাহায্যৰ ধন প্ৰদান কৰিব। ইতিমধ্যে জিলাখনত ২৫ টা বিষয়াৰ দলে ২৩ জুলাইৰ পৰা গৃহ আঠ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৪° |
| ডিব্ৰুগড় | ৩১° | ২৫° |
| দিল্লী | ৩৪° | ২৭° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৪° | ২৬° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২২° | ১৮° |

*২৫ জুলাই, ২০২২*

## আৰক্ষী চকীৰ কাষতে পুনৰ ভস্মীভূত গাঞ্জা সৰবৰাহকাৰী কণ্টেইনাৰ

অগ্ৰদূতবাৰ্তা
**শ্ৰীৰামপুৰ, ২৫ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ সমীপত পুনৰ ভস্মীভূত হ'ল গাঞ্জা কঢ়িয়াই অনা ট্ৰাক। এই ঘটনাই সম্প্ৰতি স্থানীয় ১০ পৃষ্ঠাত চাওক

ভূমি-যৌনতাৰ কেলেংকাৰিয়ে তদন্তত প্ৰভাৱ পেলোৱাৰ অভিযোগ অন্যায়ৰ বিৰুদ্ধে যুঁজাৰুৰ

## এ পি এছ চি কেলেংকাৰিৰ তদন্তক লৈ ৰাজ্য চৰকাৰৰ ভূমিকা দুৰ্ভাগ্যজনক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ জুলাই ঃ** অসম লোকসেৱা আয়োগ (এপিএছচি)ত সংঘটিত কেলেংকাৰি কেৱল নিযুক্তি কেলেংকাৰিয়ে নহয়। আজি এই মন্তব্য কৰে ফাইট এগেইনষ্ট ইনজাষ্টিচ অব আঠ পৃষ্ঠাত চাওক




## চেঙা তেল



*কৈছোৱে নহয়, সোণৰ অসম বনাইহে এৰিম! মোৰ ঘৰৰ পৰাই সেয়া আৰম্ভ কৰিম!*

পুনৰ দিল্লী দখলৰ বাবে মুছলমান সমাজৰ ভোটক লক্ষ্য বিজেপিক

## ব্যক্তিগতভাৱে আঁচনি ৰূপায়ণৰ তদাৰক কৰিবলৈ মুখ্যমন্ত্ৰীসকলক নিৰ্দেশ মোদীৰ



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৫ জুলাই ঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনৰ বাবে ইতিমধ্যে ৰণক্ষেত্ৰত জঁপিয়াই পৰা বিজেপিয়ে ধাৰাবাহিক তৃতীয়বাৰলৈ দিল্লী দখলৰ মন্ত্ৰণাৰ গুৰুত্বপূৰ্ণ অংশ কৰি লৈছে দেশৰ মুছলমান সমাজক। অলপতে হায়দৰাবাদত সম্পন্ন ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকত দুই পৃষ্ঠাত চাওক




দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৬ জুলাই, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## লাওখোৱাত পিএমজিৱাইৰ গৃহ আবণ্টনৰ দুৰ্নীতিৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**ৰূপহীহাট, ২৫ জুলাই ঃ** লাওখোৱা উন্নয়ন খণ্ডত আজি শতাধিক লোকে প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ (পি এম জি ৱাই) গৃহ আবণ্টনৰ নামত সংঘটিত হোৱা অবাধ দুৰ্নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উন্নয়ন খণ্ডটোৰ মাগুৰমাৰী আৰু শিঙীমাৰী গাঁও পঞ্চায়ত দুখনৰ শতাধিক ৰাইজে আজি লাওখোৱা উন্নয়ন খণ্ডৰ চৌহদত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিত সংঘটিত হোৱা অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে ছয় পৃষ্ঠাত চাওক

## নগাঁৱত বহু সংখ্যক চুৰি বেটাৰী, ইঞ্জিন অইল উদ্ধাৰ ঃ এজন গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৫ জুলাই ঃ** নগাঁৱৰ আৰক্ষীয়ে আজি বুজন পৰিমাণৰ চুৰি নতুন বেটাৰী আৰু ইঞ্জিন অইল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এক নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই এই সফলতা লাভ কৰে। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰী আৰু উপ-পৰিদৰ্শক কৃষ্ণ দলেৰ নেতৃত্বত যোৱা আৰক্ষী দলে ৰহা চাৰিআলিৰ ওচৰত এটা ঘৰত অভিযান চলাই এই চুৰি সামগ্ৰীসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জনোৱা মতে, আৰক্ষীয়ে পোৱা নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত এই সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰে। সেই অনুসৰি আৰক্ষীয়ে আজি পুৱা হয়বৰগাঁৱৰ পৰা ছয় পৃষ্ঠাত চাওক

## জলসিঞ্চন মন্ত্ৰীৰ গৃহ জিলাত আঁচনি বিকল হৈ থকাত সমস্যাত পৰিছে কৃষক

# বৰছলাত প্ৰহসনত পৰিণত জলসিঞ্চন আঁচনি

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২৫ জুলাই ঃ** ৰাজ্যৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহালৰ নিজ জিলাত উন্মোচিত হৈছে জলসিঞ্চন বিভাগৰ এক ফোঁপোলা স্বৰূপ। লাখ লাখ টকা ব্যয় সাপেক্ষে কৃষকৰ খেতিপথাৰত পানী যোগান দিয়াৰ বাবে নিৰ্মাণ কৰা জলসিঞ্চন বিভাগৰ আঁচনি সম্প্ৰতি বগা হাতীত পৰিণত হৈছে। শোণিতপুৰ জিলাৰ বৰছলাৰ পিৰাকাটাত জলসিঞ্চন আঁচনি বিকল হৈ থকাৰ লগতে দুটাকৈ ডাঙৰ তলা ওলমিছে আঁচনিখনত। উল্লেখ্য যে পিৰাকাটা কছাৰী গাঁৱৰ পথাৰত লাখ লাখ টকা ব্যয় সাপেক্ষে খেতিপথাৰত পানী যোগানৰ বাবে স্থাপন কৰা জলসিঞ্চন আঁচনি বিকল হৈ থকাত সমস্যাত পৰিছে অঞ্চলটোৰ কৃষক ৰাইজ। শাওণৰ পথাৰত কৃষকসকলে ভূঁই ৰোৱাত ব্যস্ত থাকিবলগীয়া সময়ছোৱাত কিন্তু পানীৰ অভাৱত হুমুনিয়াহ কাঢ়িব লগা হৈছে। বৰষুণৰ অভাৱত পথাৰত ছিৰাল ফাট মেলিছে; কিন্তু জলসিঞ্চন আঁচনিখন বিকল হৈ পৰি আছে। শাওণৰ পথাৰত ভৰপক বাৰিষাত কৃষকে পানীৰ অভাৱত এতিয়াও ৰুব পৰা নাই কঠীয়া। তেনেস্থলত জলসিঞ্চন আঁচনি অস্তিত্বহীন হৈ থকাটোৱে 'অছে গৰু নাবায় হাল থকাতকৈ নথকাই ভাল' ধৰণৰে হৈছে। এই ক্ষেত্ৰত ইয়াৰ কৃষকসকলে বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দিয়াৰ পাছতো কোনো ধৰণৰ সুফল নোপোৱাত ক্ষোভ প্ৰকাশ কৰে। ছয় পৃষ্ঠাত চাওক



## বানপীড়িতৰ বাবে আবণ্টিত ধনৰ পৰা প্ৰকৃত বানপীড়িত লোক বঞ্চিতৰ অভিযোগ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৫ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ যোৱা প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত লোকক আৰ্থিক সাহায্য প্ৰদানৰ বাবে চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই ব্যৱস্থাৰ পৰা বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত বানত ক্ষতিগ্ৰস্ত বহু লোক বঞ্চিত হোৱা বুলি সৰ্বত্ৰ চৰ্চা হৈছে। ইয়াৰ বিপৰীতে জিলাখনত বানত পৰা ঘৰ, ভেটি সুৰক্ষিত হৈ থকা একাংশ লোকেও চৰকাৰীভাৱে প্ৰদান কৰা আৰ্থিক সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখ্য ছয় পৃষ্ঠাত চাওক

## সত্ৰ ন্যায়াধীশ শৰ্মিলা ভূএগক গ্ৰেপ্তাৰৰ দাবীত মুখ্য ন্যায়াধীশলৈ স্মাৰক প্ৰেৰণ

## গোৱালপাৰাত দল-সংগঠনৰ উত্তাল প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৫ জুলাই ঃ** গোৱালপাৰা জিলা আদালতৰ অস্থায়ী কৰ্মচাৰী লোহিত দাসৰ আত্মহত্যাৰ ঘটনাৰ লগত নাম সাঙোৰ খাই পৰা সত্ৰ ন্যায়াধীশ শৰ্মিলা ভূএগৰ বিৰুদ্ধে উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্তৰ দাবীৰে আজি বিভিন্ন দল-সংগঠনে গোৱালপাৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচীৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছন, ভাৰতীয় গণতান্ত্ৰিক ছাত্ৰ ফেডাৰেছন, অসম ৰাজ্যিক কৃষক সভা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, নাৰী শক্তি সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, চিপিআই (এম)কে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰায় শতাধিক লোকে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বেনাৰৰ লগতে হাতে হাতে প্লেকাৰ্ড লৈ 'লোহিত দাসৰ আত্মহত্যাৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰক, লোহিত দাসক মানসিকভাৱে অত্যাচাৰ কৰি আত্মহত্যা কৰিবলৈ বাধ্য কৰা সত্ৰ ন্যায়াধীশ শৰ্মিলা ভূএগক গ্ৰেপ্তাৰ কৰক, লোহিত দাসৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিয়ক, লোহিত দাসৰ পৰিয়ালত চাকৰি দিয়াৰ ব্যৱস্থা কৰক, লোহিত দাসৰ আত্মহত্যাৰ ঘটনাৰ লগত জড়িত ন্যায়াধীশ শৰ্মিলা ভূএগৰ বিৰুদ্ধে ব্যৱস্থা ছয় পৃষ্ঠাত চাওক

## চাহ নিগমৰ বাগিচা লীজত দিয়াৰ বিৰোধী

## চৈকটা চাহ বাগিচাৰ কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট



**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৫ জুলাই ঃ** অসম চাহ নিগম লিমিটেডৰ ১২খনকৈ চাহ বাগিচা লীজত দিয়াক লৈ ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে চাহ নিগমৰ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীৰ। অসম চাহ কৰ্মচাৰী সংঘৰ নিৰ্দেশমৰ্মে চাহ নিগমৰ সকলো চাহ বাগিচাত কৰ্মচাৰীৰ প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। সেই অনুসৰি, আজিৰে পৰা নিগমৰ প্ৰতিখন চাহ বাগিচাতে কৰ্মচাৰীসকলে এঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছে। মৰিয়নিৰ চৈকটা চাহ বাগিচা আৰু নাগিনীজান চাহ বাগিচাতো কৰ্মচাৰীসকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা আঠ বজাৰ পৰা ন বজালৈ এই ধৰ্মঘট ৰূপায়ণ কৰা হয়। চৈকটা চাহ বাগিচাৰ ছয় পৃষ্ঠাত চাওক

## নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক সমিতিৰ প্ৰাক্তন সভাপতি-চিন্তাবিদ মদন মোহন চৌধুৰীৰ দেহাৱসান




**অগ্ৰদূত বাৰ্তা**
**ডিগবৈ, ২৫ জুলাই ঃ** নতুন সাহিত্য পৰিষদ অসমৰ ৰাজ্যিক সমিতিৰ প্ৰাক্তন সভাপতি, চিন্তাবিদ, লেখক মদনমোহন চৌধুৰী (৮২)ৰ আজি পুৱা ডিগবৈৰ ভাৰতীয় তেল নিগম অসম তেল সংমণ্ডলৰ চিকিৎসালয়ত মৃত্যু হয়। বাৰ্ধক্যজনিত ৰোগত ভুগি থকা চৌধুৰী ডিগবৈ পূৰ্ণিমা নগৰস্থিত ঘৰতে আছিল। আজি পুৱতি নিশা কিছু উশাহ-নিশাহ লোৱাত কষ্ট পোৱাত এঅ'ডি চিকিৎসালয়লৈ লৈ যোৱা হৈছিল যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ১৯৪০ত নলবাৰীৰ পকোৱা গাঁৱত জন্মগ্ৰহণ কৰা চৌধুৰী নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা মেট্ৰিক উত্তীৰ্ণ হৈ কটন ছয় পৃষ্ঠাত চাওক

## নাহৰকটীয়াত নিষিদ্ধ হেৰ'ইন ড্ৰাগ্‌ছসহ আটক এক

**নাহৰকটীয়া, ২৫ জুলাই ঃ** নাহৰকটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল চেতিয়াৰ নেতৃত্বত যোৱা এটা দলে এক গোপন সূত্ৰৰ ভিত্তিত চলোৱা অভিযানত আজি বিয়লি নিষিদ্ধ ড্ৰাগছসহ এজন যুৱকক আটক কৰে। ইতিপূৰ্বে একেই গোচৰত জেল হাজোতলৈ ছয় পৃষ্ঠাত চাওক

## তেজপুৰৰ গেৰেকীচুকত ভূমিস্খলনত চাৰিটা বাসগৃহ বিধ্বস্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৫ জুলাই ঃ** তেজপুৰত আজি পুৱা সংঘটিত হয় এক ভূমিস্খলনৰ ঘটনা। পুৱাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ পাছতে তেজপুৰ চহৰৰ কাষৰে গেৰেকীচুকত ভূমিস্খলনৰ ঘটনাটো সংঘটিত হয়। এই ঘটনাত স্থানীয় তিনিটা পৰিয়ালৰ বাসগৃহৰ লগতে এটা পৰিয়ালে লাভ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ চৰকাৰী বাসগৃহ এটাও বিধ্বস্ত হয়। উল্লেখ্য যে আকস্মিকভাৱে ছয় পৃষ্ঠাত চাওক



## বঙাইগাঁও শোধনাগাৰৰ নাম বড়োলেণ্ড শোধনাগাৰ কৰাৰ প্ৰস্তাৱ এবছুৰ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৫ জুলাই ঃ** নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ এটি সঁজাতি দলে আজি চিৰাং জিলাৰ ঢালিগাঁওস্থিত ভাৰতীয় তেল নিগমৰ অধীনস্থ বঙাইগাঁও শোধনাগাৰ কৰ্তৃপক্ষৰে চাৰিদফীয়া দাবী লৈ আলোচনাত ছয় পৃষ্ঠাত চাওক

## নগাঁৱত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ৪১জনলৈ বৃদ্ধি

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৫ জুলাই ঃ** অতি উদ্বেগজনকভাৱে নগাঁও জিলাত বৃদ্ধি পাইছে জাপানী এনকেফেলাইটিছ ৰোগীৰ সংখ্যা। জিলাখনত নিতৌ এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত ৰাইজ আতংকিত হৈ পৰা পৰিলক্ষিত হৈছে। ইতিমধ্যে জিলাখনত এই ৰোগত আক্ৰান্তৰ সংখ্যা ৪১গৰাকীলৈ বৃদ্ধি পাইছে। আনহাতে, চৰকাৰী তথ্য অনুসৰি এই পৰ্যন্ত জিলাখনত জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মুঠ পাঁচগৰাকী লোকৰ মৃত্যু হৈছে। অৱশ্যে বেচৰকাৰী তথ্য অনুসৰি জিলাখনত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। জিলাখনত জাপানী এনকেফেলাইটিছৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসন ছয় পৃষ্ঠাত চাওক

## ২০ আগষ্টৰ ৰাজহুৱা সভাত হিচাপ-নিকাচ দাখিল কৰিবলৈ আহ্বান ৰাইজৰ

## হজৰত বান্দাশ্বাহ দৰগাহ সমিতিৰ বিৰুদ্ধে সৰৱ স্থানীয় ৰাইজ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৫ জুলাই ঃ** শিৱসাগৰ নগৰৰ সমীপৰ ঐতিহাসিক চৰগুৱা অঞ্চলত অৱস্থিত হজৰত বান্দাশ্বাহ পীৰৰ দৰগাহ শ্বৰীফ। এই দৰগাহৰ পৰিচালনা সমিতিখনে চাৰিবছৰৰো অধিক কাল দৰগাহৰ হিচাপ ৰাজহুৱাভাৱে দাখিল নকৰা, দৰগাহ পৰিচালনা সমিতিখনৰ কাৰ্যকাল অন্ত পৰাৰ পাছতো নতুন সমিতি গঠনৰ বাবে ৰাজহুৱা সভা অনুষ্ঠিত নকৰা আৰু চৰকাৰৰ অসম দৰ্পণ আঁচনিৰ কাম সময়মতে সমাপ্ত নকৰাৰ কেতবোৰ অভিযোগ তুলি দৰগাহ পৰিচালনা সমিতিখনৰ বিৰুদ্ধে ক্ষোভ উজাৰে স্থানীয় ৰাইজে। এনেবোৰ অভিযোগ-প্ৰতি অভিযোগৰ বিৰুদ্ধে কালি প্ৰায় অৰ্ধশতাধিক ৰাইজৰ উপস্থিতিত ২২ নম্বৰ ডিমৌমুখ ৰিৰিয়া প্ৰাথমিক বিদ্যালয়ৰ সভাকক্ষত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। বিশিষ্ট সমাজকৰ্মী ফাইজুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত দৰগাহ সমিতিখনৰ বিভিন্ন ক্ষেত্ৰত উঠা অভিযোগৰ সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰা হয়। ৰাজহুৱা সভাখনত হোৱা সিদ্ধান্ত অনুসৰি অহা ২০ আগষ্টত হজৰত বান্দাশ্বাহ পীৰৰ দৰগাহ প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি কাৰ্যকাল ছয় পৃষ্ঠাত চাওক


RASHTRIYA INDIAN MILITARY COLLEGE (RIMC)
Dehradun

ADVERTISEMENT FOR QUALIFYING EXAMINATION FOR ADMISSION OF STUDENTS TO THE RASHTRIYA INDIAN MILITARY COLLEGE, DEHRADUN FOR THE TERM JULY, 2023 WHICH WILL BE CONDUCTED ON 3RD DECEMBER 2022



**Eligibility :**
Students (Both, Boys & Girls) born between 2nd of July, 2010 and 1st of January, 2012.
Entry age of candidates appearing for the test should not be less than 11 years 6 months of age but should not be more than 13 years of age as on 1st July, 2023, i.e., they should have been born not earlier than 2nd July 2010 and not later than 1st January, 2012

**Educational Qualification :**
Candidate should either be studying in class VII or passed class VII from any recognized school at the time of admission to the RIMC, i.e., on 1st July, 2023



**Examinations :**
Written Examination: The written part of the examination will consist of -

| Date of Examination | Subjects | Marks | Time (hours) |
|---|---|---|---|
| 03-12-2022 | Mathematics | 200 | 09.30-11.00 hrs |
| | General Knowledge | 75 | 12.00-13.00 hrs |
| | English | 125 | 14.30-16.30 hrs |

Viva-Voce: Interview will be held for only those candidates who qualify in the written examination
Medical Examination: The candidates finally selected after the Viva-Voce will undergo a medical examination at selected Military Hospitals and only those candidates found medically fit will be considered for selection and admission to the RIMC.

**Examination Centre :** Guwahati. It will be mentioned in the Admit Card

**Scholarships :**
The Govt. of Assam provides scholarship to the meritorious domicile students of Assam studying in RIMC, Dehradun @ Rs. 50,000.00 p.a. as per the norms

**Application Form :**
Application Form and question papers booklet of previous years may be obtained by making online payment at RIMC website www.rimc.gov.in

**Documents to be submitted :**
1. Original filled up form (2 copies)
2. Birth Certificate (2 copies)
3. Domicile Certificate (2 copies)
4. Certificate of the school authority where studying now
5. Aadhaar Card (2 copies)
6. Passport photo (5 copies- 2 for Forms, 1 for School Certificate, 2 additional)
7. Postal Envelop with filled up communication address and postal stamp of Rs. 42/-
8. SC/ST Certificate

**Special Note :**
To get more detail about the entrance examination kindly visit RIMC website www.rimc.gov.in
You may also visit our official website: www.madhyamik.assam.gov.in or "BIDYARTHI" mobile app.

**Where to submit Form :**
Application Form and the above mentioned documents have to reach the following office address on or before 15/10/2022

Office Address (Postal Address) :
Examination & Training (ET) Branch
Directorate of Secondary Education Assam
Kahilipara Road, Kahilipara, Guwahati – 781019
Ph. 9435-77-67-67

Director
Secondary Education Assam

Janasanyog/D/9002/22

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ৯ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৬ জুলাই ২০২২

# সচেতনতা বাঞ্ছনীয়

সমাজত শীৰ্ষস্থানীয় একোগৰাকী ব্যক্তিৰ আচাৰ-ব্যৱহাৰ, সাজ-পাৰ, খোজ-কাটলে প্ৰভূত প্ৰভাৱ পেলায়। ৰাজনীতি, সাহিত্য-সংস্কৃতি প্ৰভৃতিৰ চূড়াত আৰোহণ কৰা ব্যক্তিসকলে তেনেকুৱা কাৰ্যত ব্ৰতী হ'ব নালাগে, যিবোৰ সমাজৰ কাৰণে ক্ষতিকাৰক হয়। আনহাতে, কোনোবাই ক্ষতিকাৰক কাৰ্যৰ দৃষ্টান্ত দাঙি ধৰিব খুজিলেও সমাজে সেই ক্ষেত্ৰত লেকাম ধৰাটো বাঞ্ছনীয়। আমাৰ যুৱপ্ৰজন্ম অধঃপাতে গ'ল বুলি চিঞৰ-বাখৰ কৰিলেই দায়িত্ব শেষ নহয়। সাম্প্ৰতিক কালৰ আৰ্থ-সামাজিক পটভূমিৰ আধাৰতেই তেওঁলোকৰ চৰিত্ৰ গঢ় লৈ উঠিছে। কোনো নেতৃস্থানীয় লোকৰ সমাজক বিপথগামী কৰা কাৰ্যক কিদৰে বাধা দিয়াটো সম্ভৱ হ'ব পাৰে, সেইটোহে বিচাৰ্য বিষয়। সম্প্ৰতি আমি কেউফালে অপৰাধ প্ৰৱণতাৰ ছবিহে দেখিবলৈ পাইছো আৰু ক্ৰমাৎ তাৰ পৰিসৰ ভয়াবহ ধৰণে বৃদ্ধি পাই গৈছে। কেতবোৰ মহলে বিজ্ঞান-প্ৰযুক্তিৰ বিকাশ আৰু বিশ্বায়নৰ ফলস্বৰূপে এনেবোৰ দুষ্কৃতি সংঘটিত হোৱা বুলি মন্তব্য কৰিয়েই কৰ্তব্য সামৰে। আমাৰ ৰাজনীতি, কলা, ব্যৱসায়-বাণিজ্য, চাকৰি-বাকৰি ইত্যাদিৰ প্ৰতিটো ক্ষেত্ৰতেই দুষ্কৃতিৰ পয়োভৰ বৃদ্ধি পোৱা দেখা গৈছে আৰু তেনেবোৰ কাৰ্যৰ দ্বাৰা কিশোৰ-কিশোৰীসকল প্ৰভাৱান্বিত হোৱাটোৱেই স্বাভাৱিক।

সেয়ে সম্প্ৰতি ৰাজনীতিয়ে দুষ্কৃতিৰ পোহাৰ মেলি ধৰা বুলি প্ৰায়েই অভিযোগ তোলা শুনিবলৈ পোৱা যায়; কিন্তু প্ৰকৃতাৰ্থত ৰাজনীতিতকৈ সমাজ সংস্কাৰ আৰু কল্যাণৰ অৰ্থে অধিক গুৰুত্বপূৰ্ণ আন কিবা বিষয় আছে বুলি ধাৰণা নহয়। ৰাজনীতিয়েই সবাতোকৈ দায়িত্বশীল বৃত্তি। ক্ষমতাধিষ্ঠিত নেতাসকল যিমানেই সাৱধান নহওক কিয়, তেওঁলোকৰ দুষ্কাৰ্যৰ সন্ধান আনে নোপোৱাকৈ নাথাকে। শীৰ্ষ ৰাজনৈতিক নেতাই ধন আত্মসাৎ কৰা কাৰ্য তেওঁৰ তলতীয়া বিষয়া-কৰ্মচাৰীৰ পৰা লগুৱালৈকে গম পায়। তদুপৰি নেতা নিকা নহ'লে প্ৰশাসন কেতিয়াও নিকা হ'ব নোৱাৰে। সেই বাবেই মাছ মূৰৰ পৰা গেলে বুলি কোৱা হয়। উচ্চস্তৰৰ নেতা দুৰ্নীতিত লিপ্ত হ'লে স্বাভাৱিকতে বিষয়া-কৰ্মচাৰীও দুৰ্নীতিগ্ৰস্ত হোৱাটো স্বাভাৱিক। সম্প্ৰতি সেই হেতুকে এচাম দুৰ্নীতিগ্ৰস্ত ক্ষমতাধিষ্ঠিত ৰাজনৈতিক নেতাৰ বাবে আমোলা-কৰ্মচাৰী আৰু অন্যান্য ক্ষেত্ৰলৈকে দুৰ্নীতি সম্প্ৰসাৰিত হৈছে। দুৰ্নীতিগ্ৰস্ত নেতাৰ মানসিকতা দুৰ্নীতিৰ ব্যাপক সম্প্ৰসাৰণ ঘটোৱাটো, কাৰণ তেনে অৱস্থাত 'চোৰ বেছি হ'লে কিলৰ সৰাহ' বুলি আশ্বস্ত হ'ব পাৰে। তদুপৰি দুৰ্নীতিগ্ৰস্তসকলে সমাজৰ নিকা ভাবমূৰ্তিৰ লোকসকলকো দুৰ্নীতিৰ আওতালৈ আনিবলৈ এনেদৰে চেষ্টা চলায়, যাতে সেইসকলে সমালোচনা কৰাৰ নৈতিক সাহস হেৰুৱাই পেলায়। এনেদৰে একোজন দুৰ্নীতিগ্ৰস্ত নেতাৰ হেতুকেই সমাজত বিষাক্ত বাতাবৰণৰ সৃষ্টি হৈছে। এই প্ৰক্ৰিয়াই সৰ্বনাশ সাধন কৰিছে ভৱিষ্যৎ প্ৰজন্মৰ। ৰাজনীতি মানে তেওঁলোকে এনেকুৱা ধৰণৰ কদৰ্য কাম বুলিয়েই ধৰি লৈছে। ক্ষমতাধিষ্ঠিত নেতাসকলে সততে মনত ৰখা উচিত যে অনন্তকাল কোনোৱে সংসাৰত জীয়াই নাথাকে। গতিকে ভৱিষ্যত প্ৰজন্মৰ কল্যাণৰ কথা চিন্তা কৰিয়েই তেওঁলোকে পৰিশীলিত জীৱনধাৰাৰে অগ্ৰসৰ হোৱা উচিত, কাৰণ তেওঁলোকৰ প্ৰতিটো বাক্য আৰু প্ৰতিটো খোজে নতুন পুৰুষৰ ওপৰত প্ৰভাৱ পেলাই আহিছে। তেনেদৰেই আমাৰ প্ৰতিষ্ঠিত শিল্পীসকলো নতুন পুৰুষৰ আদৰ্শৰ প্ৰতীক হোৱা উচিত, কিয়নো শিল্পীসকলৰ কথা আৰু কামেও সমানেই প্ৰজন্মৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়।একোজনৰ দুষ্কাৰ্যই সমাজখনকেই কিদৰে ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে, তাৰ নিদৰ্শন অসম বুৰঞ্জীত বদন বৰফুকনে দাঙি ধৰিছে। বদনে মান সেনাৰ সাহায্য বিচাৰি ব্ৰহ্মদেশলৈ নোযোৱা হ'লে হয়তো অসম আজিও স্বাধীন হৈয়েই থাকিলহেঁতেন।

## খোলা মঞ্চ

### অৰ্ধ শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**অসমৰ** সংবাদ পত্ৰৰ ইতিহাসত 'অগ্ৰদূত' কাকতখনে এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি আহিছে। অৰ্ধশতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' কাকতখনৰ ২০০৮ৰ পৰাই মই নিয়মীয়া পাঠক। মোৰ শিক্ষকতা জীৱনত প্ৰথম লেখা 'অগ্ৰদূত' কাকততে প্ৰকাশ কৰিবলৈ সুবিধা পাওঁ। তদুপৰি দৈনিক অগ্ৰদূতৰ খোলামঞ্চৰ শিতানত বিভিন্ন বিষয়ৰ কেইবাটাও স্তম্ভ লেখা মোৰ প্ৰকাশ পাইছে। 'অগ্ৰদূত'ৰ দেওবৰীয়া 'শ্ৰীময়ী'ত মোৰ কেইবাটাও নিবন্ধ প্ৰকাশ পাইছে। অগ্ৰদূতে মোক এজন নিবন্ধকাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। অসমৰ জনপ্ৰিয় বাতৰি কাকত অগ্ৰদূতে সোণালী বৰ্ষ অতিক্ৰম কৰি আজিলৈকে নিৰৱচ্ছিন্ন ভাৱে অসমৰ জনসাধাৰণলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ বিকাশত এক বলিষ্ঠ পদক্ষেপ ল'বলৈ সক্ষম হৈছে।

অসমৰ শিক্ষা আৰু সমাজ জীৱনত 'অগ্ৰদূত'ৰ ভূমিকা অতুলনীয়। 'অগ্ৰদূত'মানে অকল সংবাদ পত্ৰ নহয়, ই অসমীয়া ভাষা-সাহিত্যৰ সম্পদ। ১৯৭১ত জন্ম লাভ কৰা অগ্ৰদূতে ৫২ সংখ্যক বৰ্ষ অতিক্ৰম কৰি মাননীয় কনকসেন ডেকাৰ নেতৃত্বত বহুতো সাংবাদিকৰ লগতে লেখক, কবি, গল্পকাৰ তথা সাহিত্যিকক প্ৰতিষ্ঠা কৰালে। অগ্ৰদূতে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে মাত মাতি নিৰ্ভীক আৰু নিৰপেক্ষ ভাৱে আজিলৈকে বা-বাতৰি প্ৰকাশ কৰি আহিছে। সত্যৰ ওপৰত প্ৰতিষ্ঠিত এইখন বাতৰি কাকত। সামাজিক দায়বদ্ধতাত অবিচল থাকি, সাহস আৰু সততাৰে অগ্ৰদূত আজি বিশ্বতে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে অগ্ৰদূতে বিভিন্ন বা-বাতৰি প্ৰকাশ কৰাৰ উপৰিও দুৰ্নীতি পৰায়ণ নেতা-আমোলাৰ বিৰুদ্ধে বলিষ্ঠ কণ্ঠৰে মাতমাতি আহিছে। অগ্ৰদূত মই নিয়মীয়াকৈ পঢ়ো, অগ্ৰদূতত লিখো, অগ্ৰদূতে মোৰ সাহিত্য জীৱনৰ আশা-ভৰষাৰ থলী। অগ্ৰদূতে অসমৰ সমাজ, সভ্যতা তথা সাহিত্য-সংস্কৃতিৰ পথ-প্ৰদৰ্শক। ই আমাৰ চেতনা আৰু অন্তৰৰ স'তে জড়িত থকা মাতৃভাষাত প্ৰকাশ পোৱা এখন বাতৰি কাকত। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ বাহক হিচাপে অগ্ৰদূত সংবাদ পত্ৰই আমাৰ সমাজলৈ আগবঢ়োৱা ভূমিকা অনন্য আৰু অনস্বীকাৰ্য। বৰেণ্য সাহিত্যিক, সাংবাদিক কনকসেন ডেকাৰ সম্পাদনাত প্ৰকাশ পোৱা অগ্ৰদূত কাকতখনে যোৱা ৬ জুলাই, ২০২২ বৰ্ষত সোণালী জয়ন্তী উদ্‌যাপনৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। কাকতখনৰ সোণালী জয়ন্তী বৰ্ষজোৰা কাৰ্যসূচী শুভাৰম্ভ কৰাত, কাকতৰ স'তে জড়িত থকা পাঠক, প্ৰকাশক, লিখক, বিতৰক সকলো লোকে উৎসাহিত হৈ পৰে। ই অসমৰ বাবে দাপোন সদৃশ। ৰাইজৰ বা-বাতৰিৰ উপৰিও দেশৰ বিভিন্ন প্ৰান্তৰ ঘটনা ইয়াত প্ৰতিফলিত হৈ আহিছে। প্ৰতিষ্ঠাপক সম্পাদক কনকসেন ডেকাই আগবঢ়োৱা ঐকান্তিক প্ৰচেষ্টাৰ বাবে আজি অগ্ৰদূত কাকত অসমৰ জাতীয় জীৱনৰ এক জীৱন্ত দলিল ৰূপে ৰূপান্তৰিত হৈছে। অগ্ৰদূতৰ এই জয়যাত্ৰা অব্যাহত থাকক আৰু কাকতখনে অসমীয়া ভাষাৰ এক বলিষ্ঠ কণ্ঠৰূপে জিলিকি থাকক। এই কামনাৰে।

**কামিনী মোহন শৰ্মা,** লেখক

ফোন ঃ ৮৭৬১০৯৮৫৮৫

# বিৰোধীৰ শিবিৰত গেলাৰ গোন্ধ

## বিজেপিৰ কপাল ভাল যে বিৰোধী দলবোৰে শাসক দলটোৰ শক্তিৰ উৎস চিনাক্ত কৰি তাত আঘাত হানিব পৰা নাই





**সদ্যসমাপ্ত** ৰাষ্ট্ৰপতি নিৰ্বাচনত শাসক পক্ষৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে বিৰোধী শিবিৰৰ পৰা ১৪২ ভোট বেছিকৈ লাভ কৰাত দেশৰ ৰাজনীতিত এটা হুলস্থুলৰে সৃষ্টি হৈছে। নিৰ্বাচনত বিৰোধী পক্ষই যশৱন্ত সিনহাক উমৈহতীয়া প্ৰাৰ্থী হিচাপে থিয় কৰাইছিল। গতিকে নিয়মমতে শাসক এন ডি এক বিৰোধিতা কৰা বিৰোধী দলকেইটাৰ আটাইবোৰ ভোট সিনহাই পাব লাগিছিল কিন্তু মূৰকত সেইটো নহ'লগৈ। নীতিগতভাৱে সিনহাই পাবলগীয়া ভোটৰ পৰা ১৪২ টা ভোট কমিল। অৰ্থাৎ ১৪২ জন বিৰোধী সাংসদ আৰু বিধায়কে ক্ৰচ ভোটিং কৰিলে আৰু তাৰ ফলত মুৰ্মুৰ ভোট সেই পৰিমাণে বাঢ়িল। মুৰ্মুৱে লাভ কৰিলে মুঠ ২৮২৪ টা ভোট (মূল্য ৬,৭৬, ৮০৩) আৰু সিনহাই লাভ কৰিলে ১৮৭৭ টা ভোট (মূল্য ৩৮০১৭৭)। এন ডি এৰ জোঁটত নথকা বিজেডি, বিএছপি, ৰাই এছ আৰু কংগ্ৰেছ আৰু শিৱসেনাৰ উদ্ধৱ থাকৰেৰ গোটে নিৰ্বাচনৰ আগতেই এনডিএৰ প্ৰাৰ্থী মুৰ্মুৰ প্ৰতি ৰাজহুৱাকৈ সমৰ্থন ব্যক্ত কৰিছিল। গতিকে বিৰোধী হ'লেও এই দলকেইটাৰ ভোট সিনহাই পোৱাৰ কথা নাছিল; কিন্তু বাকী ১৭/১৮ টা দলৰ উমৈহতীয়া প্ৰাৰ্থী আছিল যশৱন্ত সিনহা। গতিকে সিনহাই সেইকেইটা দলৰ আটাইবোৰ ভোট লাভ কৰাটোৱেই আছিল স্বাভাৱিক আৰু নীতিসম্মত কথা; কিন্তু তেওঁলোকৰ মাজৰে মুঠ ১২৫ জন বিধায়ক আৰু ১৭ জন সাংসদে নিজৰ নিজৰ দল আৰু উমৈহতীয়া বিৰোধী প্ৰাৰ্থীজনক 'গাড্ডাৰী' কৰি শাসক এনডিএৰ প্ৰাৰ্থীগৰাকীকহে ভোট দিলে। তেওঁলোকৰ ভিতৰত অসমৰ আছে ২২ জন, মধ্যপ্ৰদেশৰ ১৬ জন, পশ্চিমবংগৰ তিনি জন, কেৰালাৰ এজন বিধায়ক।

অসমত মুঠ বিৰোধী বিধায়কৰ সংখ্যা হৈছে ৪৪ জন। তাৰে কংগ্ৰেছৰ ২৭, ইউডিএফৰ ১৫, চিপি আই (এম)ৰ এক আৰু ৰাইজৰ দলৰ এজন বিধায়ক। কংগ্ৰেছে তিনিজন বিধায়কক নিলম্বন কৰি থোৱাত দলটোৰ নিয়মীয়া বিধায়কৰ সংখ্যা হৈছে ২৪ জন। নিলম্বিত কেইজনে এনডিএ প্ৰাৰ্থী মুৰ্মুকে ভোট দিয়া বুলি ধৰি ল'ব পাৰি। আনহাতে, ইউ ডি এফৰ দুজন বিধায়ক ভোটদানৰ সময়ত দেশতে নাছিল। গতিকে বিৰোধীৰ মুঠ ভোটদানকাৰী বিধায়কৰ সংখ্যা আছিল ৪২ জন; কিন্তু সিনহাই ভোট পালে মাত্ৰ ২০ টাহে। ২২ জন বিধায়কে ক্ৰচ ভোটিং কৰিলে। তেওঁলোকৰ আটাইকেইজনেই কংগ্ৰেছৰ নিশ্চয় নহয় বা হ'ব নোৱাৰে। সেইটো অবিশ্বাস্য কথা হ'ব। সেইদৰে ইউডিএফৰ ১৩ জন বিধায়কেই মুৰ্মুক ভোট দিছে বুলি ধৰি ল'লেও বাকী ন জন কংগ্ৰেছ, চি পি আই (এম) আৰু ৰাইজৰ দলৰ পৰাই ওলাব লাগিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মতে কংগ্ৰেছৰে ১৪/১৫ জনমানে মুৰ্মুক ভোট দিছে। বাকী সাত/আঠ জনহে হ'ব ইউডিএফ, চিপিআই (এম) আৰু ৰাইজৰ দলৰে। ইউ ডি এফৰ দুজনমানেতো দাবী কৰিছে যে কংগ্ৰেছৰ ২০ জনমান বিধায়কেই এনডিএৰ প্ৰাৰ্থীক ভোট দিছে। চিপিআই (এম) আৰু ৰাইজৰ দলৰ বিধায়ক দুজনো সেই 'গাড্ডাৰ'ৰ দলতে থাকিব পাৰে। মুঠতে 'গাড্ডাৰী'ৰ অভিযোগ-প্ৰতিঅভিযোগ আৰু গাড্ডাৰ চিনাক্তকৰণৰ জটিলতাই অসমৰ বিৰোধী শিবিৰক একপ্ৰকাৰ থানবান কৰি দিয়াৰ উপক্ৰম হৈছে। বিজেপিয়েও বিৰোধী দলকেইটাৰ মাজত সন্দেহ আৰু অবিশ্বাস বিয়পোৱাৰ সুযোগ কথাই-কামে ব্যৱহাৰ কৰি আছে।

কথা হৈছে, অসম তথা সমগ্ৰ দেশৰে বিৰোধী দলবোৰ আভ্যন্তৰীণ ঐক্য আৰু সংহতিৰ সংকটত পৰিছে কিয়? পণ্ডিতসকলে কৈছে যে ৰাজনৈতিক দলবোৰৰ মাজত মূল্যবোধৰ অভাৱ ঘটিছে আৰু বিজেপিয়েই কিনা-বেচাৰ কূটনীতিৰে তাত অৱিহণা যোগাই আছে। তাৰ অৰ্থ এয়ে যে বিজেপিয়ে বহুত টকা-পইচা দি বিৰোধী সাংসদ-বিধায়ক-নেতাসকলক ক্ৰয় কৰাৰ কাৰবাৰ নচলোৱা হ'লে বিৰোধী দলবোৰ ঠিকেই থাকিলেহেঁতেন আৰু নিৰ্বাচনত ক্ৰচ ভোটিঙৰ দৰে দুৰ্ঘটনাও নঘটিলেহেঁতেন।

অভিযোগটোৰ আংশিক সত্যতা হয়তো আছে। চোৰে চুৰি কৰাৰ সুবিধা নাপালে, দুৰ্নীতিগ্ৰস্তই টকা খোৱাৰ সুযোগ নাপালে, মহন্তই মাহনি নেদেখিলে, অঘটনবোৰ নঘটে আৰু চোৰ-দগাবাজ-চৰিত্ৰহীন মানুহবোৰো 'ভাল' মানুহ হৈ থাকে। ইয়াত ব্যক্তিৰ নিজৰ সততাৰ কথা নাই; অসৎ হোৱাৰ সুযোগ বা পৰিৱেশ পোৱা-নোপোৱাৰ ওপৰতহে তেওঁলোকৰ 'চৰিত্ৰ' নিৰ্ভৰশীল।

সকলোৱে জনা কথা যে বিজেপিয়ে কংগ্ৰেছৰ পৰা দলে দলে মানুহ নি নিজৰ দল শকত কৰিছে আৰু কংগ্ৰেছৰ শ্ৰীহানি কৰি আছে। এই আমদানিকৃত লোকসকলৰ ভিতৰত নেতা, পালিনেতা, সভ্য, সমৰ্থক, ভোদদাতা সকলো আছে। সেই সকলোকে কিন্তু বিজেপিয়ে দৰ-দাম কৰি কিনি লোৱা নাই। কেৱল, সাংসদ, বিধায়ক বা প্ৰভাৱশালী নেতাৰ ক্ষেত্ৰতহে ক্ৰয় আৰু বিক্ৰী যোৱাৰ অভিযোগবোৰ উত্থাপিত হৈ আহিছে; কিন্তু প্ৰশ্ন হৈছে, এটা দলৰ সাংসদ, বিধায়ক বা নেতা একোজন বিক্ৰী যায় কিয়? তাৰ কাৰণ কে'বাটাও হ'ব পাৰে। ক্ষমতা, টকা আৰু শাস্তিভয়ৰ যিকোনো এটা কাৰকে তেওঁলোকক দল সলনিৰ বাবে বাধ্য কৰিব পাৰে। সাংসদ-বিধায়কৰ ক্ৰচ ভোটিঙৰ ক্ষেত্ৰত এই কেইটা কাৰকৰ উপৰি অন্তৰ্দলীয় অসন্তুষ্টিয়েও ক্ৰিয়া কৰিব পাৰে; কিন্তু যি কাৰণতেই দলত্যাগ বা ক্ৰচ-ভোটিঙৰ দৰে ঘটনা নঘটক কিয়, বুজিব লাগিব যে তেনে নেতা, সাংসদ বা বিধায়কৰ দলটোৰ ভিতৰত কিবা গোলমাল হৈছে, কিবা এটা গেলিছে



অসবৰ্ণ

হীৰেন গগৈ

আৰু তাৰ গেলা গোন্ধ বাহিৰলৈও ওলাই আহি আমাৰ নাকবোৰত লাগিছে।

ভাৰতবৰ্ষৰ গৰিষ্ঠসংখ্যক হিন্দু এতিয়া বিজেপিৰ সমৰ্থক। নহ'লে দলটো ইমান বৃহৎ হ'ব নোৱাৰিলেহেঁতেন; কিন্তু এই বৃহৎ হিন্দু সমাজৰ অধিকাংশ মানুহেইতো স্বৰাজোত্তৰ তিনি-চাৰিটা দশকলৈ কংগ্ৰেছকে ভোট দি আছিল। স্বাধীনতা লাভৰ সময়লৈকে, অৰ্থাৎ স্বাধীনতা সংগ্ৰামৰ কালছোৱাত কংগ্ৰেছ আছিল মূলতঃ হিন্দু ভাৱাদৰ্শত দীক্ষিত পাৰ্টি। কংগ্ৰেছৰ সেই ভাৱাদৰ্শইটো দেশৰ অধিকাংশ মুছলমানক পৃথক সংগঠন (মুছলিম লীগ) আৰু পৃথক দেশ এখনৰ বাবে প্ৰৰোচিত কৰিছিল; কিন্তু স্বাধীনতা লাভৰ পাছত সেই কংগ্ৰেছ দলেই ভাৰতত ৰৈ যোৱা মুছলমানসকলক নিজৰ স্থায়ী ভোটবেংক কৰি ৰখাৰ মতলবেৰে সংখ্যালঘুৰ অধিকাৰ ৰক্ষা আৰু ধৰ্মনিৰপেক্ষতাৰ নাম লৈ দৃষ্টিকটুভাৱে ইছলামিক মৌলবাদৰ তোষণ আৰু হিন্দুত্ববাদৰ দমন নীতি গ্ৰহণ কৰিলে। তেওঁলোকে ধৰি লৈছিল যে দেশৰ হিন্দু জনসাধাৰণে কংগ্ৰেছক স্বাধীনতা অনা দল বুলি সদায় আঁকোৱালি ধৰি থাকিব আৰু নিজৰ ধৰ্মীয় পৰিচয় লৈ বিশেষ মূৰ নঘমাব। আনহাতে, মুছলমানসকলেও কংগ্ৰেছক তেওঁলোকৰ ৰক্ষক ভাবি সদায় সমৰ্থন দি থাকিব। কংগ্ৰেছে প্ৰস্তুত কৰা সেই ৰাজনৈতিক মিঠৈটোকে ভাৰতীয় হিন্দুৱে তিনিটামান দশক ধৰি গোটে গোটে গিলি আছিল। আনকি ইন্দিৰা গান্ধীৰ জৰুৰীকালীন অৱস্থাত বিৰক্ত হৈ কংগ্ৰেছক সাময়িকভাৱে ক্ষমতাচ্যুত কৰিছিল যদিও দেশৰ হিন্দু সমাজখনে সেই দলকে আকৌ আদৰি লৈছিল। সেইখন হিন্দু সমাজেই স্বাধীনতাৰ পাঁচটা দশকৰ পাছত কংগ্ৰেছৰ মিঠৈ ওকলিয়াই দি বিজেপিক সাবটি ধৰিছে; কিন্তু কিয়? তাৰ সঠিক উত্তৰ কংগ্ৰেছ বা আন কোনো বিৰোধী দলে এতিয়ালৈকে উলিয়াব পৰা নাই।

একালত কংগ্ৰেছকে নিজৰ দল বুলি ভাবি সমৰ্থন কৰি থকা আৰু আংশিকভাৱে কমিউনিষ্ট দলৰ প্ৰতিও আনুগত্য দেখুওৱা এই কোটি কোটি হিন্দু জনসাধাৰণক বিজেপি বা আৰ এছ এছে বিৰোধী সাংসদ-বিধায়কক কিনাৰ দৰে টকা-পইচা দি কিনি লোৱা নাই। বিজেপি-আৰএছএছে তেওঁলোকক কংগ্ৰেছৰ সাম্প্ৰদায়িক নীতিৰ বিৰুদ্ধে সজাগ

**কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলৰ বিধায়ক আৰু সাংসদসকলৰ সন্মুখত এতিয়া ডাঙৰ সমস্যা। বেছিভাগ সমষ্টিতে জনসাধাৰণৰ 'মুড' এতিয়া বিজেপিমুখী। গতিকে বিৰোধী সাংসদ-বিধায়কে পাছৰ নিৰ্বাচনত পুনৰ জয়ী হোৱাৰ কথা ভাবিবলগীয়া হৈছে। আগৰ জামানাত মন্ত্ৰিত্বৰ সোৱাদ পোৱা বিৰোধী বিধায়ক বা সাংসদকেইজনক মন্ত্ৰিত্বৰ লোভেও আমনি কৰে।**

কৰিছে, কংগ্ৰেছৰ পৰিয়ালতন্ত্ৰক জনতাৰ আদালতৰ কাঠগড়াত তুলি দিছে আৰু কংগ্ৰেছে খুৱাই অহা মিঠৈটো যে বিষাক্ত, সেই বিষয়েও জনসাধাৰণক পতিয়ন নিয়াইছে। কংগ্ৰেছৰ ইছলামিক মৌলবাদ তোষণৰ নীতিয়ে যে কেৱল হিন্দু সমাজখনকহে বিক্ষুব্ধ কৰিছে, তেনে নহয়; সেই নীতিয়ে দেশৰ মুছলমান জনসাধাৰণকো দাৰিদ্ৰ আৰু ধৰ্মান্ধতাৰ বোকাত পুতি ৰাখিছে। তেওঁলোকক দৰিদ্ৰ্য আৰু ধৰ্মান্ধ কৰি ৰাখিব নোৱাৰা হ'লে কংগ্ৰেছৰ ভোটবেংকটো বাচি নাথাকিলেহেঁতেন। দেশৰ মুছলমান জনসাধাৰণৰো এটা অংশই কংগ্ৰেছৰ এই কূটকৌশল বুজি পাবলৈ ধৰিছে। দেশৰ সাম্প্ৰদায়িক ঐক্যৰ বাবেই সি শুভ লক্ষণ।

সাংসদ-বিধায়কসকলক জনসাধাৰণে ভোট দি নিৰ্বাচিত কৰে। সাংসদ-বিধায়কসকলেও জনসাধাৰণৰ 'মুড' চায়েই নিজৰ আচৰণ ঠিক কৰে। তেওঁলোকৰ বাবে নিৰ্বাচনত জয়লাভ কৰাটো প্ৰথম কথা। ক্ষমতা থাকিলেহে তেওঁলোকৰ মূল্য থাকিব আৰু সেই মূল্যৰ উপলব্ধিয়েই হৈছে তেওঁলোকৰ বাবে 'মূল্যবোধ'। কোনোবা এটা নীতি বা আদৰ্শৰ পাছত লাগি থাকি যদি ক্ষমতাই হেৰুৱাবলগীয়া হয়, তেনে মূল্যবোধক আজি কালিৰ জনতাইও কোনো মূল্য নিদিব। ৰাইজ যেনেকুৱা, সাংসদ-বিধায়কসকলো তেনেকুৱাই হ'ব বা হ'বলৈ বাধ্য। যি সময়ত কোটি কোটি টকা খৰচ কৰিব নোৱাৰিলে বিধান- সভাৰ সমষ্টি এটাতো জয়লাভ কৰা সম্ভৱ নহয়, সেই সময়ত নীতি-আদৰ্শকেন্দ্ৰিক মূল্যবোধত লাগি থকা সৎ, ন্যায়পৰায়ণ আৰু ব্যক্তিস্বাৰ্থমুক্ত ব্যক্তি এজন বিধায়ক হ'ব কেনেকৈ? ডাঙৰ ৰাজনৈতিক দল এটাই তেওঁক প্ৰাৰ্থিত্ব বা টিকটেই বা দিব কিয়? গতিকে ক্ষমতাকেন্দ্ৰিক মূল্যবোধৰ দৃষ্টিভংগীৰেহে দলত্যাগ বা ক্ৰচ ভোটিঙৰ দৰে ঘটনাবোৰ বিচাৰ কৰিব লাগিব।

কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলৰ বিধায়ক আৰু সাংসদসকলৰ সন্মুখত এতিয়া ডাঙৰ সমস্যা। বেছিভাগ সমষ্টিতে জনসাধাৰণৰ 'মুড' এতিয়া বিজেপিমুখী। গতিকে বিৰোধী সাংসদ-বিধায়কে পাছৰ নিৰ্বাচনত পুনৰ জয়ী হোৱাৰ কথা ভাবিবলগীয়া হৈছে। আগৰ জামানাত মন্ত্ৰিত্বৰ সোৱাদ পোৱা বিৰোধী বিধায়ক বা সাংসদকেইজনক মন্ত্ৰিত্বৰ লোভেও আমনি কৰে। শাসকীয় ক্ষমতা তেওঁলোকৰ বাবে নষ্টালজিয়া হৈ পৰে। এতিয়া কংগ্ৰেছ বা আন বিৰোধী দলত থকা কিছুসংখ্যক বিধায়ক বা সাংসদ সঁচাই নিৰাপত্তাহীনতাত ভুগিবলৈ ধৰিছে। বিৰোধী দলৰ নেতৃত্বত থকা প্ৰাক্তন মন্ত্ৰীসকলৰ পূৰ্বৰ দুৰ্নীতিবোৰো তেওঁলোকৰ বাবে গলগ্ৰহ হৈ পৰিছে। শাসক দলে তেওঁলোকৰ বিৰুদ্ধে যিকোনো সময়তে তদন্তকাৰী সংস্থাক লগাই দিব পাৰে। বিৰোধী দলৰ কোনো কোনো বিধায়কে আশা কৰাৰ দৰে টকা-পইচাও ঘটিব নোৱাৰিব পাৰে। তেওঁলোকৰ বাবে ১০/১৫ কোটি টকাৰ 'অফাৰ' বা 'পেকেজ' এটাও কম লোভনীয় নহয় বা নহ'ব। গতিকে টকা বা মন্ত্ৰিত্বৰ লোভ, পৰাজয়ৰ আশংকা, দুৰ্নীতি তদন্তৰ ভয়— এইকেইটাৰ যিকোনো এটা কাৰকেই বহুতো বিধায়ক বা সাংসদক দলত্যাগ কৰি বিজেপিমুখী হ'বলৈ নাইবা বিজেপিৰ স'তে আপোচ কৰি চলিবলৈ, বিজেপিৰ চৰকাৰ বা ৰাজ্যসভাৰ প্ৰাৰ্থী বা ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ সপক্ষে ক্ৰচ ভোটিং কৰিবলৈ প্ৰৰোচিত কৰিব পাৰে আৰু কৰিছেও। তেওঁলোকৰ বাবে সেইটোৱেই ব্যৱহাৰিক মূল্যবোধ। তেওঁলোকৰ প্ৰসংগত নীতি-আদৰ্শৰ কথা কৈ লাভ নাই।

নীতি-আদৰ্শৰ এই অৱক্ষয়ৰ পৰা কোনো এটা দলেই হাত সাৰি থাকিব পৰা নাই। আনকি শাসক বিজেপি দলো। তেওঁলোকৰ জনসমৰ্থনৰ ভেঁটিটো দৃঢ় আৰু বিস্তাৰিত হৈ থকাৰ বাবে দলত্যাগ বা ক্ৰচ ভোটিং বা 'গাড্ডাৰী'ৰ সমস্যাত দলটো পৰা নাই; কিন্তু তেওঁলোকৰ জনসমৰ্থনৰ ভেঁটিত খহনীয়া আৰম্ভ হ'লে সেই দলতো অসংখ্য গাড্ডাৰৰ সৃষ্টি হ'ব। কাৰণ বিজেপিৰো অসংখ্য নেতা-পালিনেতাৰ গাত কংগ্ৰেছৰ তেজ আছে, সুযোগ-সন্ধানৰ বদভ্যাস আছে, অগাধ সা-সম্পত্তিৰ ভাৰ আৰু লোভ আছে। সম্প্ৰতি নীতি-আদৰ্শৰ অৱক্ষয়ে বিৰোধীকহে ক্ষতিগ্ৰস্ত কৰিছে তেওঁলোকৰ গণভিত্তিত চলা ব্যাপক খহনীয়াৰ বাবে। বিজেপিৰ কপাল ভাল যে বিৰোধী দলবোৰে শাসক দলটোৰ শক্তিৰ উৎস চিনাক্ত কৰি তাত আঘাত হানিব পৰা নাই।

আচৰিত কথা যে দেশৰ বিৰোধী দলবোৰে, বিশেষকৈ সৰ্বভাৰতীয় দলকেইটাই নৰেন্দ্ৰ মোদীৰ চৰকাৰ ক্ষমতাত বহাৰ দিনটোৰ পৰাই দেশ গ'ল গ'ল বুলি চিঞৰ-বাখৰ লগাই কেৱল মোদীক খেদাৰ চিন্তাত পগলাৰ দৰে লাগি আছে। দেশত বিজেপিৰ এনে অভূতপূৰ্ব উত্থানৰ অন্তৰালত থকা ৰাজনৈতিক-সামাজিক কাৰকবোৰ চিনাক্ত আৰু ব্যাখ্যা কৰাৰ কোনো আগ্ৰহ তেওঁলোকৰ গাত দেখা নাই। চৰকাৰখনৰ সফলতাবোৰো তেওঁলোকে অকণো দেখা বা চোৱা নাই; কেৱল ব্যৰ্থতা বা দোষ-ত্ৰুটিৰ পুৰাণবোৰহে তেওঁলোকে ৰচনা আৰু পাঠ কৰি আছে। সেইবাবেই তেওঁলোকৰ এই এচকুৱা আচৰণবোৰক জনসাধাৰণে সহজভাৱে লোৱা নাই আৰু তেওঁলোকক বিশ্বাসযোগ্য বুলিও ভবা নাই। তাতোকৈ ডাঙৰ কথা, বিৰোধী দলবোৰে নিজৰ দুৰ্বলতাবোৰো কোনো উমানেই পোৱা নাই। কংগ্ৰেছ দল নেহৰু-গান্ধী পৰিয়ালৰ অভিশাপ স্বৰূপ কজাতে আজিও বন্দী; বাওঁ-গণতান্ত্ৰিক বুলি দাবী কৰা দলকেইটাও কংগ্ৰেছৰ ডুবন্ত জাহাজখনতে উঠি সমুদ্ৰ চফৰৰ সপোন দেখি আছে; কিন্তু সমুদ্ৰৰ মাজত ডুব যোৱা জাহাজৰ দিশহাৰা নাবিকৰ দৰে দাৰুচিনি দ্বীপৰ ভিতৰত সবুজ ঘাঁহৰ দেশ এখন দেখাৰ সৌভাগ্যই তেওঁলোকক এই যাত্ৰাত লগ নিদিব।

বিৰোধী শিবিৰ আৱদ্ধ পানীত কিবা গেলাৰহে গোন্ধ ওলাইছে।

ফোন ঃ ৮৮১১৮২৭৪৩২

# অসমৰ শক্তি বিভাগ আৰু নৱনিযুক্ত মন্ত্ৰী গৰ্লোছা

অভিমত

**'দৈনিক** অগ্ৰদূত'ৰ ১৩ জুলাই সংখ্যাত প্ৰকাশ পোৱা মিহিৰ কুমাৰ বৰুৱাৰ 'অসমৰ শক্তি বিভাগ আৰু নৱ-নিযুক্ত মন্ত্ৰী গৰ্লোছা শীৰ্ষক লেখাটো পঢ়িলো। অসমৰ শক্তি বিভাগৰ লগত বৰুৱাৰ কিমান দিনৰ পৰা সম্পৰ্ক আছে সেইটো নাজানো। অবিচ্ছেদ্য অসমৰ ৰাজ্যিক বিদ্যুৎ পৰিষদৰ জন্ম হৈছিল ১৯৫৮ৰ এক জুনত। প্ৰথম অধ্যক্ষ আছিল বি চি কাপুৰ। কংগ্ৰেছ চৰকাৰৰ প্ৰথম প্ৰধানমন্ত্ৰী নেহৰুৰ দিনত পঞ্চ বাৰ্ষিক পৰিকল্পনা মতে অসমত প্ৰথম জলবিদ্যুৎ প্ৰকল্প আৰম্ভ হৈছিল বৰাপানীত। ১৯৫৯ৰ নৱেম্বৰ নে ডিচেম্বৰত আধাৰশিলা স্থাপন কৰিছিল ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে দ্ৰুতগতিত কাম আগবাঢ়িল। পাৱাৰ হাউছৰ কাম কৰিছিল জাপানৰ মিট্‌চু-বিট্‌চু কোম্পানীয়ে। বৰাপানী জলবিদ্যুৎ প্ৰকল্পৰ য'ত হ্ৰদটো আছে তাৰ মাজেদিয়েই আছিল গুৱাহাটী-শ্বিলং পথটো। পাছত মৌলাইৰ পৰা তেতিয়াৰ হিচাপত ১৪ মাইল ডামটোৰ ওপৰেদি বিকল্প পথ নিৰ্মাণ হয়। প্ৰথম অৱস্থাত সুমেৰ পাৱাৰ হাউছৰ এৰি দিয়া পানীৰে দ্বিতীয় পৰ্যায় আৰম্ভ কৰাৰ কথা আছিল যদিও কি কাৰণত বাতিল হ'ল সেইটোহে জনা নাছিলো। বৰাপানী প্ৰকল্পৰ কাম ক্ষিপ্ৰগতিত আগবঢ়াৰ লগে লগে নামৰূপৰ গেছ আৰু মাইবেলাৰ থাৰ্মেল, বঙাইগাঁৱৰ কয়লা ভিত্তিক প্ৰকল্পৰ কামো আৰম্ভ হৈছিল। কপিলী প্ৰকল্প প্ৰথম অৱস্থাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কৰিছিল যদিও শেষত ষ্টেন্‌লি নিকলছ ৰয়ৰ হেঁচাত মেঘালয়ত পৰিল। কপিলীৰ তলৰ অংশহে অসমৰ।

১৯৭২ত অসম আৰু মেঘালয় ৰাজ্য হোৱাৰ কাৰণে অসমে বহুত হেৰুৱালে। বৰাপানী জলবিদ্যুৎ প্ৰকল্পৰ বিদ্যুৎ উৎপাদনৰ ভাগ অসমে যেনেকৈ পাব লাগিছিল তেনেকৈ নাপালে। অসমে নিৰ্ভৰ কৰিব লগা হ'ল নামৰূপ, মাইবেলা, চন্দ্ৰপুৰৰ ডিজেল গেছ আৰু বঙাইগাঁৱৰ কয়লাভিত্তিক প্ৰকল্পৰ উৎপাদনৰ পৰা; কিন্তু বঙাইগাঁৱৰ কয়লা ভিত্তিক প্ৰকল্পৰো মৃত্যু ঘটিল। নামৰূপৰ এটা ইউনিটৰ যন্ত্ৰপাতি পুৰণা হোৱাৰ কাৰণেও উৎপাদনত ব্যাঘাত ঘটিছিল। এতিয়া নতুন এটা গোট আছে বুলি শুনিছো। কঠালগুৰিৰ কথাটো সম্পূৰ্ণকৈ নাজানো। বৰগোলাই কয়লাৰ প্ৰকল্প হৈ নুঠিল। কাৰ্বিলাংপিৰ এশ মেগাৱাতৰ কেতিয়াবা এটা ইউনিটৰ ৫০ মেগাৱাতহে উৎপাদন হয় বুলি শুনিছো। ইয়াৰ একমাত্ৰ কাৰণ হৈছে পূৰ্বৰ পৰিষদক অকৰ্মণ্য কৰি ২০০৩ত কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা নতুন নীতি। ২০০৩ৰ সংশোধিত আইন মতে পৰিষদৰ স্থানত বহিল কোম্পানী। প্ৰথমতে পাঁচটামান আছিল আৰু এতিয়া তিনিটা আছে। তাৰ ভিতৰত প্ৰধান হৈছে এপিডিচিএল। পৰিষদৰ নামত এগৰাকী অধ্যক্ষ আছে যদিও পূৰ্বৰ দৰে শক্তিবান নহয়। আমি ১৯৯৭তে অৱসৰ লোৱাৰ কাৰণে পাছৰখিনি নীতি-নিয়ম নাজানো। থাউকতে অসম বিদ্যুৎ কোম্পানীৰ বিষয়ে সম্পূৰ্ণ সবিশেষ দিয়া সহজ নহয়। কাৰণ বাহ্যিকভাৱে শুনা বা দেখা আৰু ভিতৰৰ ঘটনাৱলীৰ অনেক প্ৰাৰ্থক্য আছে।

বৰুৱাই শক্তি বিভাগৰ মন্ত্ৰীৰ কথা উল্লেখ কৰিছে। মন্ত্ৰীয়ে বিভাগীয় মুৰব্বীসকলৰ পৰা জনাখিনিহে ৰাজহুৱাকৈ ব্যক্ত কৰে। প্ৰথম মন্ত্ৰী বিমল বৰাই প্ৰথমতে বিজুলী ভৱনত প্ৰৱেশ কৰি কেইজনমান বিষয়াক ৰদ-বদল কৰিলে। অৱশ্যে ৰাজ সংগ্ৰহত কিছু উন্নতি হ'ল। হ'লেও সম্পূৰ্ণভাৱে যিমান পাব লাগে সিমান পাইছে নে নাই সন্দেহ। ইয়াৰ লগত কৰ্মৰত বিষয়া সকলেও সঠিক তথ্য দিব পাৰে নে নোৱাৰে সন্দেহ। অসমত কেইকোটি গ্ৰাহক আছে আৰু সেইসকলৰ মিটাৰত কিমান



ইউনিট মাহে খৰচ হয় আৰু কিমান ৰাজহ সংগ্ৰহ হ'ব লাগে আৰু হয় সেই হিচাপটো গণনা বিভাগৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলেও জানেনে নাজানে সন্দেহ। এপিডি চিএল-এ নতুন সংযোগ দিয়াৰ পাছত লগে লগে গণনা বিভাগত জনাব লাগে। কাৰণ মাহেকীয়া কৰ সংগ্ৰহৰ হিচাপ গণনা বিভাগৰ পৰাহে সংগ্ৰহ কৰা হয়। এতিয়া কোম্পানী হোৱাৰ পৰা কি ব্যৱস্থা আছে সেইটো অৱগত নহওঁ আৰু প্ৰয়োজনো নাই। মন্ত্ৰীসকলে সংশ্লিষ্ট বিভাগৰ পৰাহে তথ্য সংগ্ৰহ কৰি ৰাজহুৱা কৰাটো আগতে জানিছিলো। তথ্য ইফাল-সিফাল হোৱাও অসম্ভৱ নহয়। অসমৰ বিভিন্ন অঞ্চলৰ প্ৰকৃত তথ্য একেদিনাই সংগ্ৰহ কৰা সম্ভৱ নহয়।

বৰুৱাই উল্লেখ কৰিছে যে বৰ্তমান মন্ত্ৰীৰ হাতত ৩২৫৮ কোটি টকাৰ কাম পৰি আছে। স্মাৰ্ট মিটাৰ স্থাপন কৰিলেই এপিডিচি এলৰ উৎপাদন নাবাঢ়ে। স্মাৰ্ট মিটাৰে আনহাতে এপিডিচিএলৰ মিটাৰ ৰিডাৰসকলৰ চাকৰিৰ প্ৰতি ভাবুকিহে আনিছে। শুনামতে কে'বাশ মিটাৰ ৰিডাৰৰ চাকৰি ভাগ্যৰ ওপৰত ওলমি আছে। যি সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে এবছৰত এক লাখ নিবনুৱাক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল সেই সময়ত আকৌ কৰ্মৰত কিছু সংখ্যকৰ চাকৰি যোৱাৰ সম্ভাৱনাহে প্ৰকট হৈছে। কেন্দ্ৰীয় চৰকাৰে যোগান ধৰা পুঁজিৰে লোকচান কেনেকৈ হ্ৰাস কৰে সেইটো লক্ষ্যণীয় হ'ব। অসমত বৰ্তমান বিদ্যুতৰ চাহিদা ১৫-১৬শ মেগাৱাত আৰু নিজা উৎপাদন সৰ্বাধিক তিনিশ মেগাৱাত। বাকী অন্যান্যৰ পৰা ক্ৰয় কৰিব লাগে। আনৰ পৰা ক্ৰয় কৰি পুনৰ আমাক বিক্ৰী কৰা মানে এখন বেপাৰ। বেপাৰ কৰিলে লাভ লোকচানৰ প্ৰশ্ন থাকেই। কিনা দামতকৈ সময়ে সময়ে বিদ্যুতৰ মূল্যবৃদ্ধি কৰি লোকচানৰ ক্ষতিপূৰণ কৰে। সংবহনতে বেছি লোকচান হয় বুলি কয়।

বৰুৱাই আমগুৰিৰ সৌৰশক্তি প্ৰকল্পৰ কথাও উল্লেখ কৰিছে। এই প্ৰকল্পৰ পৰা ৭০ মেঃ বিদ্যুৎ উৎপাদন হ'ব বুলি ভবা হৈছে; কিন্তু সেই বিদ্যুৎ এপিডিচিএল-এ ৩.৭৮ পইচাও (প্ৰতি ইউনিটত) ক্ৰয় কৰি আমাক বিক্ৰী কৰিব। প্ৰশ্নটো হৈছে সেই দৰত দিবনে দুই-এটকা লাভ লৈ বিক্ৰী কৰিব? একেদৰে বঙাইগাঁৱৰ পৰাও ক্ৰয় কৰিহে বিক্ৰী কৰিব লাগিব। প্ৰতি ইউনিটত কি দৰত বিক্ৰী হ'ব সেইটোহে জানিব পৰা নাই। লেখাটোত পোৱা মতে ২০২১-২২ বিত্তীয় বৰ্ষত এপিডিচিএল-এ মুঠ তিনিশ কোটি লাভ কৰিছে। যদি লাভেই কৰে তেন্তে Regulatory Authority-এ বিদ্যুতৰ মাচুল কিয় সময়ে সময়ে বৃদ্ধি কৰে? আমগুৰিত সৌৰশক্তিৰ প্ৰকল্প হোৱাৰ আগতে ১৯৮৭ত আৰম্ভ হোৱা প্ৰস্তাৱিত ৩৬০ মেগাৱাতৰ গেছ ভিত্তিক প্ৰকল্প আধাতে বাদ নিদি সম্পূৰ্ণ কৰাইহেঁতেন আজিৰ দিনত বিদ্যুতৰ নাটনি বহু লাঘৱ হ'লহেঁতেন। বৰ্তমান অসমত জলবিদ্যুৎ প্ৰকল্পৰ সম্ভাৱনা অতি ক্ষীণ কাৰণে গেছ আৰু কয়লাভিত্তিক প্ৰকল্পৰ সন্ধান কৰিব লাগে। তাৰ কাৰণে অসমত পূৰ্বৰ পৰিষদৰ পৰা অৱসৰ লোৱা অভিজ্ঞ ইঞ্জিনীয়াৰ আৰু বৰ্তমান কৰ্মৰত দক্ষ বিষয়াৰ অভাৱ নাই। তাৰ চিন্তা নকৰি বেপাৰী মনোভাবেৰে বেপাৰ চলালে অসমত কোনো দিনে বিদ্যুতৰ সংকট দূৰ নহয়। এই উৎকট গৰমত বিদ্যুতৰ লুকাভাকু দেখিছেই নহয়। এই লুকাভাকু মন্ত্ৰীয়ে দূৰ কৰিব পাৰিবনে?

**গগন চেতিয়া**
ৰাজগড়, গুৱাহাটী

# প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

**দ্ৰৌপদী** মুৰ্মুৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত নিৰ্বাচিত হোৱাৰ পাছত সমগ্ৰ ভাৰতবৰ্ষত বিজেপিৰ কৰ্ম-কৰ্তা আৰু শাসন কৰ্তাসকলে যেনেকৈ বিজয় উল্লাসত ফটকা ফুটাই লাখ লাখ টকা খৰচ কৰিলে তেনেকৈ যদি বিজয় উল্লাসৰ আনন্দত ভাৰতত থকা গৰিব মানুহৰ স্কুল কলেজত পঢ়ি থকা ল'ৰা-ছোৱালীক আৰ্থিক সহায় কৰিলেহেঁতেন তেতিয়াহ'লে ভাৰতৰ সকলো নাগৰিকে আৰু বেছি ভাল পালেহেঁতেন। আনকি বিৰোধী ৰাজনৈতিক দল, অৰাজনৈতিক দল, সংগঠন, ছাত্ৰ সংগঠন ইত্যাদি সকলোৱে ভাল পালেহেঁতেন। প্ৰথমবাৰৰ বাবে এগৰাকী আদিবাসী মহিলা ৰাষ্ট্ৰপতি পদলৈ বিপুল ভোটত জয় লাভ কৰি নিৰ্বাচিত হোৱাত ভাৰতৰ প্ৰতিজন মানুহে ভাল পাইছে নিশ্চয়।

**নৰোত্তম দাস**
ফোন ঃ ৯১০১২৩৪০০৩



# উৎকট গৰমে কি ইংগিত দিছে?

**যোৱা** কিছু বছৰৰ পৰা বৃদ্ধি পোৱা অত্যধিক গৰম আৰু জলবায়ুৰ পৰিৱৰ্তন এক চিন্তাৰ বিষয়বস্তু হৈ পৰিছে। কিহৰ বাবে জলবায়ুৰ এনে অভাৱনীয় পৰিৱৰ্তন ঘটিছে; এয়া যেন ভাবিবলৈ কাৰোৱে সময় নাই। সমগ্ৰ অসমৰ চহৰ-নগৰবোৰত এনে জলবায়ুৰ পৰিৱৰ্তনৰ প্ৰভাৱ আমি দেখিবলৈ পাইছো। বিশেষকৈ গুৱাহাটীত কিদৰে বায়ু প্ৰদূষণৰ প্ৰকোপ বৃদ্ধি হৈছে, সেয়া বাৰুকৈয়ে অনুভৱ কৰো। গোলকীয় উষ্ণতা অত্যধিক মাত্ৰাত বৃদ্ধি পোৱাৰ মূল দায়ী হিচাপে চিহ্নিত মানৱ সমাজ। মানুহৰ অবিবেচক কাৰ্যকলাপৰ বাবে প্ৰদূষণ দিনক দিনে বৃদ্ধি পাইছে, যাৰ ফলত গোলকীয় উষ্ণতাৰ বৃদ্ধিয়ে গোটেই পৃথিৱীখনক গ্ৰাস কৰি পেলাইছে। গোলকীয় উষ্ণতা ৰোধৰ বাবে আমি সকলোৱে ইয়াৰ ভয়াৱহতাৰ বিষয়ে বুজি সজাগ আৰু সচেতন হোৱাৰ যথেষ্ট প্ৰয়োজন আছে। অন্যথা অনাগত দিনত মানৱকুল এক ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হ'বলৈ গৈ আছে। কেৱল মানৱকুল নহয় গোটেই উদ্ভিদ আৰু প্ৰাণীজগতৰ বাবে অশনি সংকেত। গতিকে আমি জীৱশ্ৰেষ্ঠ 'মানুহে' পৃথিৱীখন আৰু চাৰিওফালৰ পৰিৱেশক সদায় পৰিষ্কাৰ কৰি ৰখা মনোভাবেৰে আগবাঢ়িব লাগিব। নহ'লে বাঢ়ি অহা গোলকীয় উষ্ণতা ৰোধ কৰা অসম্ভৱ। গুৱাহাটী মহানগৰীত প্ৰায়েই দেখিবলৈ পাওঁ এচাম লোকে য'তে-ত'তে আৱৰ্জনা পেলাই গুৱাহাটীখনক এক ডাষ্টবিনৰ দৰে ব্যৱহাৰ কৰিছে। বায়ু প্ৰদূষণ, আৱৰ্জনা-লেতেৰা নিষ্কাসন কৰা বাবে চৰকাৰ-প্ৰশাসনে ব্যৱস্থা লৈছে যদিও মই ভাবো মানুহৰ নিজৰ পৰিৱেশৰ প্ৰতি থকা ন্যূনতম কৰণীয়খিনি কৰি দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰা উচিত।


তদুপৰি অবৈধভাৱে 'গছ-গছনি কটা' আৰু পাহাৰ খনন। নানা ধৰণৰ চৰকাৰী আঁচনিৰ বাবে পাহাৰ আৰু শিলভঙা কাৰ্যকলাপ দেখিবলৈ পোৱা যায়। যিবোৰ গোলকীয় উষ্ণতা আৰু প্ৰাকৃতিক দুৰ্যোগৰ একমাত্ৰ কাৰণ। তদুপৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰিবহণ বিভাগে বায়ু প্ৰদূষণ আৰু গ্ৰীন হাউচ গেছ নিৰ্গমন কমাবলৈ যান-বাহনৰ ক্ষেত্ৰত কিছু কঠোৰ নিয়ম বলবৎ কৰা উচিত। যান-বাহনৰ পৰা নিৰ্গত হোৱা কাৰ্বন মন-অক্সাইড বায়ু প্ৰদূষণৰ প্ৰধান কাৰণ। গতিকে প্ৰদূষণ ব'ৰ্ডে যান-বাহনৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে চোকা নজৰ ৰাখিব লাগে।

**নয়নজ্যোতি বৈশ্য**
ফোন ঃ ৯১০১২৪৩১৮৪

দৈনিক অগ্ৰদূত



# বিৰোধী ঐক্য সুদূৰ পৰাহত



পৰ্যালোচনা

আশীষ মজুমদাৰ

ৰাষ্ট্ৰপতি নিৰ্বাচনত এনডিএ-ৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে প্ৰত্যাশিতভাৱে হেলাৰঙে বিপুল ভোটত জয়লাভ কৰিলে। এই নিৰ্বাচনত বিৰোধী পক্ষৰ জয়লাভৰ সম্ভাৱনা নাথাকিলেও ২০২৪ৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে বিৰোধী ঐক্য প্ৰদৰ্শনৰ সুযোগ আছিল, কিন্তু সেয়া হৈ নুঠিল। বিৰোধী পক্ষৰ ১২৬ গৰাকী বিধায়ক আৰু ১৭ গৰাকীকৈ সাংসদে ক্ৰছ ভোটিং কৰি দ্ৰৌপদী মুৰ্মুৰ বিজয়ৰ ব্যৱধান বৃদ্ধি কৰাত অৰিহণা যোগালে। ক্ৰছ ভোটিঙৰ ক্ষেত্ৰত অসমৰ নাম শীৰ্ষত আছে। অসমত শাসকীয় পক্ষৰ ৭৯ টা ভোটৰ বিপৰীতে ভোট লাভ কৰিলে ১০৪ টা, অৰ্থাৎ ২৫ গৰাকী বিধায়কে বিৰোধী প্ৰাৰ্থীৰ সলনি এনডিএ-ৰ প্ৰাৰ্থীক ভোট দিয়াটো নিশ্চিত হৈছে। কংগ্ৰেছৰ পৰা ক্ৰছ ভোটিং হোৱা বুলি নেতৃত্বয়ো স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। অসমৰ পাছতেই সৰ্বাধিক ক্ৰছ ভোটিং হৈছে মধ্য প্ৰদেশত। মধ্য প্ৰদেশৰ ২২ গৰাকী বিৰোধী বিধায়কে দ্ৰৌপদী মুৰ্মুক ভোট দিয়া পৰিলক্ষিত হৈছে। সেইদৰে উত্তৰ প্ৰদেশৰ ১২ গৰাকী সমাজবাদী পাৰ্টীৰ বিধায়ক, বিহাৰৰ ছগৰাকী, গুজৰাটৰ ১০ গৰাকী, গোৱাৰ চাৰিগৰাকী বিৰোধী বিধায়কে এনডিএ-ৰ প্ৰাৰ্থীক ভোট দিছে। আনকি পশ্চিমবংগত প্ৰবল পৰাক্ৰমী তৃণমূল কংগ্ৰেছত শাসন থকাৰ পাছতো দ্ৰৌপদী মুৰ্মুৱে তাত বিৰোধী পক্ষৰ দুটা ভোট লাভ কৰিবলৈ সক্ষম হৈছে। ওড়িছাৰ শাসক দল বিজেডিয়ে মুকলৈকৈ ভূমিকন্যা দ্ৰৌপদীক সমৰ্থন দিছে। ঝাৰখণ্ডৰ শাসক দল ঝাৰখণ্ড মুক্তি মৰ্চায়ো বিৰোধী প্ৰাৰ্থীৰ সলনি এনডিএৰ প্ৰাৰ্থীক মুকলি সমৰ্থন দিছে।

গতিকে দেখা যায় ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী পক্ষ সম্পূৰ্ণৰূপে থান বান হৈ পৰিছে। যোৱা মাহত বিৰোধীৰ দখলত থকা এখন বৃহৎ ৰাজ্য মহাৰাষ্ট্ৰও তেওঁলোকৰ হাতৰ পৰা ওলাই গৈছে। আদৰ্শগতভাৱে সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান কৰা তিনিদলীয় মহাবিকাশ আঘাড়ী চৰকাৰখন আঢ়ৈ বছৰ চলি থকাটোৱেই পৰম বিস্ময়কৰ ৰাজনৈতিক পৰিঘটনা আছিল। চৰকাৰখনৰ পতন হ'লেই বিজেপি ক্ষমতালৈ আহিব—এই ভয়তেই শিৱসেনা, কংগ্ৰেছ আৰু ৰাষ্ট্ৰবাদী কংগ্ৰেছ একগোট হৈ আছিল। কিন্তু একনাথ শিণ্ডেৰ নেতৃত্বত শিৱসেনাৰ ৫৬ জন বিধায়কৰ ৪০ জনেই বিদ্ৰোহ ঘোষণাৰ ফলত উদ্ধৱৰ চৰকাৰৰ পতন ঘটিল আৰু একনাথ শিণ্ডেই বিজেপিৰ সমৰ্থনত মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত হ'ল। শিৱসেনাৰ এনে পৰিণতিত অস্বাভাৱিকতা একো নাই। শিৱসেনা আটাইতকৈ পুৰণি হিন্দুত্ববাদী ৰাজনৈতিক দল আৰু তিনি দশক ধৰি বিজেপিৰ বিশ্বস্ত সহযোগী আছিল। ১৯৯৫ত শিৱসেনা প্ৰথমবাৰ মহাৰাষ্ট্ৰত ক্ষমতালৈ আহিছিল আৰু বিজেপি আছিল কনিষ্ঠ সহযোগী। কিন্তু ২০১৯ৰ নিৰ্বাচনত ১০৬ জন বিধায়কৰে স'তে বিজেপি বৃহত্তম হিচাপে নিৰ্বাচিত হয় আৰু জোটসংগী শিৱসেনা ৫৬ খন আসনত সীমাবদ্ধ হৈ ৰয়। মহাৰাষ্ট্ৰৰ ৰাইজে বিজেপি-শিৱসেনাকেই বিপুল সংখ্যাগৰিষ্ঠতাৰে ক্ষমতা আৰ্পণ কৰিছিল। কিন্তু মিত্ৰতাৰ মৰ্যাদা লংঘন কৰি উদ্ধৱ থাকৰেই আধা কাৰ্যকালৰ বাবে শিৱসেনাৰ মুখ্যমন্ত্ৰীৰ দাবীত অটল হৈ থকা বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিব নোৱাৰিলে। এই ছেগতে সুযোগ সন্ধানী কংগ্ৰেছ আৰু ৰাষ্ট্ৰবাদী কংগ্ৰেছে উদ্ধৱ থাকৰেক মুখ্যমন্ত্ৰী পাতি তিনিদলীয় মহা বিকাশ আঘাড়ী চৰকাৰ গঠন কৰে। ক্ষমতাৰ স্বাৰ্থত হিন্দুত্ববাদ সম্পূৰ্ণৰূপে বিৰ্সৰ্জন দি চিৰবৈৰী কংগ্ৰেছৰে লগ লাগি চৰকাৰ গঠন কৰাটো শিৱসেনাৰ একাংশ বিধায়কে আৰম্ভনিৰ পৰাই ভাল পোৱা নাছিল। যাৰ বিৰুদ্ধে যুঁজি বিধানসভালৈ আহিছে তেওঁলোকৰ স'তে একেশাৰীত বহিবলগীয়া হোৱা বাবে তেওঁলোকে হয়তো বিবেক দংশনত ভুগিছিল। থাকৰেই দলৰ অভ্যন্তৰৰ এই অসন্তোষৰ উমানেই পোৱা নাছিল। অসন্তুষ্ট বিধায়ক সকলৰ মনত উমি উমি জ্বলি থকা ক্ষোভৰ জুই যে এইদৰে উদগীৰণ হ'ব থাকৰেই তাৰ কল্পনাই কৰিব পৰা নাছিল। অসন্তুষ্ট বিধায়ক সকলক প্ৰথমতে পাৰ্শ্বৱৰ্তী গুজৰাটত ৰখা হৈছিল। কিন্তু পাছত বিজেপিৰ শীৰ্ষ নেতৃত্বই তেওঁলোকক অসমলৈ স্থানান্তৰ কৰে। যি কি নহওক, শিৱসেনাৰ অকল গৰিষ্ঠ সংখ্যক বিধায়কেই উদ্ধৱ থাকৰেৰ লগ এৰা নাই, ১৭ গৰাকী সাংসদৰ ১২ গৰাকীয়ে একনাথ শিণ্ডেৰ ফলীয়া হৈছে। শিৱসেনাৰ সঞ্জয় ৰাউতৰ ভাবুকিয়ে একো কাম দিয়া নাই, হিতে বিপৰীতহে হৈছে। উদ্ধৱৰ অথন্তৰ ইয়াতেই শেষ হোৱা নাই। একনাথ শিণ্ডেই অকল মুখ্যমন্ত্ৰীত্বতেই ক্ষান্ত নাথাকি নিজৰ গোটক প্ৰকৃত শিৱসেনা বুলি দাবী কৰিছে আৰু নিৰ্বাচন আয়োগৰ ওচৰত দলীয় প্ৰতীক চিন ধনু-কাঁড় বিচাৰিছে। নিৰ্বাচনী আয়োগে শিণ্ডেৰ এই দাবী মানি ল'লে শিণ্ডে নেতৃত্বাধীন গোট প্ৰকৃত শিৱসেনা বুলি পৰিগনিত হ'ব। থাকৰেই তেতিয়া দলৰ বাবে বেলেগ নাম আৰু প্ৰতীক চিন ল'ব লাগিব।



আজি উদ্ধৱ থাকৰেৰ যিটো দশা হৈছে অন্ধ্ৰ প্ৰদেশৰ তেলেগু দেশমৰ প্ৰতিষ্ঠাতা এন টি ৰামা ৰাওৰো একেই দশা হৈছিল। ১৯৯৫ ত এন টি ৰামা ৰাওৰ জোঁৱায়েক চন্দ্ৰবাবু নাইডুৱে দলৰ বেছিভাগ বিধায়কক নিজৰ ফলীয়া কৰি শহুৰেক ৰামা ৰাওক অপসাৰিত কৰি নিজেই সভাপতি আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী হৈছিল। প্ৰৱল প্ৰতাপী ৰামা ৰাওৰ হঠাৎ এনে দশা হ'ব বুলি কোনো ৰাজনৈতিক পণ্ডিতেই অনুমান কৰিব পৰা নাছিল। ১৯৮৪ৰ সাধাৰণ নিৰ্বাচনত যেতিয়া ইন্দিৰা গান্ধীৰ হত্যাৰ সহানুভূতি ঢৌৰ ফলত সকলো বিৰোধী ৰাজনৈতিক দল উটি গৈছিল তেতিয়া এন টি ৰামা ৰাওৱে সেই ঢৌ প্ৰতিহত কৰি নিজ দলৰ ২৭ জনকৈ সাংসদক জয়ী কৰি পঠাইছিল। সেইবাৰ তেলেগু দেশমেই আছিল সৰ্ববৃহৎ বিৰোধী দল। এতিয়াৰ প্ৰৱল প্ৰতাপী বিজেপিয়ে সেইবাৰ লোকসভাৰ মাথোঁ দুখন আসনহে জয় কৰিবলৈ সক্ষম হৈছিল। থাকৰেৰ শেষ পৰিণতি ৰামা ৰাওৰ দৰেই হ'ব নেকি এতিয়াই ক'ব পৰা নাযায়। দলৰ সভাপতি আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে থাকৰেই বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা নাই। থাকৰে পুত্ৰ আদিত্য থাকৰেৰ মাজতো ৰাজনৈতিক পৰিপক্কতা আৰু বিচক্ষনতা পৰিলক্ষিত হোৱা নাই। বিজেপিয়ে তেওঁক শিৱসেনাৰ ৰাহুল গান্ধী বুলি ইতিকিং কৰিবলৈ আৰম্ভ কৰিছেই, অৰ্থাৎ ৰাহুলৰ নেতৃত্বত কংগ্ৰেছৰ যিটো দশা হৈছে আদিত্যই নেতৃত্ব লাভ কৰিলে শিৱসেনাৰো একেই গতি হ'ব।

বিৰোধী দলবোৰৰ সাম্প্ৰতিক ৰেহ-ৰূপ চাই ২০২৩ যে তেওঁলোকে একগোট হৈ বিজেপিৰ বিৰুদ্ধে যুঁজিব পাৰিব এতিয়ালৈকে তেনে সম্ভাৱনা দেখা দিয়া নাই। কংগ্ৰেছত প্ৰধানমন্ত্ৰী পদৰ যোগ্য প্ৰাৰ্থী নাই বা থাকিলেও গান্ধী পৰিয়ালে আগ বঢ়াই নিদিয়ে। আনহাতে বিৰোধী দলৰ প্ৰধানমন্ত্ৰী প্ৰাৰ্থী কংগ্ৰেছে মানি নলয়। পশ্চিমবংগৰ বাহিৰত মমতা বেনাৰ্জী বা তৃণমূলৰ কোনো প্ৰভাৱ নাই। দিল্লীৰ ৰাইজে বিধানসভাত আম আদমী পাৰ্টীক বিচাৰিলেও সংসদত তেওঁলোকক নিবিচাৰে। দিল্লীত তিনিবাৰকৈ শাসনত বহিও আম আদমী পাৰ্টিয়ে এতিয়ালৈকে দিল্লীৰ এখনো লোকসভাৰ আসন দখল কৰিবলৈ সক্ষম হোৱা নাই। ওৰিষাৰ বিজেডিৰ নবীন পটনায়কৰ ৰাজনৈতিক উচ্চকাংখা বিশেষ নাই, ওৰিষাৰ বাহিৰত তেওঁৰ প্ৰভাৱো নাই। ২০২৪ৰ সাধাৰণ নিৰ্বাচনত বিৰোধী পক্ষৰ যোগ্য আৰু সক্ষম দাবীদাৰ এতিয়ালৈকে চকুত পৰা নাই। আনহাতে ২০২৪ৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে এতিয়াৰে পৰাই কুচকাৱাজ আৰম্ভ কৰা দেখা গৈছে। গতিকে অহা নিৰ্বাচনত নৰেন্দ্ৰ মোদীৰেই হেটট্ৰিক অৰ্জন কৰাৰ সম্ভাৱনা প্ৰবল।

ফোন ঃ ৭০০২২৫১১৬৬



# অন্তৰ্দৃষ্টি আৰু বহিৰ্দৃষ্টি

শশীপ্ৰভা দাস


কুৰুক্ষেত্ৰত কৌৰৱ আৰু পাণ্ডৱৰ মাজত হোৱা যুদ্ধত কৌৰৱৰ অৱস্থা বেয়াৰ ফাললৈ গতি কৰাত দুৰ্যোধন মাতৃ গান্ধাৰীৰ ওচৰলৈ আশীৰ্বাদ বিচাৰি গ'ল। গান্ধাৰীয়ে ক'লে, 'তুমি কাইলৈ ৰাতিপুৱাই গা ধুই বিনাবস্ত্ৰে মোৰ ওচৰলৈ আহিবা, মই আজিলৈকে চকুৰ বান্ধ খোলা নাই। কাইলৈ বান্ধ খুলিয়েই তোমাৰ সৰ্বশৰীৰত দৃষ্টি দিম।সেই দৃষ্টি তোমাৰ শৰীৰত পৰাৰ লগে লগে শৰীৰ লৌহৰ দৰে কঠিন হৈ পৰিব আৰু যুদ্ধত তোমাৰ কেতিয়াও পৰাজয় নহয়।' দুৰ্যোধনে মাতৃৰ আদেশ মতে পিচদিনা বিনাবস্ত্ৰে আহি থাকোতে কৃষ্ণই বাটতে পাই ক'লে,'তুমি ইমান ডাঙৰ মানুহ হৈ মাতৃৰ সন্মুখত বিনাবস্ত্ৰে থিয় হ'বলৈ লজ্জাবোধ নকৰিবানে?' তেতিয়া দুৰ্যোধনে এখন ঠেক বস্ত্ৰ মেৰিয়াই গান্ধাৰীৰ সন্মুখত থিয় হ'ল। গান্ধাৰীয়ে চকুৰ বান্ধ খুলিয়েই দুৰ্যোধনৰ সমগ্ৰ শৰীৰত দৃষ্টি নিক্ষেপ কৰাৰ লগে লগে শৰীৰ লৌহৰ দৰে কঠিন হ'ল, কিন্তু উৰুৰ ওপৰত বস্ত্ৰ মেৰিয়াই থোৱা অংশত দৃষ্টি নপৰাত সেই অংশ কোমল হৈ থাকিল। গদাযুদ্ধত ভীমে সেই ঠাইতে কোবাই উৰুভংগ কৰিলে।

দৃষ্টিৰ অলৌকিক শক্তিৰ সম্পৰ্কত শাস্ত্ৰ-ভাগৱত, পুৰাণ আদিত ঋষি-মুনিসকলে ক্ৰোধান্বিত হৈ অসুৰ-মানৱ আদিক দৃষ্টিৰে ভস্ম কৰা অনেক আখ্যান-উপাখ্যান আছে। প্ৰকৃততে দৃষ্টি সূক্ষ্ম হ'লেও ই অতি শক্তিশালী। উদাহৰণ হিচাপে শাক-পাচলি বা ফল-মূলেৰে ভৰা বাৰীত কাৰোবাৰ কু-দৃষ্টি নপৰিবৰ বাবে 'ছোঁ' একোটা সাজি থোৱা হয়, যাতে মানুহৰ দৃষ্টি পোনে পোনেই ফল-মূল আদিত নপৰি 'ছোঁ'ত পৰে। কেতিয়াবা কিছুমান মানুহৰ দৃষ্টি পৰিলে গছৰ ফল-মূল ক'লা পৰি বা গছ-গছনি লেৰেলী যোৱা দেখা যায়। ইয়াক মুখ লগা বুলিও কোৱা হয়। প্ৰকৃততে পঞ্চভৌতিক সকলো দ্ৰব্যতেই তেজ পদাৰ্থ থাকে। মানুহৰ তেজৰ লগত সেই বেয়া বস্তুৰ তেজৰ (অলৌকিক বা অদৃশ্যভাৱে) সংযুক্ত হ'লে মানুহৰ ভাবাদি সেই প্ৰকাৰৰ হয়। ভাল দ্ৰব্য, ভাল ফল-মূল আদি দেখিলে মনত আনন্দ হয়। দেৱ-দেৱীৰ প্ৰতিমা, সাধু-সন্তলোকৰ প্ৰতি স্বাভাৱিকতেই ভক্তিভাব জন্মে। কিন্তু দুষ্ট লোক, নিকৃষ্ট বস্তু দেখিলে ঘৃণা উপজে। ইয়াৰ কাৰণ হ'ল যি বস্তুত যি গুণ বা দোষ আছে, সেই বস্তুৰ তেজৰ সৈতে আমাৰ চকুৰ সম্পৰ্ক হ'লে, সেই বস্তুৰ গুণ আহি আমাৰ আশ্ৰয় লয়। কিছুমান মানুহে কোনো বস্তুৰ ফালে চালে সেই বস্তু নষ্ট হৈ যায়। মানুহৰ চকুত এনে তেজ থাকে যে বস্তুটোৰ তেজৰ লগত সংযোগ ঘটাৰ লগে লগে বস্তুটো অৰ্থাৎ ফল-মূল আদি শুকাই ক'লা পৰি যায়। সেই কাৰণেই পথাৰ, বাৰী আদিত 'ছোঁ' বা ফলক দিয়াৰ নিয়ম আছে। তাৰ কাৰণ হ'ল প্ৰথমতে বেয়া তেজৰ শক্তি তাত প্ৰতিৰোধ হোৱাৰ পাছত অন্য বস্তুত পৰিলেও তাত কোনো প্ৰতিক্ৰিয়া নঘটে। দৃষ্টিৰ দ্বাৰা আমি বহিৰ্জগতখন দেখিলেও দৃষ্টিৰ দুটা ভাগ আছে— বহিৰ্দৃষ্টি আৰু অন্তৰ্দৃষ্টি। বহিঃ বা বাহ্যিক দৃষ্টিৰ দুটা ভাগ আছে—ইতিবাচক আৰু নেতিবাচক। জীৱন সুন্দৰ আৰু শৃঙ্খলাবদ্ধভাৱে নিয়ন্ত্ৰণ কৰিবলৈ হ'লে সকাৰাত্মক চিন্তাৰ লগতে আৱশ্যকীয় বস্তু গ্ৰহণ কৰাৰ আগতে দৃষ্টিয়ে ইতিবাচক কাৰ্য কৰে আৰু ইয়াৰ ফলস্বৰূপে মন আকৰ্ষণ কৰে। তেতিয়া মনে বুদ্ধিৰ দ্বাৰা কৰ্মেন্দ্ৰিয়ৰ সহযোগত সেই বস্তু গ্ৰহণ কৰে। ইতিবাচক জ্ঞান অৰ্থাৎ আধ্যাত্মিক জ্ঞান আৰু চিন্তাৰ দ্বাৰা দৃষ্টিক নিয়ন্ত্ৰণ কৰিব পাৰি। দৃষ্টিৰ দ্বাৰা মন আকৰ্ষিত হয়। আকৰ্ষণ তীব্ৰ হ'লে উচ্চাকাঙ্ক্ষাৰ পৰা দুৰাকাঙ্ক্ষালৈ মনে গতি কৰে, ফলত মনত খেলি-মেলিৰ সৃষ্টি হয়। মন নিয়ন্ত্ৰণৰ বাহিৰত যায়। দৃষ্টি নিয়ন্ত্ৰণ কৰিবৰ বাবে মন একাগ্ৰ কৰিব লাগে। মন বৰ চঞ্চল। মন একাগ্ৰ কৰিব পাৰিলেহে অন্তৰ্মুখী হ'ব পাৰে। অন্যথা মন সদায় বহিৰ্মুখী হৈ থাকে। অন্তৰ্দৃষ্টিৰ বাবে মানুহৰ সাধনা আৰু চেষ্টা অপৰিহাৰ্য। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে অভ্যাসৰ দ্বাৰাহে মন একাগ্ৰ কৰা সম্ভৱ। অন্তৰ্দৃষ্টিক দিব্যদৃষ্টি বোলা হয়। কেতিয়াবা কেতিয়াবা দেখা যায় কিছুমান মানুহে পঞ্চেন্দ্ৰিয়ৰ সহায় নোলোৱাকৈ কিছুমান অদৃশ্য কথা জানিব পাৰে বা অনুভৱ কৰিব পাৰে। তেনে ধৰণৰ অনুভৱক প্ৰখৰ অনুভূতি বা ষষ্ঠইন্দ্ৰিয় বোলা হয়। মন শুদ্ধ, পবিত্ৰ আৰু শান্ত অৱস্থাত দেখাত সাধাৰণ যেন লাগিলেও আত্মিক শক্তিৰ অধিকাৰী লোকেহে এনে শক্তি লাভ কৰিব পাৰে। ষষ্ঠইন্দ্ৰিয় যুক্তি নিৰ্ভৰশীল মনন চিন্তনৰ প্ৰতিফলন নহয়, এয়া আধ্যাত্মিক শক্তিশালী লোকে লাভ কৰা দিব্য দৃষ্টি বা অন্তৰ্দৃষ্টিহে। আধ্যাত্মিক শক্তিসম্পন্ন স্বামী বিবেকানন্দই অন্তৰ্দৃষ্টিৰে বিশ্বৰ বিভিন্ন ঠাইৰ সংবাদ পাইছিল আৰু অন্য ব্যক্তিৰ মনৰ ভিতৰখন চাব পাৰিছিল। একাগ্ৰতা আৰু ধ্যানৰ শক্তিৰ দ্বাৰাহে মানুহে অন্তৰ্দৃষ্টি লাভ কৰিব পাৰে। দিব্যদৃষ্টি লাভ কৰিবলৈ প্ৰভুৰ কৃপা লাগে। ধৃতৰাষ্ট্ৰই কৌৰৱ-পাণ্ডৱৰ যুদ্ধৰ বিষয়ে সবিশেষ জানিবলৈ বিচৰাত সঞ্জয়ক ভগৱানে দিব্যদৃষ্টি দান কৰিছিল। সঞ্জয়ে দিব্য দৃষ্টিৰে যুদ্ধৰ দৃশ্য চাই স্পষ্টভাৱে ধৃতৰাষ্ট্ৰৰ আগত বৰ্ণনা কৰিছিল। কেতিয়াবা কেতিয়াবা দেখা যায় যোগী সাধকসকলৰ ওচৰলৈ ফল-মূল আদি দ্ৰব্য দৃষ্টি দিবৰ বাবে নি প্ৰসাদ ৰূপে গ্ৰহণ কৰে। আনকি মংগলৰ কাৰণে নিজৰ সন্তানৰ ওপৰতো যোগী সাধকসকলৰ দৃষ্টি দিয়াই অৰ্থাৎ আশীৰ্বাদ কামনা কৰে। আধ্যাত্মিক শক্তিসম্পন্ন ৰাজযোগী, সাধকসকলে পৰমাত্মাৰ লগত যোগযুক্ত হৈ থাকি আত্মিক শক্তিৰে শক্তিশালী হৈ পৰে। মানুহৰ চকুত দয়া, প্ৰেম, কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ আদি প্ৰকাশ পোৱাৰ দৰে আধ্যাত্মিক শক্তিসম্পন্ন ব্যক্তিৰ দৃষ্টিতো আধ্যাত্মিক শক্তি প্ৰকাশ পায়। মানুহৰ যেনে মন তেনে দৃষ্টি, যেনে দৃষ্টি, বৃত্তিও তেনে হয়। মানুহৰ মন চশমাৰ দৰে। ক'লা, ৰঙা, নীলা ৰঙৰ চশমা পিন্ধিলে বাহ্যিক জগতৰ দৃশ্যও তেনে ৰঙেই প্ৰকাশ পোৱা দেখা যায়। এবাৰ কৌৰৱ-পাণ্ডৱৰ গুৰু দ্ৰোণাচাৰ্যই যুধিষ্ঠিৰ আৰু দুৰ্যোধনক ভাল মানুহৰ সন্ধানত পঠালে। গোটেই ৰাজ্য ঘূৰি ফুৰি যুধিষ্ঠিৰে নিজৰ বাহিৰে সকলোকে ভাল,গুণী দেখিলে, কিন্তু দুৰ্যোধনে গোটেই ৰাজ্য চলাথ কৰিও ভাল মানুহ নাপালে। গতিকে ভাল-বেয়া সকলো দৃষ্টি মনৰ ওপৰতে নিৰ্ভৰ কৰে। মানুহৰ মনৰ চিন্তা-ভাৱনা অনুসৰি বিচাৰ আৰু বৰ্ণনাও কৰা হয়। সন্ত তুলসী দাসৰ বৰ্ণনাত আছে, সীতা হৰণৰ পাছত ৰামে গছৰ নতুন কুঁহিপাতক জুইৰ শিখা যেন দেখিছিল। বাৰিষা কালত মেঘবোৰে গৰম তেল ঢালি দিয়া যেন অনুভৱ কৰিছিল। কেৱল সেয়ে নহয় পদুমৰ পাহিবোৰ থুপ খাই থকা জোঙাল শলা যেন লাগিছিল। তদুপৰি শীতল-শান্ত বতাহত বিষাক্ত সাপৰ ফোঁচ-ফোঁচনিহে শুনিছিল। আচৰিত কথা যে সেই সময়ত প্ৰকৃতি আছিল ফুলৰ ৰং আৰু সুৰভিৰে ৰঞ্জিত মৃদু জলবায়ুৰ প্ৰকম্পন তোলা বিমল আনন্দ-অনুভূতি জগাই তোলা ৰূপে-ৰসে বিনন্দীয়া। সুন্দৰ আৰু আত্মিক শক্তিৰে বলবান লোকৰ দৃষ্টি সুন্দৰেই নহয়, অন্তৰ্জগততো বৈ থাকে প্ৰেম আৰু শান্তিৰ অন্তঃসলিলা নৈ।

*ফোন ৯৮৬৪০-২২৭০৩*

সৌৰ আৰু বায়ু শক্তি ব্যৱহাৰ কৰি পানী বিভাজনৰ পৰা পোৱা সেউজীয়া হাইড্ৰ'জেনে তীখা উৎপাদনৰ বাবে এক পৰিষ্কাৰ বিকল্প আগবঢ়াইছে। এনে পদ্ধতিয়ে আমদানি খণ্ডটোৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় কৰিব। কিন্তু সেউজীয়া তীখা উৎপাদনৰ খৰচ বৰ্তমান কয়লা ভিত্তিক তীখাতকৈ যথেষ্ট বেছি। উৎপাদনৰ খৰচ, কয়লাৰ ব্যৱহাৰ আৰু নিৰ্গমনৰ পৰিমাণ পৰ্যায়ক্ৰমে হ্ৰাস কৰিবলৈ চাৰিটা উপায় অৱলম্বন কৰিব পাৰি।





পংকজ কুমাৰ নেওগ

# তীখা উৎপাদনৰ সেউজ প্ৰযুক্তি

কপ-২৬ (COP26) অধিৱেশনৰ প্ৰথম দিনটোত গ্লাছগ'ত ভাৰতে ২০৭০ৰ ভিতৰত নেট-জিৰ' গ্ৰীণহাউছ গেছ (GHG) নিৰ্গমনত উপনীত হোৱাৰ প্ৰতিশ্ৰুতি ঘোষণা কৰে। ই মূলতঃ ভাৰতৰ ঔদ্যোগিক খণ্ড বিশেষকৈ তীখা আৰু লোৰ বিনিয়োগকাৰী আৰু উৎপাদনকাৰী কোম্পানীসমূহৰ বাবে এক দীৰ্ঘম্যাদী ৰ'ডমেপ নিৰ্ধাৰণ কৰে। তীখা উদ্যোগে দেশৰ মুঠ গ্ৰীণহাউছ গেছ নিৰ্গমনৰ প্ৰায় ন শতাংশ অৰিহণা যোগায়; কপ-২৬ত দিয়া লক্ষ্যত উপনীত হ'বলৈ যথেষ্ট পৰিমাণে এই নিৰ্গমন হ্ৰাস কৰিব লাগিব। ভাৰতীয় তীখা কলসমূহে বছৰি ৮-১০ বিলিয়ন ডলাৰৰ ক'কিং কয়লা আমদানি কৰে আৰু ই ভাৰতৰ মুঠ আমদানি বিলৰ প্ৰায় দুই শতাংশ। ২০৩০ৰ ভিতৰত চৰকাৰে ভাৰতৰ তীখা উৎপাদন ক্ষমতা দুগুণ কৰি বছৰি ৩০ কোটি টনলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা লৈছে আৰু ইয়াৰ বাবে তীখা উৎপাদন খণ্ডত কয়লাৰ ব্যৱহাৰ, নিৰ্গমনৰ পৰিমাণ আৰু আমদানি নিৰ্ভৰশীলতা বহুগুণে বৃদ্ধি পাব।

সৌৰ আৰু বায়ু শক্তি ব্যৱহাৰ কৰি পানী বিভাজনৰ পৰা পোৱা সেউজীয়া হাইড্ৰ'জেনে তীখা উৎপাদনৰ বাবে এক পৰিষ্কাৰ বিকল্প আগবঢ়াইছে। এনে পদ্ধতিয়ে আমদানি খণ্ডটোৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় কৰিব। কিন্তু সেউজীয়া তীখা উৎপাদনৰ খৰচ বৰ্তমান কয়লা ভিত্তিক তীখাতকৈ যথেষ্ট বেছি। উৎপাদনৰ খৰচ, কয়লাৰ ব্যৱহাৰ আৰু নিৰ্গমনৰ পৰিমাণ পৰ্যায়ক্ৰমে হ্ৰাস কৰিবলৈ চাৰিটা উপায় অৱলম্বন কৰিব পাৰি। প্ৰথমতে, কয়লা আৰু গেছ ভিত্তিক লো নিৰ্মাণ প্ৰক্ৰিয়াত বৰ্তমানৰ ইন্ধনৰ এটা অংশ সেউজীয়া হাইড্ৰ'জেনে ঠাই ল'ব পাৰে। তীখা নিৰ্মাণৰ বাবে প্ৰয়োজনীয় কয়লা ভিত্তিক লোহা নিৰ্মাণৰ দুটা মূল প্ৰণালী দেখা যায় ঃ এটা হ'ল ব্লাষ্ট ফাৰ্নেচত লোহাৰ আকৰ গলাই লো তৈয়াৰ কৰা পদ্ধতি আৰু আনটো ৰ'টাৰী কিল্‌নত লোহাৰ আঁকৰ নগলোৱাকৈ লোলৈ হ্ৰাস কৰা প্ৰণালী। সেউজীয়া হাইড্ৰ'জেনে ব্লাষ্ট ফাৰ্নেচত হোৱা শক্তিৰ ব্যৱহাৰৰ ১৫-২০ শতাংশ হ্ৰাস কৰিব পাৰে। ৰ'টাৰী কিল্‌নৰ ক্ষেত্ৰত একেধৰণৰ অনুমান এতিয়াও কৰিব পৰা হোৱা নাই। প্ৰাকৃতিক গেছ ভিত্তিক 'শ্বেফ্‌ট ফাৰ্নেচ'তো আকৰ নগলোৱাকৈ লো উৎপন্ন কৰা হয়। উৎপাদন প্ৰক্ৰিয়াত কোনো ডাঙৰ পৰিৱৰ্তন নকৰাকৈ এই শ্বেফ্‌ট ফাৰ্নেচবোৰে ৩০ শতাংশ সেউজীয়া হাইড্ৰ'জেন শোষণ কৰিব পাৰে। এইবোৰক পৰৱৰ্তী সময়ত সংশোধন কৰি ১০০ শতাংশ সেউজীয়া হাইড্ৰ'জেন শোষণ কৰিব পৰা ফাৰ্নেচলৈ পৰিৱৰ্তিত কৰিব পৰা যাব। ৰ'টাৰী কিল্‌নত হাইড্ৰ'জেন মিহলোৱাৰ সম্ভাৱনা মূল্যায়ন কৰি আৰু তীখা নিৰ্মাণ প্ৰক্ৰিয়াসমূহত কয়লা আৰু প্ৰাকৃতিক গেছৰ সলনি ক্ৰমান্বয়ে সেউজ হাইড্ৰ'জেন ব্যৱহাৰ কৰিব পাৰিলে প্ৰতি বছৰে ২৭ লাখ টন সেউজ হাইড্ৰ'জেনৰ চাহিদাৰ সৃষ্টি হ'ব। ই বছৰি ২৮ মিলিয়ন টন কাৰ্বন-ডাই-অক্সাইড গেছৰ নিৰ্গমন হ্ৰাস কৰিব পাৰে।

দ্বিতীয়তে, কয়লা আৰু গেছৰ সলনি সেউজ হাইড্ৰ'জেনলৈ পৰিৱৰ্তনৰ বাবে নতুন উৎপাদন ব্যৱস্থা সাজু হৈ উঠিব লাগিব। লো উৎপাদনৰ বাবে ব্যৱহৃত বৰ্তমানৰ কয়লা ভিত্তিক ব্যৱস্থাসমূহক (ব্লাষ্ট ফাৰ্নেচ আৰু ৰ'টাৰী কিল্‌ন) হাইড্ৰ'জেন ব্যৱস্থালৈ সম্পূৰ্ণভাৱে পৰিৱৰ্তন কৰিব পৰা নাযায়। ব্লাষ্ট ফাৰ্নেচত বছৰি প্ৰতি মিলিয়ন টনৰ বাবে ৭০০০ কোটি টকাৰ বিনিয়োগৰ প্ৰয়োজন হয় আৰু এই টকা পৰৱৰ্তী ৪০-৫০ বছৰৰ ভিতৰতহে উদ্ধাৰ কৰিব পাৰি। সেয়েহে নীতি নিৰ্ধাৰকসকলে ব্লাষ্ট ফাৰ্নেচত বিনিয়োগ কৰিব খোজা নিৰ্মাতাসকলক নিৰুৎসাহিত কৰা উচিত। সেউজ হাইড্ৰ'জেন ব্যৱস্থালৈ পৰিৱৰ্তন কৰাৰ অযোগ্য হোৱাৰ উপৰি ব্লাষ্ট ফাৰ্নেচে আমদানিকৃত কয়লাৰ যোগানসমূহো শতিকাৰ মাজভাগলৈ অব্যাহত ৰাখিব। আনহাতে, প্ৰাকৃতিক গেছ ভিত্তিক শ্বেফট ফাৰ্নেচবোৰ হাইড্ৰ'জেন ব্যৱহাৰৰ বাবে উপযোগী আৰু সেউজীয়া হাইড্ৰ'জেন আৰু প্ৰাকৃতিক গেছৰ ভিন্ন মিশ্ৰণৰ স'তে কাম কৰিব পাৰে।

তৃতীয়তে, বৰ্তমান সেউজ তীখাৰ উচ্চ ব্যয়ৰ প্ৰতি লক্ষ্য ৰাখি তীখা উৎপাদকসকলক প্ৰাকৃতিক গেছৰ পৰা আহৰণ কৰাক গ্ৰে' বা ধূসৰ হাইড্ৰ'জেনক সেউজ হাইড্ৰ'জেনৰ স'তে মিহলাবলৈ উৎসাহিত কৰা উচিত। সেইদৰে নবীকৰণযোগ্য শক্তিৰ স'তে গ্ৰীড উৎপাদিত বিদ্যুতৰ সংমিশ্ৰণো বৈধ হোৱা উচিত। শেহতীয়াকৈ কাউন্সিল অন এনাৰ্জি, এনভাইৰণমেণ্ট এণ্ড ৱাটাৰ (CEEW)ৰ এক অধ্যয়নে প্ৰকাশ কৰা মতে কয়লা ভিত্তিক প্ৰযুক্তিতকৈ সেউজ হাইড্ৰ'জেন ভিত্তিক তীখা ৫০-৭০ শতাংশ বেছি ব্যয়বহুল। অৱশ্যে এটা বিশ্লেষণে দেখুৱাইছে যে ন শতাংশ সেউজ হাইড্ৰ'জেন মিহলাই ব্লাষ্ট ফাৰ্নেচৰ খৰচৰ উচ্চ পৰিসৰৰ স'তে আজিও প্ৰস্তুতকাৰীসকলে লাভজনক ব্যৱসায় কৰিব পাৰিব। ২০৩০ৰ ভিতৰত ৬০ শতাংশ আৰু ২০৪০ৰ ভিতৰত ১০০ শতাংশ সেউজ হাইড্ৰ'জেনৰ মিশ্ৰণৰ ফলত তীখা উৎপাদনকাৰী কোম্পানীসমূহে ব্লাষ্ট ফাৰ্নেচৰ খৰচৰ গড় আৰু কম পৰিসৰৰ স'তে সমতা স্থাপন কৰাৰ সম্ভাৱনা বেছি। নিৰ্গমনৰ ক্ষেত্ৰত ন শতাংশ সেউজ হাইড্ৰ'জেন মিশ্ৰণৰ স'তে শক্তিৰ প্ৰয়োজনীয়তাৰ বাবে নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰে নিৰ্গমন ৬০ শতাংশ হ্ৰাস কৰিব বুলি আশা কৰিব পাৰি।

সৰ্বশেষত হাইড্ৰ'জেন ভিত্তিক তীখা নিৰ্মাণৰ দিশলৈ পৰিৱৰ্তনৰ বাবে তথা তীখা উৎপাদকসকলক প্ৰেৰণা যোগাবলৈ সেউজ তীখাৰ বজাৰ এখন গঢ়ি তোলা অতি প্ৰয়োজনীয়। প্ৰধানমন্ত্ৰী আৱাস যোজনা, ভাৰতমালা, জল জীৱন মিছনৰ দৰে চৰকাৰী পুঁজিৰে কৰা আন্তঃগাঁথনি প্ৰকল্পসমূহত ১৬ কোটি টন তীখাৰ ব্যৱহাৰ হ'ব। তীখা নিৰ্মাণকাৰীসকলক পৰিৱৰ্তনৰ দিশত আগবঢ়াই নিবলৈ চৰকাৰী নিবিদাত এই আন্তঃগাঁথনি প্ৰকল্পসমূহৰ বাবে ক্ৰয় কৰিবলগীয়া তীখাত অতি সামান্য পৰিমাণৰ কাৰ্বন নিৰ্ধাৰিত কৰাতো বাঞ্ছনীয়। লো আৰু তীখা উৎপাদন খণ্ডসমূহ সেউজ গৃহ গেছ নিৰ্গমনৰ বাবে আটাইতকৈ দায়ী যদিও কয়লাৰ ব্যৱহাৰ পৰ্যায়ক্ৰমে হ্ৰাস কৰিবলৈ আৰু আমাক নেট-জিৰ' লক্ষ্যত উপনীত হোৱাত সহায় কৰিবলৈ উদ্যোগসমূহে আটাইতকৈ লঘু মৌলৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে।


যোৱা বছৰৰ আগষ্টত ছুইডেনত কয়লা ব্যৱহাৰ নকৰাকৈ উৎপাদিত 'সেউজীয়া তীখা'ৰ বিশ্বৰ প্ৰথমটো গ্ৰাহক ডেলিভাৰী হয়। ছুইডেনৰ উদ্যোগ হাইব্ৰিটে জনোৱা মতে ২০২৬ত সম্পূৰ্ণ বাণিজ্যিক উৎপাদনৰ পূৰ্বে পৰীক্ষামূলকভাৱে ট্ৰাক নিৰ্মাতা কোম্পানী 'ভল্‌ভো এবি'ক এই ষ্টীল যোগান ধৰা হৈছে। ভল্‌ভোই ইতিমধ্যে সেউজীয়া ষ্টীলৰ পৰা প্ৰ'ট'টাইপ বাহন আৰু উপাদানসমূহৰ উৎপাদন আৰম্ভ কৰিব বুলি জনাইছে। হাইব্ৰিটে প্ৰায় দুবছৰৰ পূৰ্বে উত্তৰ ছুইডেনৰ 'লুলিয়া'ত সেউজ তীখাৰ বাবে পাইলট প্লাণ্টত পৰীক্ষামূলক কাম আৰম্ভ কৰিছিল। ইয়াৰ লক্ষ্য হৈছে পৰম্পৰাগতভাৱে অক্সিজেন ভিত্তিক তীখা নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ক'কিং কয়লাৰ ঠাইত নবীকৰণযোগ্য বিদ্যুৎ আৰু হাইড্ৰ'জেন ব্যৱহাৰ কৰা। ২০৫০ ৰ ভিতৰত নেট জিৰ' সেউজ গৃহ গেছ নিৰ্গমনত উপনীত হোৱাৰ লক্ষ্যত ইউৰোপীয় ইউনিয়নৰ পৰিকল্পনাৰ এটা মূল অংশ হ'ল হাইড্ৰ'জেন। হাইব্ৰিটৰ মালিক হৈছে তীখা নিৰ্মাতা কোম্পানী এছএছএবি, চৰকাৰী মালিকানাধীন শক্তি উৎপাদন কোম্পানী ভেটেনফল আৰু মাইনিং কোম্পানী এলকেএবি। ছুইডেনৰ ১০ শতাংশ আৰু ফিনলেণ্ডৰ কাৰ্বন-ডাই অক্সাইড নিৰ্গমনৰ সাত শতাংশ এছএছএবিয়ে বহন কৰে। ভল্‌ভো এবিক পৰীক্ষামূলকভাৱে কৰা ডেলিভাৰী হৈছে 'সম্পূৰ্ণৰূপে জীৱাশ্মমুক্ত মূল্য-শৃংখলৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ইয়াৰ লক্ষ্য হৈছে বিশ্বৰ বজাৰত জীৱাশ্মমুক্ত তীখা যোগান ধৰা আৰু ২০২৬ৰ পৰা ঔদ্যোগিক পৰ্যায়ত এই প্ৰযুক্তি প্ৰতিষ্ঠা কৰা।'

ভাৰতৰ বেদান্ত গোটৰ এটা প্ৰতিষ্ঠানে 'সেউজীয়া তীখা'ৰ দিশলৈ স্থানান্তৰিত হোৱাৰ পৰিকল্পনাৰ অংশ হিচাপে কয় যে তেওঁলোকে কাৰ্বন নিৰ্গমন হ্ৰাস কৰিবলৈ নিজৰ উৎপাদন প্ৰক্ৰিয়াত ক'কৰ পৰিৱৰ্তে হাইড্ৰ'জেন ব্যৱহাৰ কৰাৰ কথা চিন্তা কৰিছে। বেদান্তৰ 'ছেছা গোৱা আইৰন অ'ৰ বিজনেছ' জনোৱা মতে, ক'কৰ সলনি হাইড্ৰ'জেন ব্যৱহাৰ কৰি 'পিগ আইৰন অ'ৰ' নিৰ্মাণৰ বাবে গৱেষণা চলাবলৈ আইআইটি-বম্বেৰ সহযোগিতা বিচৰা হৈছে। এই সমাধানৰ লক্ষ্য হৈছে উৎপাদন প্ৰক্ৰিয়াত কাৰ্বন নিৰ্গমন হ্ৰাস আৰু সেউজ তীখা নিৰ্মাণ। বেদান্তই পূৰ্বে ২০৫০ ৰ ভিতৰত বা তাতোকৈ সোনকালে কাৰ্বন নিৰ্গমন শূন্যলৈ হ্ৰাস কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছত আৰু নে'ট শূন্য কাৰ্যকলাপলৈ পৰিৱৰ্তন ত্বৰান্বিত কৰিবলৈ অহা ১০ বছৰত পাঁচ বিলিয়ন মাৰ্কিন ডলাৰৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতে এই বিবৃতিটোৱে তাৎপৰ্য গ্ৰহণ কৰিছে। গ্ৰীণ ক'ক অতি সোনকালে বাস্তৱায়িত হ'ব বুলি দাবী কৰি শ্বাহে কয় যে কোম্পানীটো গ্ৰীণ ষ্টীলৰ দিশত স্থানান্তৰিত হোৱাৰ পথত আগবাঢ়িছে। শ্বাহে ব্যাখ্যা কৰা মতে 'তীখা উৎপাদনত হাইড্ৰ'জেনৰ ব্যৱহাৰৰ ওপৰত এক অধ্যয়নৰ বাবে আইআইটি-বম্বেৰ সহযোগিতা বিচৰা হৈছে। ধাৰণাটো এতিয়াও চালুকীয়া অৱস্থাত যদিও ই বিশ্বৰ এক অনন্য উদাহৰণ হ'ব। তীখা উৎপাদনত হাইড্ৰ'জেন কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাৰ সমাধান বিচাৰি পালেই আমাৰ কাৰ্বনৰ ব্যৱহাৰ হ্ৰাস পাব।' তীখাৰ উৎপাদন প্ৰক্ৰিয়া বিশ্বৰ অন্যতম শক্তি খৰচী আৰু কাৰ্বন-ডাই অক্সাইড নিৰ্গমনকাৰী ঔদ্যোগিক কাৰ্যকলাপ হোৱা বাবে পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ অতিশয় বেছি। কোম্পানীটোৱে কয় যে তেওঁলোকে 'মানুহ, গ্ৰহ আৰু সমৃদ্ধি' — এই তিনিওটা দিশ অনুসৰণ কৰি সম্প্ৰদায়সমূহৰ বাবে 'শূন্য ক্ষতি, শূন্য আৱৰ্জনা আৰু শূন্য নিৰ্গমন' পৰিৱেশত এক বহনক্ষম ভৱিষ্যৎ সৃষ্টি কৰিবলৈ সংকল্পবদ্ধ।

বেদান্তৰ দৰে টাটা ষ্টীলেও তেওঁলোকৰ ভাৰত আৰু ইউৰোপৰ বিভিন্ন প্লাণ্টত গ্ৰীন ষ্টীল উৎপাদনৰ প্ৰস্তুতি চলোৱাৰ লগতে ষ্টীল ৰিচাইক্লিং বা পুনঃব্যৱহাৰৰ প্ৰকল্পও আৰম্ভ কৰিছে। টাটা ষ্টীলৰ চিইঅ'ৰ এটা বিবৃতি মতে — 'আমি নতুন প্ৰক্ৰিয়াত বিনিয়োগ কৰিছোঁ আৰু ইজমুইডেন, হলেণ্ডত পাইলট স্কেলত থকা 'হিছাৰ্না' প্ৰক্ৰিয়াটো অহা কেইবছৰমানৰ ভিতৰত ভাৰত আৰু নেদাৰলেণ্ডত সম্প্ৰসাৰণ কৰা হ'ব। ই কেৱল নিম্নমানৰ কেঁচামালৰ উন্নত ব্যৱহাৰ কৰাত সহায় কৰাই নহয়, ব্লাষ্ট ফাৰ্নেচতকৈ অধিক কাৰ্বন-দক্ষ হ'ব আৰু সংৰক্ষণ আৰু ব্যৱহাৰৰ বাবে অধিক অনুকূল পৰিষ্কাৰ কাৰ্বন-ডাই-অক্সাইড উৎপন্ন কৰিব। নেদাৰলেণ্ডত কাৰ্বন সংৰক্ষণৰ ক্ষেত্ৰতো আমি অনেক কাম কৰি আছো। দক্ষিণ-পূৱ এছিয়াত আমি অধিক কাৰ্বন-দক্ষ পুনঃব্যৱহাৰযোগ্য প্ৰণালীৰে বেছিভাগ তীখা উৎপাদন কৰিছো আৰু ভাৰততো এই ক্ষেত্ৰত কাম আৰম্ভ কৰা হৈছে। হাৰিয়ানাৰ ৰোহতকত ভাৰতৰ প্ৰথমটো উচ্চমানৰ তীখা পুনঃব্যৱহাৰৰ কেন্দ্ৰ স্থাপন কৰিছো।' টাটা ষ্টীল ইউৰোপৰো অন্যতম আগশাৰীৰ তীখা উৎপাদক কোম্পানী।

*ফোন ঃ +৯৬৮-৯৯৬৭-২৭৮১*

## শিৱসেনা কাৰ ঃ শিণ্ডে গোটৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ উদ্ধৱ



**নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ** শিৱসেনাৰ উদ্ধৱ থাকৰে গোটে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডে নেতৃত্বাধীন শিৱসেনাই প্ৰকৃত শিৱসেনা হিচাপে স্বীকৃতি বিচাৰি দাখিল কৰা আবেদনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল। উল্লেখ্য যে শিণ্ডে গোটে প্ৰকৃত শিৱসেনা বুলি দাবী কৰি দলৰ প্ৰতীক চিহ্ন আৰু স্বীকৃতি বিচাৰি নিৰ্বাচন আয়োগৰ দ্বাৰস্থ হৈছিল। এইবাৰ শিণ্ডে গোটৰ এই দাবীৰ বিৰুদ্ধে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ কাষ চাপিল উদ্ধৱ বাহিনী। থাকৰে গোটে নিৰ্বাচন আয়োগলৈ পত্ৰ লিখি কয় যে বিষয়টো সম্প্ৰতি উচ্চতম ন্যায়ালয়ৰ বিবেচনাধীন হোৱা হেতুকে শিণ্ডে গোটৰ আবেদনৰ সন্দৰ্ভত আয়োগে তৎকালীনভাৱে কোনো শুনানি গ্ৰহণ কৰাটো উচিত নহ'ব।

## বিনোদন জগতত দেশৰ সৰ্বোচ্চ কৰদাতাৰ সন্মান অক্ষয়লৈ




নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ একেৰাহে পঞ্চমবাৰৰ বাবে ভাৰতৰ বিনোদন জগতৰ সৰ্বোচ্চ কৰদাতাৰ স্বীকৃতি লাভ কৰিলে বলিউডৰ অভিনেতা অক্ষয় কুমাৰে। এই সাফল্যৰ স্মাৰক হিচাপে আয়কৰ বিভাগৰ পৰা অভিনেতাই লাভ কৰিলে এখন সন্মানপত্ৰ। এই সন্মানপত্ৰত এনেদৰে লিখা আছে, 'তেওঁৰ হাততে এই মুহূৰ্তত সৰ্বাধিক ছবি, লগতে এনডৰ্ছমেণ্টৰ ক্ষেত্ৰতো তেওঁ শীৰ্ষত। এয়া আশ্চৰ্যৰ নহয়, আজি তেওঁ দেশৰ সৰ্বোচ্চ কৰদাতা।' সামাজিক মাধ্যমত ইতিমধ্যে অক্ষয়ে লাভ কৰা আয়কৰ বিভাগৰ এই সন্মানপত্ৰ ভাইৰেল হৈছে। বিগত পাঁচ বছৰ ধৰি দেশৰ বিনোদন জগতৰ তাৰকা হিচাপে সৰ্বাধিক পৰিমাণৰ আয়কৰ আদায় দি আহিছে অক্ষয়ে। বৰ্তমানে ব্ৰিটেইনত পৰৱৰ্তী ছবিৰ দৃশ্যগ্ৰহণত ব্যস্ত আছে অভিনেতাজন।

## বিপদ বাঢ়িল আদিত্যৰ, বিগত আঢ়ৈ বছৰৰ কামৰ হিচাপ ল'ব কেন্দ্ৰই



**নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ** মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ পুত্ৰ আদিত্য থাকৰেৰ বিপদ বাঢ়িল। কেন্দ্ৰৰ চৰকাৰে আদিত্যৰ মন্ত্ৰণালয়ৰ অডিটৰ নিৰ্দেশ দিলে। আদিত্যৰ অধীনস্থ মন্ত্ৰণালয়ৰ বিগত আঢ়ৈ বছৰৰ কাম-কাজৰ হিচাপ-নিকাচ কৰিব কেন্দ্ৰই। উদ্ধৱ চৰকাৰত আদিত্যই পৰিৱেশ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। উদ্ধৱক মুখ্যমন্ত্ৰী পদৰ পৰা কৌশলৰে অপসাৰিত কৰি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছত একনাথ শিণ্ডেৰ কাৰ্যকালৰ আৰম্ভণিতে নতুন বিপদৰ সন্মুখীন হ'ল উদ্ধৱ পুত্ৰ আদিত্য। আদিত্যৰ বিৰুদ্ধে একাধিক দুৰ্নীতি-অনিয়মৰ অভিযোগ উত্থাপিত হৈছিল আৰু সেয়েহে তেওঁৰ মন্ত্ৰণালয়ৰ বিগত আঢ়ৈ বছৰৰ কাম-কাজৰ অডিট সম্পন্ন কৰিব কেন্দ্ৰই।

## সমুদ্ৰত নৌকা ডুবি কমেও ১৭ হাইটী শৰণাৰ্থীৰ মৃত্যু



**নিউজ ব্যুৰ', নছাউ, ২৫ জুলাই ঃ** লেটিন আমেৰিকাৰ দেশ বাহামাছৰ দক্ষিণ দ্বীপৰ সমীপত এক নৌকা দুৰ্ঘটনাত সমুদ্ৰত ডুবি কমেও ১৭ জন হাইটী শৰণাৰ্থীৰ মৃত্যু হ'ল। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, হাইটী প্ৰব্ৰজনকাৰী কঢ়িয়াই নিয়া এখন নাও সমুদ্ৰত ডুব যোৱাৰ ফলত ১৭ জন যাত্ৰীৰ মৃত্যু হয়। এই ঘটনাত আন ২৫ জন লোকক উদ্ধাৰ বাহিনীয়ে নিৰাপদে প্ৰাণ ৰক্ষা কৰিলে। নাওখনত কমেও ৬০ জন যাত্ৰী থকা বুলি সন্দেহ কৰা হৈছে আৰু আন যাত্ৰীৰ সন্ধানত সমুদ্ৰত উদ্ধাৰ অভিযান অব্যাহত আছে। সমুদ্ৰ পথেদি অবৈধভাৱে মানৱ সৰবৰাহৰ অপচেষ্টা চলোৱাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি নিৰাপত্তা বাহিনীয়ে সন্দেহ কৰিছে। যোৱা দুবছৰৰ পৰা এইদৰে সমুদ্ৰ পথেদি অবৈধভাৱে হাইটী শৰণাৰ্থীয়ে আমেৰিকাত আশ্ৰয় গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

## বন্দুকধাৰীৰ দৌৰাত্ম্য অব্যাহত, লছ এঞ্জেলছৰ উদ্যানত দুজনৰ মৃত্যু



**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ২৫ জুলাই ঃ** পুনৰ বন্দুকধাৰীৰ আক্ৰমণত কঁপি উঠিল আমেৰিকা। কালি বিয়লি বেলা লছ এঞ্জেলছৰ এখন উদ্যানত বন্দুকধাৰীৰ গুলিত প্ৰাণ হেৰুৱালে দুজন লোকে। বন্দুকধাৰীৰ গুলিবৰ্ষণৰ ফলত আহত আন পাঁচজন লোক সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। প্ৰকাশিত বাতৰি অনুসৰি পেক পাৰ্ক নামৰ উদ্যানত গাড়ীৰ প্ৰদৰ্শনী চলিছিল আৰু সেই স্থানতে বন্দুকধাৰীয়ে জধে-মধে গুলিবৰ্ষণ কৰিছিল। ফলত গুলিবিদ্ধ হৈ এগৰাকী মহিলা আৰু এজন পুৰুষৰ মৃত্যু হয়। আৰক্ষীয়ে আক্ৰমণকাৰীৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে যদিও দুৰ্বৃত্তক চিনাক্ত কৰিব পৰা নাই।

## দুখন বাছৰ মুখামুখি সংঘৰ্ষত উত্তৰ প্ৰদেশত নিহত কমেও আঠজন



**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৫ জুলাই ঃ** উত্তৰ প্ৰদেশৰ বাৰাবাঁকি জিলাত দুখন বেচৰকাৰী বাছৰ মুখামুখি সংঘৰ্ষৰ ঘটনাত প্ৰাণ হেৰুৱালে কমেও আঠজন যাত্ৰীয়ে। এই দুৰ্ঘটনাত কমেও ২০ জন যাত্ৰী আহত হৈছে। আহতসকলৰ তিনিজনৰ অৱস্থা সংকটজনক। ৰাজ্যখনৰ পূৰ্বাঞ্চল এক্সপ্ৰেছৱেত সংঘটিত হোৱা এই দুৰ্ঘটনাৰ সন্দৰ্ভত দুখ প্ৰকাশ কৰিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। প্ৰকাশিত বাতৰি অনুসৰি আজি পুৱাতে বিহাৰৰ পৰা দিল্লী অভিমুখে যাত্ৰা কৰা এখন বাছে লক্ষ্ণৌৰ পৰা ৩০ কিলোমিটাৰ নিলগত আন এখন বাছৰ স'তে মুখামুখি সংঘৰ্ষত লিপ্ত হৈছিল।

### ১৮৭৩ত তাপমাত্ৰাৰ অন্তিম অভিলেখৰ পাছত চলিত বৰ্ষত দ্বিতীয়বাৰ তাপমাত্ৰাই উচ্চতা স্পৰ্শ কৰিলে


## প্ৰচণ্ড উত্তাপে দহিছে চীনাবাসীক, ৪০ ডিগ্ৰীলৈ বাঢ়িব তাপমাত্ৰা



**নিউজ ব্যুৰ' বেইজিং, ২৫ জুলাই ঃ** এইবাৰ তাপপ্ৰৱাহৰ অশনি সংকেত চীনতো। পশ্চিম বিশ্বৰ লগতে পূব বিশ্বতো আৰম্ভ হ'ল ভয়াৱহ তাপ প্ৰৱাহ। চীনত আগন্তুক ১০ দিনত তাপমাত্ৰা ঊৰ্ধ্বমুখী হ'ব বুলি পূৰ্বাভাস দিলে বতৰ বিজ্ঞান বিভাগে। যোৱা শনিবাৰে চীনত দেশখনৰ সবাতোকৈ উষ্ণ দিন আছিল। শনিবাৰৰ পৰা দেশখনৰ বিভিন্ন অঞ্চলত তাপমাত্ৰাৰ পাৰাস্তম্ভ ক্ৰমে ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। চীনৰ কিছু প্ৰদেশত তাপমাত্ৰা ৪০ ডিগ্ৰী চেলচিয়াছলৈকে বৃদ্ধিৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। বিভিন্ন অঞ্চলত তাপপ্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি চীন চৰকাৰে জনসাধাৰণক সতৰ্ক কৰিলে।

দক্ষিণ-পূৰ্বাঞ্চলীয় প্ৰদেশ ঝেজিয়াং-ৰ কিছু অঞ্চলত ইতিমধ্যে প্ৰশাসনে 'ৰেড এলাৰ্ট' জাৰি কৰিছিল। জুলাইত ঝেজিয়াং প্ৰদেশত সাধাৰণতে তাপমাত্ৰা ২০ ডিগ্ৰী চেলচিয়াছৰ আশে-পাশে থাকে। কিন্তু বতৰ বিজ্ঞান বিভাগে জাৰি কৰা পূৰ্বাভাস অনুসৰি অঞ্চলটোত তাপমাত্ৰা ৪০ ডিগ্ৰী চেলচিয়াছলৈকে বৃদ্ধিৰ সম্ভাৱনা আছে। প্ৰচণ্ড উত্তাপত অতিষ্ঠ হৈ চীনৰ বিভিন্ন অঞ্চলত জনসাধাৰণে হাহাকাৰ কৰিবলগীয়া হৈছে। চলিত মাহতে ছাংঘাইত পাৰাস্তম্ভই ৪০.৯ ডিগ্ৰী চেলচিয়াছ স্পৰ্শ কৰিলে। ১৮৭৩ত দেশখনত তাপমাত্ৰাৰ অন্তিম অভিলেখৰ পাছত চলিত বৰ্ষত দ্বিতীয়বাৰ তাপমাত্ৰাই এনে উচ্চতা স্পৰ্শ কৰিলে। ইয়াৰ পূৰ্বে ২০১৭ বৰ্ষতো ছাংঘাইত উচ্চ তাপমাত্ৰা ৰেকৰ্ড কৰা হৈছিল।

## ২৪ ঘণ্টাত দৈনিক আক্ৰান্ত ১৭ হেজাৰলৈ হ্ৰাস, মৃত্যু ৪১ৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ জুলাই ঃ** একেৰাহে পাঁচ দিন ধৰি দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ২০ হেজাৰৰ ঊৰ্ধ্বত থকাৰ পাছত সোমবাৰে ক'ভিড আক্ৰান্তৰ সংখ্যা প্ৰায় ১৭ হেজাৰলৈ হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ১৬,৮৬৬ জন লোক দেশত ক'ভিড সংক্ৰমিত হ'ল। কেৰালাত ২০২১, মহাৰাষ্ট্ৰত ২০১৫, তামিলনাডুত ১৯৪৫, পশ্চিমবংগত ১৮১৭, কৰ্ণাটকত ১১৫১ আৰু ওড়িছাত ১০১১ জন লোক বিগত এদিনত ক'ভিডত আক্ৰান্ত হ'ল। আনহাতে, যোৱা ২৪ ঘণ্টাত ভাৰতত ৪১ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত ১৩, পশ্চিমবংগত ছয়, মহাৰাষ্ট্ৰত ছয়, পঞ্জাৱত চাৰি, দিল্লীত দুই, ছিকিমত দুই আৰু উত্তৰ প্ৰদেশ, চত্তিছগড়, ওড়িছা, বিহাৰ, অসম, মণিপুৰ, নগালেণ্ড আৰু ত্ৰিপুৰাত এজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## মমতা চৰকাৰৰ 'বংগ বিভূষণ' বঁটা অস্বীকাৰ ন'বেলজয়ী অৰ্থনীতিবিদ সেনৰ



**নিউজ ব্যুৰ', কলকাতা, ২৫ জুলাই ঃ** অৰ্থনীতিৰ ন'বেল বঁটাৰে সন্মানিত অমৰ্ত্য সেনে পশ্চিমবংগ চৰকাৰক আগবঢ়োৱা 'বংগ বিভূষণ' বঁটা ল'বলৈ অস্বীকাৰ কৰিলে। সেনৰ পৰিয়ালৰ সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, জুলাইৰ প্ৰথম সপ্তাহতে সেনে চৰকাৰক অৱগত কৰি কৈছিল যে পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ সময়ত তেওঁ ভাৰতত উপস্থিত থাকিব নোৱাৰিব। সেন কন্যা অন্তৰা দেৱ সেনে কয় যে অমৰ্ত্য সেনে বহু পুৰস্কাৰ লাভ কৰিছে আৰু সেয়েহে তেওঁ 'বংগ বিভূষণ' সন্মান আন কোনো ব্যক্তিক প্ৰদান কৰাটো বিচাৰিছে। উল্লেখ্য যে আজি সন্ধিয়া কলকাতাৰ নজৰুল মঞ্চত পশ্চিমবংগৰ চৰকাৰে কে'বাজনো বিখ্যাত ব্যক্তিক 'বংগ বিভূষণ' সন্মান প্ৰদান কৰে। অৰ্থনীতিবিদ সেনে বিদেশত থকাৰ কাৰণত এই পুৰস্কাৰ ল'বলৈ অস্বীকাৰ কৰিলে যদিও ৰাজনৈতিক মহলৰ মতে তৃণমূল কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীক নিযুক্তি কেলেংকাৰিৰ ঘটনাত গ্ৰেপ্তাৰ কৰাৰ ফলতহে অৰ্থনীতিবিদজনে এই সিদ্ধান্ত গ্ৰহণ কৰিলে।

## ভাবিছো ৰাজনীতি ত্যাগ কৰিম ঃ কিয় এইদৰে ক'লে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে ?



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ জুলাই ঃ** কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে এখন সভাত অংশ লোৱাৰ সময়ত ৰাজনীতিৰ সন্দৰ্ভত তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰকাশ কৰিলে। ভাষণ প্ৰসংগত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰীজনে কয়, 'কেতিয়াবা ভাবো যে ৰাজনীতি ত্যাগ কৰিম। এতিয়া ৰাজনীতি কেৱল ক্ষমতাৰ বাবে কৰা হয়। জীৱনত ৰাজনীতিৰ বাহিৰেও কৰিব লগা এনে বহু কাম আছে, যি কামৰ বাবে আপুনি উপযুক্ত।' গাডকাৰীৰ এই মন্তব্যৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীজনে ৰাজনীতি সঁচাকৈয়ে ত্যাগ কৰিব নেকি বুলি সামাজিক মাধ্যমত চৰ্চা চলিছে। ২০২৪ৰ নিৰ্বাচনত গাডকাৰীয়ে প্ৰতিদ্বন্দ্বিতা নকৰে নেকি বুলি একাংশ লোকে টুইটাৰত প্ৰশ্ন উত্থাপন কৰিছে। কুলদীপ যাদৱ নামৰ এজনে টুইট কৰি গাডকাৰীক কয়, 'হুজুৰ, আপোনাৰ অৱস্থাও লালকৃষ্ণ আদৱানী, ৰাজনাথ সিঙৰ দৰে হৈছে নেকি?'

## দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ হোৱা মন্ত্ৰী চেটাৰ্জীয়ে কুকুৰৰ বাবে ক্ৰয় কৰিছিল বিলাসী ফ্লেট



**নিউজ ব্যুৰ' কলকাতা, ২৫ জুলাই ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ পশ্চিমবংগৰ মমতা বেনাৰ্জী চৰকাৰৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ সন্দৰ্ভত কেতবোৰ নতুন চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে। ই ডিৰ অনুসন্ধানত পোহৰলৈ অহা অনুসৰি, মন্ত্ৰী চেটাৰ্জীয়ে এটা বিলাসী ফ্লেট ক্ৰয় কৰিছিল আৰু এই ফ্লেটত তেওঁৰ পোহনীয়া কুকুৰক ৰাখিছিল। দৰাচলতে কুকুৰ প্ৰিয় তৃণমূল কংগ্ৰেছে এইজন নেতাই অসংখ্য কুকুৰ প্ৰতিপালন কৰি আহিছে আৰু এইসমূহ কুকুৰ ৰখাৰ বাবে বিলাসী ফ্লেট ক্ৰয় কৰিছিল। মন্ত্ৰীজনে পূৰ্বে কৈছিল যে তেওঁ পত্নীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে কুকুৰৰ হাস্পতাল এখন তৈয়াৰ কৰাৰ যোজা চলাইছে। উল্লেখ্য যে চেটাৰ্জীৰ পত্নীয়ে কুকুৰ বৰ ভাল পাইছিল। ই ডিয়ে চলোৱা অনুসন্ধানত চেটাৰ্জীৰ আন তিনিটা বাংলোৰ তথ্য লাভ কৰে। সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থা থকা ইয়াৰে এটা বিলাসী ফ্লেটত চেটাৰ্জীয়ে তেওঁৰ পোহনীয়া কুকুৰক ৰাখিছে। ফ্লেট নম্বৰ ১৮/ডি, ১৯/ডি আৰু ২০/ডি ফ্লেটৰ মালিক হৈছে মন্ত্ৰী চেটাৰ্জী। এই আটাইকেইটা ফ্লেট কলকাতাৰ ডায়মণ্ড চিটিত আছে। ই ডিয়ে লগতে কয় যে ইয়াৰে এটা ফ্লেটত চেটাৰ্জীৰ ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীয়ে বাস কৰিছিল। অৰ্পিতাৰ ফ্লেটৰ পৰা ই ডিয়ে নগদ ২১ কোটি টকা আৰু লাখ টকা মূল্যৰ সোণ অলপতে জব্দ কৰিছিল।

## মধ্য প্ৰদেশত হিন্দীত অধ্যয়ন কৰিব পাৰিব এম বি বি এছ পাঠ্যক্ৰম




**নিউজ ব্যুৰ', ইণ্ডোৰ, ২৫ জুলাই ঃ** দেশৰ সৰ্বাধিক প্ৰচলিত হিন্দী ভাষাত প্ৰৱৰ্তন কৰা হ'ব চিকিৎসা বিজ্ঞানৰ এম বি বি এছ পাঠ্যক্ৰম। মধ্য প্ৰদেশত দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত বিকল্প মাধ্যম হিচাপে হিন্দী নিৰ্বাচন কৰিব পাৰিব শিক্ষাৰ্থীয়ে। মধ্যপ্ৰদেশৰ চিকিৎসা শিক্ষা বিভাগৰ এগৰাকী জ্যেষ্ঠ বিষয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। আগন্তুক শৈক্ষিক বৰ্ষৰ পৰা ৰাজ্যখনত সকলো ব্যক্তিগত আৰু চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত এম বি বি এছৰ প্ৰথম বৰ্ষত প্ৰায় চাৰি হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজীৰ লগতে হিন্দী ভাষাৰ পাঠ্যপুথিৰেও চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰিব। ৰাজ্যখনৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি, মধ্য প্ৰদেশৰ চিকিৎসা মহাবিদ্যালয়ৰ এম বি বি এছ পাঠ্যক্ৰমত নামভৰ্তি কৰা ৬০-৭০ শতাংশ শিক্ষাৰ্থী হৈছে হিন্দী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী আৰু সেয়েহে তেওঁলোকে প্ৰথমবৰ্ষত ইংৰাজী ভাষাৰ পাঠ্যক্ৰম ভালদৰে আয়ত্ত কৰাত অসুবিধাৰ সন্মুখীন হৈ আহিছে। শিক্ষাৰ্থীৰ এই অসুবিধা দূৰ কৰিবলৈ ৰাজ্যখনত মেডিকেল পাঠ্যক্ৰম হিন্দীত আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা বুলি স্বাস্থ্য শিক্ষা বিভাগে জানিবলৈ দিয়ে।

## প্ৰধানমন্ত্ৰীৰ ছবি লগাই মঞ্চ 'হাইজেক' বিজেপিৰ, অনুষ্ঠান বৰ্জন কেজৰিৱালৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ জুলাই ঃ** অছুলা বন্যপ্ৰাণী অভয়াৰণ্যত আয়োজন কৰা বন মহোৎসৱ অনুষ্ঠানত অংশ নল'লে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে। দেওবাৰে এই অনুষ্ঠানত উপৰাজ্যপাল ভি কে ছাক্সেনাৰ স'তে কেজৰিৱালে অংশ লোৱাৰ কথা আছিল। কিন্তু ইয়াৰ পূৰ্বে কেন্দ্ৰৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে উক্ত অনুষ্ঠানৰ মঞ্চ 'হাইজেক' কৰাৰ অভিযোগ উত্থাপন কৰিলে আম আদমী পাৰ্টিয়ে। দিল্লী আৰক্ষীৰ বিৰুদ্ধে বলপূৰ্বক মঞ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছবি লগোৱাৰ অভিযোগ উত্থাপন কৰিলে দিল্লীৰ শাসকীয় দলে। এই কাৰণতে অনুষ্ঠানত অংশ নল'লে মুখ্যমন্ত্ৰী কেজৰিৱালে। দিল্লীৰ পৰিৱেশ মন্ত্ৰী তথা আপৰ নেতা গোপাল ৰাইৰ অভিযোগ অনুসৰি, শনিবাৰে নিশা আৰক্ষীয়ে বন মহোৎসৱৰ অনুষ্ঠানৰ মঞ্চৰ দিল্লী চৰকাৰৰ বেনাৰ ফালি পেলায় আৰু তাৰ ঠাইত প্ৰধানমন্ত্ৰী মোদীৰ ছবি আঁৰি দিছিল।

## ফিলিপাইন্সৰ কলেজৰ সমাবৰ্তনত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত তিনি



**নিউজ ব্যুৰ', মানিলা, ২৫ জুলাই ঃ** ফিলিপাইন্সত এখন কলেজৰ সমাবৰ্তন অনুষ্ঠানত প্ৰৱেশ কৰি বন্দুকধাৰীয়ে নিৰ্বিচাৰে কৰা গুলিবৰ্ষণৰ ঘটনাত কমেও তিনিজন লোকৰ মৃত্যু হ'ল। পাছত আহত অৱস্থাত আক্ৰমণকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আক্ৰমণকাৰীৰ পৰা দুটা পিষ্টল জব্দ কৰা হৈছে। ৰাজধানী মানিলাত এখন আগশাৰীৰ আইন মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ সমাবৰ্তন অনুষ্ঠান চলি থকাৰ সময়তে বন্দুকধাৰীয়ে এই আক্ৰমণ সংঘটিত কৰে। এই অনুষ্ঠানত অংশ লোৱা লামিতান চহৰৰ প্ৰাক্তন মেয়ৰ ৰ'জ ফুৰিগেৰো গুলিবৰ্ষণৰ ফলত ঘটনাস্থলীতে মৃত্যু হয়। আৰক্ষীৰ ধাৰণা অনুসৰি ফুৰিগেক হত্যা কৰিবলৈকে আক্ৰমণকাৰীয়ে এই আক্ৰমণ সংঘটিত কৰিছিল। গুলিবৰ্ষণৰ ফলত এজন নিৰাপত্তাৰক্ষী আৰু আন এজন অজ্ঞাত পৰিচয়ৰ লোকৰো মৃত্যু হয়।

## মুম্বাইত দৈনিক তিনি মহিলা বলি হয় ধৰ্ষণৰ ঃ আৰক্ষীৰ প্ৰতিবেদন




**নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ** মহিলাৰ বাবে সুৰক্ষিত বিবেচিত মহানগৰ মুম্বাইত দৈনিক গড়ে তিনিগৰাকী মহিলা ধৰ্ষণৰ বলি হৈ আহিছে। চলিত বৰ্ষত জুনলৈকে মুম্বাইৰ বিভিন্ন থানাত ৪৯৪ টা ধৰ্ষণৰ গোচৰ ৰুজু কৰা হৈছে। মুম্বাই আৰক্ষীৰ অপৰাধ প্ৰতিবেদনত এই তথ্য উল্লেখ কৰা হৈছে। প্ৰতিবেদনৰ তথ্য অনুসৰি, যোৱা মাহত অৰ্থাৎ জুনত মহানগৰখনত ৭৩ টা ধৰ্ষণৰ গোচৰ ৰুজু কৰা হৈছিল। এইসমূহ গোচৰৰ ৩৬ টা আছিল নাবালিকা ধৰ্ষণৰ ঘটনা। যোৱা মে'ত মুম্বাইত ৯৫ ধৰ্ষণৰ অভিযোগ উত্থাপিত হৈছিল আৰু ৫২ টা অভিযোগ নাবালিকাই দাখিল কৰিছিল। ২০২১ বৰ্ষত জানুৱাৰী-জুনৰ সময়ছোৱাত মুম্বাইত ৪৭৫ টা ধৰ্ষণৰ গোচৰ ৰুজু হৈছিল। অৰ্থাৎ ২০২১ৰ তুলনাত ২০২২ৰ জুনলৈকে মুম্বাইত ধৰ্ষণৰ ঘটনা বৃদ্ধি পালে।

## জাপানত ছকুৰাজিমা জ্বালামুখীৰ বিস্ফোৰণ, স্থানীয় বাসিন্দাক সুৰক্ষিত স্থানলৈ যাবলৈ নিৰ্দেশ



**নিউজ ব্যুৰ', টকিঅ', ২৫ জুলাই ঃ** জাপানৰ মধ্য দক্ষিণ কিউচু দ্বীপৰ এটা জ্বালামুখী যোৱা নিশা বিস্ফোৰিত হ'ল। জ্বালামুখীটোৰ পৰা লাভা আৰু ধোঁৱা নিৰ্গত হৈ আছে। অৱশ্যে বৰ্তমানলৈকে জ্বালামুখীৰ আশে-পাশে থকা চহৰত কোনো ক্ষতি বা ব্যক্তি হতাহত হোৱাৰ বাতৰি লাভ কৰা হোৱা নাই। প্ৰশাসনে ইতিমধ্যে স্থানীয় বাসিন্দাসকলক সুৰক্ষিত স্থানত আশ্ৰয় ল'বলৈ নিৰ্দেশ দিছে। জাপানৰ বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি, ছকুৰাজিমা জ্বালামুখীৰ দেওবাৰে নিশা ৮-০৫ বজাত উদ্গীৰণ হৈছিল। জ্বালামুখীৰ পৰা নিৰ্গত হোৱা লাভা আৰু শিল আঢ়ৈ কিলোমিটাৰ দূৰলৈকে ছিটিকি পৰিছিল। জ্বালামুখীৰ আশে-পাশে থকা দুখন চহৰৰ ১২০ জন বাসিন্দাক নিৰাপদ স্থানলৈ নিয়াৰ ব্যৱস্থা প্ৰশাসনে কৰিছে।

## ভিকি-কেটৰিনাক ভাবুকি দিয়া ব্যক্তিক গ্ৰেপ্তাৰ আৰক্ষীৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ** কিছুদিন পূৰ্বে বলিউডৰ মহাতাৰকা অভিনেতা ছলমান খানক হত্যাৰ ভাবুকি দিয়াৰ পাছত এইবাৰ অভিনেতা দম্পতী ভিকি কৌশল আৰু কেটৰিনা কেইফক হত্যাৰ ভাবুকি দিলে অপৰাধীয়ে। অজ্ঞাত পৰিচয় ব্যক্তিৰ পৰা ভাবুকি লাভৰ পাছতে মুম্বাইৰ ছাণ্টাক্ৰুজ আৰক্ষী থানাত গোচৰ দিলে অভিনেতা ভিকিয়ে। প্ৰকাশিত বাতৰি অনুসৰি, অভিনেতাজনৰ পৰা অভিযোগ লাভৰ পাছতে তৎপৰতাৰে তদন্ত চলাই মুম্বাই আৰক্ষীয়ে কেটৰিনাক অনলাইনৰ জৰিয়তে ভাবুকি দি অভিযুক্তক গ্ৰেপ্তাৰ কৰিলে। ভাবুকি দিয়া ব্যক্তিজনৰ নাম মনবিন্দৰ সিং বুলি আৰক্ষীয়ে সদৰী কৰিছে। আৰক্ষীয়ে লগতে জনোৱা অনুসৰি, মনবিন্দৰ মুম্বাইৰ এজন অভিনয়ৰ সুযোগ বিচৰা সংগ্ৰামৰত যুৱক। আৰক্ষীৰ জেৰাত মনবিন্দৰে কয় যে তেওঁ কেটৰিনাক একপক্ষীয়ভাৱে ভাল পায় আৰু সেয়েহে ইনষ্টাগ্ৰামত ভুৱা একাউণ্ট তৈয়াৰ কৰি কেটৰিনাক অশ্লীল বাৰ্তা আৰু ভাবুকি দি আহিছে। মনবিন্দৰ লক্ষ্ণৌৰ নিবাসী। ভিকিয়ে মুম্বাই আৰক্ষীক দিয়া অভিযোগ অনুসৰি তেওঁৰ পত্নী কেটৰিনাই বিগত কিছুদিন ধৰি এজন ব্যক্তিৰ পৰা সামাজিক মাধ্যমত অশ্লীল বাৰ্তা আৰু ভাবুকি লাভ কৰি আহিছিল। উক্ত ব্যক্তিয়ে ভিকিক হত্যা কৰিব বুলিও কেটৰিনাক ভাবুকি দিছিল। ভিকিৰ পৰা অভিযোগ লাভৰ কেইঘণ্টামানৰ ভিতৰতে মুম্বাই আৰক্ষীৰ চাইবাৰ অপৰাধ নিয়ন্ত্ৰণ বিভাগে অনুসন্ধান চলাই অভিযুক্ত মনবিন্দৰক গ্ৰেপ্তাৰ কৰে।

## তামিলনাডুৰ সৰ্বাধিক আয়কৰ দাতাৰ সন্মান অভিনেতা ৰজনীকান্তলৈ



**নিউজ ব্যুৰ', চেন্নাই, ২৫ জুলাই ঃ** দক্ষিণ ভাৰতৰ মহাতাৰকা অভিনেতা ৰজনীকান্তক আয়কৰ বিভাগে সন্মানিত কৰিলে। তামিলনাডুৰ সৰ্বাধিক আয়কৰ দাতাৰ স্বীকৃতি লাভ কৰিলে দক্ষিণৰ অভিনেতাজনে। ৰজনীকান্তৰ হৈ আজি এই কথা সংবাদ মাধ্যমৰ আগত সদৰী কৰিলে তেওঁৰ কন্যা ঐশ্বৰ্যই। আয়কৰ বিভাগে যোৱা ২৪ জুলাইত চেন্নাইত আয়কৰ দিৱস পালন কৰিছিল আৰু উক্ত দিনাই ৰজনীকান্তক তেলেংগানাৰ ৰাজ্যপালৰ হৈ সন্মানিত কৰা হৈছিল। ৰজনীকান্ত কন্যা ঐশ্বৰ্যই এই কথা প্ৰকাশ কৰি সামাজিক মাধ্যমত কয়, 'সৰ্বাধিক কৰ আদায় দিয়া ব্যক্তিৰ কন্যা হিচাপে মই গৌৰৱ অনুভৱ কৰো। পিতৃক সন্মানিত কৰাৰ বাবেই তামিলনাডু আৰু পুডুচেৰীৰ আয়কৰ বিভাগক বহুত ধন্যবাদ।'

# নলডোবাত জব্দ দুখনকৈ চোৰাং বালি ভৰ্তি নাও



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৫ জুলাই ঃ** আজি পুৱাৰ ভাগত দুধনৈ-কৃষ্ণাই নদীৰ পৰা চোৰাংকৈ বালি সৰবৰাহ কৰাৰ সময়তে স্থানীয় নলডোবাৰ ৰাইজে দুটাকৈ যন্ত্ৰচালিত নাও জব্দ কৰি বন বিভাগক চমজাই দিয়ে। অভিযোগ অনুসৰি জিলাখনৰ উজিৰৰ চৰৰ ময়নাল হক আৰু বহতী ইঞ্চি চৰৰ জাহানুৰ আলীৰ যন্ত্ৰচালিত নাৱৰে চালান বিহীনভাৱে আজি পুৱা সাত বজাত বালি সৰবৰাহ কৰাৰ সময়তে ৰাইজে জব্দ কৰে। পাছত ঘটনাস্থলীত উপস্থিত হৈ গোৱালপাৰা আঞ্চলিক বন বিভাগৰ কৰ্মীয়ে বালিভৰ্তি যন্ত্ৰচালিত নাও দুখন ৰাইজৰ পৰা চমজি লৈ স্থানীয় আনোৱাৰ হুছেইন নামৰ এগৰাকী ব্যাক্তিৰ জিম্মাত দিয়ে। উল্লেখ্য যে অসাধু চক্ৰই বিভাগীয় নিয়ম উলংঘা কৰি চালান অবিহনেই দোমনী বালি মহলৰ অঞ্চলৰ বাহিৰৰ পৰা প্ৰায়ে নদীৰ পৰা বালি উঠাই যন্ত্ৰচালিত নাৱৰে বিভিন্ন ঠাইত যোগান ধৰি থকা বুলি দীৰ্ঘদিনৰ পৰাই অভিযোগ উত্থাপিত হৈ আহিছে। কিন্তু এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই চকু মুদা কুলিৰ ভাও লোৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# গোৱালপাৰা জিলা বাৰ্তাজীৱী সংঘৰ কাৰ্যনিৰ্বাহক সভা

## ■ চলিত বৰ্ষৰ পৰা ৰাজ্যিক ভিত্তিত নৃপেন বৰুৱা সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদানৰ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৫ জুলাই ঃ** গোৱালপাৰা জিলাৰ আগিয়াত যোৱা ২১ জুলাইত বাৰ্তাজীৱী সংঘ, গোৱালপাৰাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বালিজানা গাঁও পঞ্চায়তৰ ৰাজহুৱা সভাকক্ষত আয়োজিত কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰে বাৰ্তাজীৱী সংঘ, গোৱালপাৰা জিলা সমিতিৰ সভাপতি চৈয়দ ৰবিউল হকে। সিদিনা দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সংঘৰ সম্পাদক জাহিদুল ইছলামে। সভাত বাৰ্তাজীৱী সংঘ, গোৱালপাৰা জিলা সমিতিয়ে চলিত বৰ্ষৰ পৰা প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰা সাংবাদিক বঁটাৰ নাম গোৱালপাৰা জিলাৰ সংবাদ ক্ষেত্ৰখনৰ বাটকটীয়াস্বৰূপ প্ৰয়াত বিশিষ্ট সাংবাদিক নৃপেন বৰুৱাৰ নামেৰে নামকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। 'নৃপেন বৰুৱা সোঁৱৰণী সাংবাদিকতা বঁটা' নামেৰে প্ৰৱৰ্তন কৰা বঁটা প্ৰথমবাৰৰ বাবে আগন্তুক ডিচেম্বৰ-জানুৱাৰীৰ ভিতৰত ৰাজ্যিক ভিত্তিত প্ৰদান কৰিব বাৰ্তাজীৱী সংঘ, গোৱালপাৰাই। উল্লেখ্য যে এই বৰ্ষৰ পৰা প্ৰতিবছৰে ৰাজ্যৰ সংবাদ সেৱা ক্ষেত্ৰখনত বিশেষ অৰিহণা আগবঢ়োৱা এগৰাকী সাংবাদিকক এই বঁটা প্ৰদান কৰা হ'ব। ইফালে, সিদিনাৰ সভাতে আগন্তুক আগষ্টৰ শেষভাগত জিলাখনৰ লক্ষীপুৰ চহৰত সাংবাদিকৰে ৰাইজৰ বাৰ্তালাপৰ উদ্দেশ্যৰে এখন ৰাইজমেল অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে, সংবাদসেৱা বিষয়টোৰ প্ৰতি নতুন চামক আকৰ্ষিত কৰাৰ লগতে ইয়াৰ স'তে জড়িত দিশসমূহৰ বিষয়ে বহলাই আলোচনা কৰাৰ লক্ষ্যৰে অতিশীঘ্ৰে এক কৰ্মশালা আয়োজন কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰা হয় কাৰ্যনিৰ্বাহক সভাত। উল্লেখ্য যে সিদিনাৰ কাৰ্যনিৰ্বাহক সভাত চৰকাৰে দূৰণিবটীয়া ৰেলত যাত্ৰা কৰা সাংবাদিকক ভাড়াৰ ক্ষেত্ৰত বিশেষ ৰেহাইৰ ব্যৱস্থা কৰা বিষয়টোত সন্তোষ প্ৰকাশ কৰাৰ বিপৰীতে দেশৰ বিভিন্ন স্থানত থকা অসম ভৱনসমূহতো সাংবাদিকৰ বাবে বিশেষ ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায় বাৰ্তাজীৱী সংঘ, গোৱালপাৰাই।

# শোণিতপুৰৰ বগীজুলিত বিজুলী মহোৎসৱ পালন



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ জুলাই ঃ** দেশৰ স্বাধীনতা লাভৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ স'তে সংগতি ৰাখি দেশজুৰি আয়োজন কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশৰূপে কেন্দ্ৰীয় চৰকাৰৰ বিদ্যুৎ মন্ত্ৰণালয়ৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ বিদ্যুৎ বিভাগ তথা শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত আজি চাৰিদুৱাৰৰ বগীজুলিত 'বিজুলী মহোৎসৱ' অনুষ্ঠিত কৰা হয়। দেশৰ শক্তি ক্ষেত্ৰখন উন্নীত কৰাৰ উদ্দেশ্যৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ উদ্যোগত কাৰ্যকৰী কৰা বিভিন্ন আঁচনিসমূহ আৰু এই দিশত লাভ কৰা সাফল্যতাৰ বিষয়ে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ ,শক্তি ২০৪৭' শীৰ্ষক এই কাৰ্যসূচীত চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা মুখ্য অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী সহজ বিজুলী হৰ ঘৰ, সৌভাগ্য যোজনা আঁচনিখন উদ্বোধনৰ ১৮ মাহৰ ভিতৰত এশ শতাংশ হিতাধিকাৰীয়ে বিজুলী সংযোগ লাভ কৰা চতিয়া সমষ্টিৰ বগীজুলি আৰু আমলগাত এই বিজুলী মহোৎসৱৰ আয়োজন কৰা হৈছে। দেশৰ ৭৭৩ খন জিলাত এশ শতাংশ ঘৰত বৈদ্যুতীকৰণ সম্পন্ন হোৱা প্ৰতিখন জিলাৰে দুখনকৈ গাঁৱত ২৫-৩০ জুলাইলৈকে এই মহোৎসৱ উদ্‌যাপন কৰা হ'ব। আজিৰ সভাত শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া, এপিডিচিএল'ৰ তেজপুৰ বিদ্যুৎ মণ্ডলৰ মুখ্য কাৰ্যবাহী বিষয়া শোভন শইকীয়া, নীপকো'ৰ মানৱ সম্পদ কোষৰ উপ-মহাপ্ৰবন্ধক এলবিন দিপীকা দলে, জিলা প্ৰশাসনৰ অন্যান্য বিষয়া আৰু বিদ্যুৎ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

# এ পি এছ চি কেলেংকাৰিৰ

*এক পৃষ্ঠাৰ পৰা* এপিএছচিৰ প্ৰশাসক মানস প্ৰতিম বৰুৱাই। আজি ইয়াত বৰুৱাই সাংবাদিকৰ আগত এই কেলেংকাৰিৰ লগত ভূমি আৰু যৌনতাৰ কেলেংকাৰিও সাঙোৰ খাই থকা বুলি দাবী কৰি কয় যে এই সন্দৰ্ভত তেওঁলোকৰ হাতত বহুখিনি তথ্য আছে। এইবোৰৰ বাবেই অভিযুক্তসকলৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতি সোলোক-ঢোলোক হৈ আহিছে। এ পি এছ চি কেলেংকাৰি তদন্তৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতিক দুৰ্ভাগ্যজনক আখ্যা দি বৰুৱাই কয়, '২০১৩ত সংঘটিত কেলেংকাৰিৰ তদন্তক লৈ যে অসম চৰকাৰৰ সদিচ্ছাৰ অভাৱ সেই কথা স্পষ্ট হৈছে। ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ আয়োগে তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ এদিন পূৰ্বে বক্ৰপথেৰে চাকৰি লোৱা কে'বাজনো এ চি এছ বিষয়াক চৰকাৰে পদোন্নতি দিয়ে। একেদৰে প্ৰতিবেদন দাখিলৰ পাছতো অভিযুক্ত ১১ জন এ পি এছ চিক টাইম স্কেলৰ দৰমহাৰে পুৰস্কৃত কৰা হয়। সকলো প্ৰমাণ থকা সত্ত্বেও তদন্তকাৰী বিষয়া সুৰজিত সিং পানেছাৰে আধাতে তদন্ত বন্ধ কৰিবলৈ বাধ্য হৈছে। বক্ৰপথেৰে চাকৰি লোৱা ৩৪ জন বিষয়াই এনে কাৰণতে এতিয়াও বুকু ফিন্দাই চাকৰি কৰি থাকিবলৈ সক্ষম হৈছে।'

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এ পি এছ চি কেলেংকাৰিক লৈ শেহতীয়া স্থিতিও দুৰ্ভাগ্যজনক বুলি বৰুৱাই মন্তব্য কৰে। তেওঁ কয় যে ড° শৰ্মাৰ নেতৃত্বত গঠন হোৱা চৰকাৰখনে ডেৰ বছৰ অতিক্ৰম কৰাৰ পাছতো কেলেংকাৰিৰ তদন্তক লৈ কোনো স্পষ্ট স্থিতি গ্ৰহণ কৰিব পৰা নাই। বৰঞ্চ বিষয়টো কৌশলেৰে দীঘলীয়াহে কৰিব বিচৰা হৈছে বুলি বৰুৱাই অভিযোগ কৰে। এই প্ৰসংগত তেওঁ মন্তব্য কৰে যে এগৰাকী ন্যায়াধীশৰ তদন্তকো চৰকাৰে সন্মান দিব নিবিচৰাটো স্পষ্ট হৈছে। মুখ্য সচিবৰ তদন্তৰ প্ৰতিবেদনো আজিলৈকে দাখিল নহ'ল। প্ৰতিবেদন দাখিল কৰাটো দূৰৰে কথা এখন ৰাজহুৱা জাননীও মুখ্য সচিবক লৈ গঠিত সমিতিয়ে প্ৰকাশ কৰিবলৈ সমৰ্থ নহ'ল।

# নগাঁৱত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি, ২৫ জন আক্ৰান্ত

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ জুলাই ঃ** সমগ্ৰ ৰাজখনৰ লগতে শেহতীয়াভাৱে নগাঁও জিলাতো ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হৈছে। আজি নগাঁও জিলাৰ বিভিন্ন চিকিৎসালয়ত ৪৯৯গৰাকী লোকক ক'ভিডৰ ৰেপিড এণ্টিজেণ্ট টেষ্ট কৰা হয়। ইয়াৰ ভিতৰত ২৫গৰাকী ক'ভিডত আক্ৰান্ত হোৱাটো নিশ্চিত হয়। আজিৰ দিনটোত জিলাখনত এজন লোকৰো আৰটিপিচিআৰ টেষ্ট কৰা হোৱা নাই। ক'ভিডত আক্ৰান্ত ২৫জনকে হোম কোৱাৰেণ্টাইন কৰা হৈছে। জিলাখনত আজিৰ দিনটোত ক'ভিড আক্ৰান্তৰ হাৰ ৫.০১ শতাংশ। আজিৰ দিনটোত নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ৪৮জন, বুঢ়াগোহাঁই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ২১জন, বাৰপুজীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১৪জন, দগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৭৭জন, ধিং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১৪৭জন, জখলাবন্ধা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৪৬জন, কঠীয়াতলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১৬জন, চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৩৮জন, শিঙিমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৫৯জন, চিমনাবস্তি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৩২জন আৰু জিডি নাৰ্ছিংহোমত এজন লোকৰ ৰেপিড এণ্টিজেন টেষ্ট কৰোৱা হয়। জিলাখনত শেহতীয়াকৈ ক'ভিডৰ প্ৰাদুৰ্ভাৱ ঘটিছে যদিও ৰাইজৰ মাজত পূৰ্বৰ সজাগতা মুঠেই পৰিলক্ষিত হোৱা নাই। এক শতাংশ লোকৰ মুখতো মাস্ক দেখা নাযায়। ইয়াৰ ফলত এই ৰোগৰ জিলাখনত দ্ৰুত সংক্ৰমণৰ সম্ভাৱনা আছে।

# খিলঞ্জীয়াৰ স্বীকৃতি দিয়াত বকোৰ জামলাইত ধন্যবাদসূচক জনসভা

## উন্নয়ন পৰিষদ গঠনেৰে জনগোষ্ঠীয় উন্নয়ন ক্ষিপ্ৰ কৰাৰ দাবী

**আলোপতি, ২৫ জুলাই ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে যোৱা পাঁচ জুলাইত চৰকাৰৰ কেবিনেট বৈঠকত অসমৰ ভূমিপুত্ৰ গৰিয়া-মৰিয়া-দেশী, জলহা আৰু চৈয়দ পাঁচটা মুছলমান জনগোষ্ঠীক খিলঞ্জীয়াৰ স্বীকৃতি প্ৰদান কৰে। চৰকাৰৰ এই ঐতিহাসিক সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে আনন্দিত হৈছে দেশী জনগোষ্ঠীয় মঞ্চ। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰলৈ কৃতজ্ঞতা স্বীকাৰ কৰি দেশী জনগোষ্ঠীয় মঞ্চৰ কামৰূপ জিলাৰ বকো সমষ্টিৰ জামলাই আঞ্চলিক সমিতি আৰু যুৱ-ছাত্ৰ সমিতিৰ উদ্যোগত কালি জামলাই বজাৰ খেলপথাৰ প্ৰাংগণত এক ধন্যবাদসূচক জনসভা অনুষ্ঠিত হয়। সংগঠনটোৰ জামলাই আঞ্চলিকৰ সম্পাদক মীৰ কাশিম আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ছামছেৰ আলীয়ে। সংগঠনটোৰ আঞ্চলিকৰ উপ-সভাপতি ছফিউৰ হুছেইনে উদ্বোধন কৰা সভাত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি হেদায়ৎ উল্লাই দেশী জনগোষ্ঠীয় লোকক খিলঞ্জীয়াৰ স্বীকৃতি প্ৰদান কৰাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ লগতে চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁলোকে অসম চৰকাৰৰ কেবিনেটৰ উক্ত সিদ্ধান্তক ঐতিহাসিক সিদ্ধান্ত বুলি মত প্ৰকাশ কৰে। তদুপৰি তেওঁ চৰকাৰক অনাগত দিনত এই জনগোষ্ঠীয় লোকসকলৰ বিভিন্ন সমস্যা সমাধানৰ লগতে সুকীয়াকৈ শৈক্ষিক, সামাজিক আৰু অৰ্থনৈতিক জৰীপ আৰু উন্নয়ন পৰিষদ গঠনৰ দাবী জনায়। সভাত সমাজকৰ্মী আলহাজ সাইজুদ্দিন আহমেদ, নগৰবেৰা মণ্ডল বিজেপিৰ সভাপতি পবিত্ৰ কুমাৰ মেধি, দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ কেন্দ্ৰীয় সমিতিৰ বিত্তীয় সম্পাদক জালালউদ্দিন আহমেদ, প্ৰাক্তন কেন্দ্ৰীয় সমিতিৰ সম্পাদক স্বাহজালাল আহমেদ, কামৰূপ জিলা সমিতিৰ প্ৰাক্তন সভাপতি খয়াৰ আলী, বিজেপিৰ ছমৰীয়া মণ্ডলৰ প্ৰভাৰী নিগমানন্দ ঠাকুৰীয়া চৰকাৰক ধন্যবাদ জনাই দেশীসকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবী জনায়। তদুপৰি সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক মহিদুল ইছলাম, কামৰূপ জিলা যুৱ-ছাত্ৰ মঞ্চৰ সভাপতি হাফিজুৰ ৰহমান, যুৱ-ছাত্ৰ মঞ্চৰ জামলাই আঞ্চলিক সমিতিৰ সভাপতি হবিবৰ আলী আৰু সম্পাদক ছাদিকুল ইছলাম, নগৰবেৰা মণ্ডল বিজেপিৰ সম্পাদক চাৰুকৃষ্ণ কলিতা আদি কৰি সংগঠনটোৰ জিলা আৰু আঞ্চলিক পৰ্যালয়ৰ নেতৃবৃন্দই উপস্থিত থাকে। উল্লেখ্য যে সভাৰ পূৰ্বে দেশী সকলৰ কুষান নৃত্য পৰিৱেশনৰ লগতে সভাত উপস্থিত অভ্যাগতসকলক দেশী গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।



# বাগ্‌সা জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা 'বিজুলী মহোৎসৱ'

**বৰমা, ২৫ জুলাই ঃ** স্বাধীনতাৰ ৭৫ বছৰত পালন কৰা আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ভাৰতৰ শক্তি মন্ত্ৰালয়, অসম চৰকাৰ আৰু বাগ্‌সা জিলা প্ৰশাসন আৰু অসম শক্তি বিতৰণ নিগম লিমিটেডৰ উদ্যোগত অহা ২৬ আৰু ২৭ জুলাইত বৰমা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আৰু জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত 'বিজুলী মহোৎসৱ'ৰ আয়োজন কৰা হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সহযোগিতা উদ্‌যাপনৰ বাবে এই মহোৎসৱত ভাৰতৰ শক্তি খণ্ডৰ মূল সাফল্যসমূহৰ ওপৰত আলোকপাত কৰা হ'ব। উজ্জ্বলা ভাৰত উজ্জ্বলা ভৱিষ্যৎ শক্তি-২০৪৭ৰ অধীনত সমগ্ৰ দেশতে 'বিজুলী মহোৎসৱ' উদ্‌যাপন কৰা হৈছে আৰু শক্তি খণ্ডৰ উন্নয়নসমূহ সামগ্ৰিকভাৱে সৰ্বসাধাৰণ লোকৰ মাজলৈ নিয়াৰ বাবে প্ৰচেষ্টা চলোৱা হ'ব । এই উপলক্ষে কাইলৈ বৰমা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উদ্‌যাপন অনুষ্ঠানত বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে উদ্বোধন কৰিব। আনহাতে, ২৭ জুলাইত নিকাচীৰ জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকিব হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই।

# বুঢ়াত সুৰাৰ ৰাগিত ছুৰীৰে আক্ৰমণ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৫ জুলাই ঃ** কালি নিশা বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত জয়ন্তীপুৰত সংঘটিত হয় এক লোমহৰ্ষক ঘটনা। সুৰাসক্ত হৈ বন্ধুৱে ছুৰিকাঘাত কৰে বন্ধুক। নিশা প্ৰায় ৮-৪৫ বজাত সংঘটিত হয় এই ঘটনা। তৰুণ ৰাজবংশী নামৰ বন্ধুজনে একে গাঁৱৰে সত্য ৰাজবংশীক ডিঙি আৰু বুকুত ছুৰিকাঘাত কৰাত সংকটজনক অৱস্থাত উদ্ধাৰ কৰে ৰাইজে। আঘাতপ্ৰাপ্ত সত্য ৰাজবংশীক ততাতৈয়াকৈ গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। ইপিনে, তৰুণ ৰাজবংশীক ৰাইজে কৰায়ত্ত কৰি বুঢ়া আৰক্ষী চকীত চমজাই দিয়ে। দুই সুৰাসক্ত বন্ধুৰ সংঘাতৰ প্ৰকৃত তথ্য জানিব পৰা নাই যদিও সুৰাৰ ৰাগিতে সংঘাত হোৱা বুলি স্থানীয় সূত্ৰত প্ৰকাশ।

# নলবাৰীত দুদিনীয়াকৈ উদ্‌যাপন কৰা হ'ব বিজুলী মহোৎসৱ

## ■ মুগকুছিত কাইলৈ দ্বিতীয় দিনৰ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৫ জুলাই ঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ স'তে সংগতি ৰাখি উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত-শক্তি (২০৪৭)ৰ লক্ষ্যৰ বিপৰীতে বৰ্তমানলৈকে লাভ কৰিবলৈ সক্ষম হোৱা উল্লেখযোগ্য সাফল্যসমূহ উদ্‌যাপনৰ উদ্দেশ্যে নলবাৰী জিলাত বিজুলী মহোৎসৱ উদ্‌যাপনৰ আয়োজন কৰা হৈছে। দেশৰ পুনৰুজ্জীৱিত শক্তিখণ্ডৰ আগন্তুক ২০৪৭ লৈকে স্থিৰ কৰা ভৱিষ্য দৰ্শন ৰাইজৰ আগত তুলি ধৰাৰ উদ্দেশ্যেৰে জিলাখনত দুদিনীয়াকৈ উদ্‌যাপন হ'বলগীয়া এই উৎসৱৰ প্ৰথম দিনাৰ উদ্‌যাপন ইতিমধ্যে বিভিন্ন কাৰ্যসূচীৰ সমাহাৰেৰে আজি কঠালকুছিত অনুষ্ঠিত হৈ যায়। দ্বিতীয় দিনৰ কাৰ্যসূচী অহা ২৭ জুলাইত জিলাখনৰ মুগকুছিৰ কামৰূপ বিদ্যাপীঠ হাইস্কুলত অনুষ্ঠিত হ'ব। উল্লেখ্য যে জিলাখনত এতিয়ালৈকে দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ অধীনত ২৮০টা ট্ৰান্সফৰ্মাৰ সংস্থাপিত কৰা হৈছে। তদুপৰি ১৪৫.১৯ কিলোমিটাৰৰ কেভিন লাইনৰ উপৰি ৩৪৩.৫৫ কিলোমিটাৰ এৰ টি লাইনৰ সংযোজনেৰে ১৪,৫২০ ঘৰ হিতাধিকাৰীক উপকৃত কৰা হৈছে। ইয়াৰ বাবে উপৰি সৌভাগ্য আঁচনিৰ যোগেদি ২১৩ টা ট্ৰান্সফৰ্মাৰ সংস্থাপনৰ জৰিয়তে ১১১.৪৩৫ কিলোমিটাৰ কৰে এম লাইন আৰু ৪১৭.৭৭৪ কিলোমিটাৰ এৰ টি লাইনৰ সংযোজনেৰে ২১১১৩ গৰাকী হিতাধিকাৰীক বৰ্তমানলৈ উপকৃত কৰা হৈছে। তদুপৰি দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি আঁচনিৰ অতিৰিক্ত প্ৰতিটো পৰিয়াল আঁচনিৰ যোগেদিও জিলাখনত মুঠ ৩২৫ টা ট্ৰেন্সফৰ্মাৰৰ সংস্থাপন কৰা হৈছে। ইয়াৰ ফলত ১৪২.২৬৪ কিলোমিটাৰ ১১ কেভিন লাইন আৰু ৬১৭.৮৩৮ কিলোমিটাৰ এল টি লাইনৰ সংযোজনেৰে ১৭৯০০ ঘৰ হিতাধিকাৰীক উপকৃত কৰা হৈছে। উল্লেখ্য যে জিলাখনৰ শক্তি খণ্ডই সাম্প্ৰতিক সময়ত আঁকোৱালি লোৱা ধনাত্মক পৰিৱৰ্তন অৰ্থাৎ নলবাৰী জিলাৰ শক্তি খণ্ডৰ বৰ্তমানৰ উন্নয়নৰ ছবিখন ৰাইজৰ আগত দাঙি ধৰাৰ লগতে ৰাইজক ভৱিষ্যতে এই ক্ষেত্ৰখনলৈ আহিবলগীয়া পৰিৱৰ্তনসমূহৰ এক পূৰ্বানুমান দিয়াটোৱেই হৈছে এই দিৱস উদ্‌যাপনৰ মূল উদ্দেশ্য। জিলাখনৰ বিদ্যুৎ বিভাগৰ তৰফৰ পৰা আগন্তুক ২৭ জুলাইত মুগকুছিত অনুষ্ঠিত হ'বলগীয়া এই উৎসৱমুখৰ জনসমাবেশ সাফল্যমণ্ডিত কৰি তুলিবলৈ নলবাৰী জিলাবাসী ৰাইজৰ সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগিতা কামনা কৰা হৈছে।

# কাৰ্বি আংলঙৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পথ বিভাজকত অচিনাক্ত মৃতদেহ উদ্ধাৰ

## দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাক জব্দ ঃ আটক তিনি

বিশেষ সংবাদদাতা

**বকলীয়াঘাট, ২৫ জুলাই ঃ** কাৰ্বি আংলঙত আজি পুৱাতেই উদ্ধাৰ হয় এটা অচিনাক্ত মৃতদেহ। আঘাতৰ চিন স্পষ্ট থকা মৃতদেহটো এজন পুৰুষৰ। মুখেৰে তেজ ওলাই থকাৰ লগতে ভৰিৰ আঙুলি ছিঙি যোৱা মৃতদেহটো লাংহিনৰ স্বৰগাঠি নদীৰ সমীপৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পথ বিভাজকত উদ্ধাৰ হয়। প্ৰথমে কোনোবাই হত্যা কৰি মৃতদেহ পেলাই যোৱা বুলি সন্দেহ কৰা হৈছিল যদিও আৰক্ষীৰ তদন্তত এয়া দুৰ্ঘটনা বুলি নিশ্চিত হয়।

আজি পুৱা প্ৰায় ছয় বজাত স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি ডকমকা আৰক্ষীক অৱগত কৰে। ডকমকা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নীলমণি মালাকাৰসহ এটি আৰক্ষীৰ দলে উপস্থিত হৈ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখে। মৃতদেহৰ কাষত তেজৰ চেকুৰা, মুখেদি তেজ ওলাই থকা আৰু সোঁভৰিৰ বুঢ়া আঙুলিটো নাছিল। স্থানীয় লোকে কোনোবাই হত্যা কৰি মৃতদেহ পেলাই যোৱা বুলি সন্দেহ কৰিছিল। মৃতদেহটো উদ্ধাৰ কৰি প্ৰথমে ডকমকা আৰক্ষী থানালৈ লৈ অনা হয় আৰু পৰৱৰ্তী সময়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ইপিনে, ঘটনাস্থলীত পোৱা ষ্টীলৰ এটা টুকুৰা আৰু পথৰ বিভাজকত থকা দাগৰ পৰা চলোৱা তদন্তত এয়া দুৰ্ঘটনা বুলি আৰক্ষী নিশ্চিত হয়। পৰৱৰ্তী সময়ত ডকমকা আৰক্ষীয়ে হোজাই জিলাৰ ডবকা টোলগেটৰ পৰা চালক আৰু দুই যুৱকসহ দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত এনএল-০১ এএফ-৪৩০০ নম্বৰৰ ট্ৰাকখনৰ চালকজন হৈছে মণিপুৰৰ থৌৱাল জিলাৰ লৰেমবাম আৰিফাতৰ যদু সিঙৰ পুত্ৰ সদান্দা সিং (২৫)। লগতে আৰক্ষীয়ে ট্ৰাকত থকা দুই যুৱক পূব ইম্ফলৰ তামফাজাও সিং (১৮) আৰু পশ্চিম ইম্ফলৰ ৰাহুল সিং (২৩)কো আটক কৰে। ঘটনা সংঘটিত কৰি ট্ৰাকখনে পলায়ন কৰিছিল বুলি আৰক্ষীয়ে জনাইছে।

# চিৰাজউদ্দিন আহমেদৰ মৃত্যু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ জুলাই ঃ** শিৱসাগৰ নগৰৰ সমীপৰ জেঙনীকটিয়া অঞ্চলৰ ধৰ্মপ্ৰাণ ব্যক্তি তথা ডাক বিভাগৰ কৰ্মচাৰী চিৰাজউদ্দিন আহমেদ ওৰফে চুনা (৫৯)ৰ কালি বিয়লি নিজ বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনিগৰাকী জীয়াৰী ইহসংসাৰত এৰি যায়।

# ৰাজেশ প্ৰসাদৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৫ জুলাই ঃ** ৰাজ্যৰ জলসিঞ্চন বিভাগৰ প্ৰধান সচিবৰ দায়িত্ব সফলতাৰে বিভাগটোক এক গতিশীল পথলৈ আগবঢ়াই নিবলৈ সক্ষম হোৱা ৰাজেশ প্ৰসাদৰ মৃত্যুত তামুলপুৰ জিলাৰ গোৰেশ্বৰত গভীৰ শোকৰ ছাঁ পৰিছে। শুক্লাই চেৰফাং গোৰেশ্বৰ সংমণ্ডল জলসিঞ্চন বিভাগৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে আজি ২৫ জুলাইত কাৰ্যালয়ত এখন শোক সভা অনুষ্ঠিত কৰি দায়িত্বশীল বিষয়াজনৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। জলসিঞ্চন বিভাগটোৰ সকলো বিষয়া-কৰ্মচাৰীৰ প্ৰিয়ভাজন ৰাজেশ প্ৰসাদৰ মৃত্যু কেৱল বিভাগটোৰে নহয় ৰাজ্যৰ বাবে অপূৰণীয় ক্ষতি। শুক্লাই চেৰফাং জলসিঞ্চন বিভাগৰ গোৰেশ্বৰ সংমণ্ডলৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে ৰাজেশ প্ৰসাদৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

# এইবাৰ যথেষ্ট উপকৃত হ'ব

*এক পৃষ্ঠাৰ পৰা* ক্ষতি হোৱা হিতাধিকাৰীৰ পুনৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে আৰু ধন মুকলি কৰিবৰ বাবে তালিকা প্ৰস্তুত কৰা হৈছে। জিলাসমূহৰ পৰা যোৱা ৰিপ'ৰ্টৰ ভিত্তিত কৃষি বিভাগৰ ২৫ টা বিষয়াৰ দলে ২০ শতাংশ পুনৰীক্ষণ চলাই ১৫,২৮৪টা সম্পূৰ্ণ আৰু আংশিক ক্ষতিগ্ৰস্ত হোৱা আৱাসগৃহৰ ভিতৰত ইতিমধ্যে ৩,০৫৭ টাৰ ৩,০৪৩টাৰ পুনৰীক্ষণ সম্পূৰ্ণ কৰিছে আৰু ২১৪ টা আৱাসগৃহৰ পুনৰীক্ষণ কৰা হ'ব। অৰ্থাৎ ২০ শতাংশকৈ নগাঁৱত কিছু পৰিমাণে বেছিকৈ পুনৰীক্ষণ কৰা হ'ব।' এই মন্তব্য কৃষি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাৰ। আজি বিয়লি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয় সভাকক্ষত নগাঁও জিলা প্ৰশাসনৰ লগত এক পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী অতুল বৰাই সংবাদ মাধ্যমৰ আগত আৰু কয়, 'পূৰ্বতে এনে ব্যৱস্থা নাছিল যদিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা এনে পদক্ষেপৰ ফলত এইবাৰ বানাক্ৰান্ত ৰাইজ বহুখিনি উপকৃত হ'ব।' লগতে তেওঁ যোগ্য হিতাধিকাৰীয়ে যাতে এই সাহায্য লাভ কৰে তাৰ বাবে এখন শুদ্ধ আৰু ত্ৰুটি মুক্ত তালিকা প্ৰস্তুত কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে বুলিও সদৰী কৰে। উজনি অসমৰ বানতকৈ নগাঁও আৰু হোজাইত হোৱা দুটাকৈ বানে যথেষ্ট ক্ষতি কৰা বুলি উল্লেখ কৰি কৃষিমন্ত্ৰীজনে ৰাজ্যৰ কৃষি বিভাগে এই ক্ষেত্ৰত কৃষকৰ বাবে সমূহীয়া কঠীয়াতলীৰ লগতে ৰবি শস্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব বুলিও প্ৰকাশ কৰে। তেওঁ কয়, 'বানত বহুতৰে ঘৰ-মাটিও লৈ গৈছে। আমি সেইখিনি মানুহৰ কথাও চিন্তা কৰিব লাগিব। মই ৰহাত নিজে গৈ ১১ টা পৰিয়ালৰ ঘৰ-মাটি বানত জাহ যোৱা প্ৰত্যক্ষ কৰিছো। গতিকে এই পৰিয়ালকেইটাক চৰকাৰে প্ৰথমে মাটি দিব লাগিব আৰু তাৰ পাছত ঘৰৰ ব্যৱস্থা কৰিব লাগিব। আমি বানত ক্ষতিগ্ৰস্ত সকলো বিষয় পৰ্যবেক্ষণ কৰি আছো আৰু এইসকল লোকে যাতে ন্যায় লাভ কৰে।'

ইপিনে, কৃষিমন্ত্ৰীজনে গাহৰিৰ দেহত ধৰা পৰা ছোৱাইন ফিভাৰ সন্দৰ্ভত এই সন্দৰ্ভত ইতিমধ্যে বিভাগে কেতবোৰ নিৰ্দেশনা জাৰি কৰাৰ কথা সদৰী কৰি গাহৰিৰ দেহত এনে লক্ষণ পালে বিভাগে গাহৰি হত্যা কৰি পুতি থোৱাৰ ব্যৱস্থা কৰি গাহৰি পালকক ১৫দিনৰ ভিতৰত যথোপযুক্ত সাহায্য প্ৰদান কৰিব বুলি উল্লেখ কৰে। উল্লেখ যে বানবিধ্বস্ত জিলাসমূহলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি একোজন মন্ত্ৰী প্ৰেৰণ কৰি বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে যাৱতীয় অনুদান সময়মতে প্ৰদান কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশ অনুসৰি আজি তিনিদিন ধৰি নগাঁৱত কৃষিমন্ত্ৰী অতুল বৰাই সমগ্ৰ বিষয়টো পৰ্যবেক্ষণ কৰি থকাৰ লগতে বানবিধ্বস্ত অঞ্চলসমূহত নিজে গৈ চৰজমিন পৰ্যবেক্ষণ চলায়। আজি মন্ত্ৰীজনে জিলা উপায়ুক্ত কাৰ্যালয়ত পৰ্যালোচনা সভাৰ পূৰ্বে মন্ত্ৰী বৰাই জিলাখনৰ ৰহাত বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰে।

# মোৰ নিৰ্বাচনেই প্ৰমাণ যে এই

*এক পৃষ্ঠাৰ পৰা* ভাৰতৰ সাংবিধানিক উচ্চ পদবীত উপনীত হ'ব পাৰে। মই আহৰণ কৰা এই ৰাষ্ট্ৰপতি পদ মোৰ ব্যক্তিগত কৃতিত্ব নহয়, এয়া ভাৰতৰ প্ৰতিজন দৰিদ্ৰ লোকৰ কৃতিত্ব। মোৰ নিৰ্বাচন এই সত্যৰ প্ৰমাণ যে ভাৰতৰ দৰিদ্ৰই সপোন দেখিব পাৰে আৰু ইয়াক পূৰণ কৰিব পাৰে।' মুৰ্মুৰ ভাষণত আজি একাধিক গুৰুত্বপূৰ্ণ শীৰ্ষস্থান লাভ কৰে। দেশত পিছপৰি থকা আদিবাসী সমাজৰ নাৰী হিচাপে নিজ জীৱনৰ সংগ্ৰামৰ কথা তেওঁ কয় আৰু একেদৰে ভাৰতীয় গণতন্ত্ৰত দেশৰ প্ৰত্যন্ত অঞ্চলৰ লোক সৰ্বোচ্চ সাংবিধানিক পদত উপনীত হ'ব পৰাৰ কথাও কয়।

'মই ওড়িছাৰ এখন সৰু জনজাতীয় গাঁৱৰ পৰা মোৰ জীৱনৰ যাত্ৰা আৰম্ভ কৰিছিলো। মই যি প্ৰেক্ষাপটৰ পৰা আহিছো তাত মোৰ বাবে প্ৰাথমিক শিক্ষা লাভেই সপোন আছিল।' কিন্তু সকলো বাধা-বিঘিনি সত্ত্বেও তেওঁৰ দৃঢ়তা অটুট আছিল আৰু তেওঁৰ গাঁওখনৰ পৰা কলেজলৈ যোৱা প্ৰথমগৰাকী মহিলাৰূপে পৰিগণিত হৈছিল বুলি কয়। মুৰ্মুৱে লগতে কয়, 'মই জনজাতীয় সমাজৰ লোক। এগৰাকী ৱাৰ্ড কাউন্সিলাৰৰূপে সেৱা আগবঢ়োৱাৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতিলৈ উত্তৰণ ঘটাৰ মই সুযোগ পালো। এয়াই গণতন্ত্ৰৰ মাতৃ ভাৰতৰ মহত্ব।' বহু শতিকাজুৰি বঞ্চিত হৈ থকাসকল আৰু উন্নয়নৰ সা-সুবিধা যিসকলক দিবলৈ অস্বীকাৰ কৰা হৈছিল সেইসকল দৰিদ্ৰ, অনগ্ৰসৰ, পাছ পৰা শ্ৰেণীৰ লোক আৰু আদিবাসীসকলে মুৰ্মুৰ মাজত তেওঁলোকৰ প্ৰতিফলন ঘটিছে বুলিও উল্লেখ কৰি তেওঁ কয়, 'মোৰ নিৰ্বাচন দেশৰ দৰিদ্ৰ শ্ৰেণীৰ বাবে আশীৰ্বাদ। ই দেশৰ কোটি কোটি মহিলা আৰু কন্যাৰ সপোন আৰু সম্ভাৱনাক প্ৰতিফলিত কৰে। তদুপৰি ই ভাৰতৰ আজিৰ যুৱচামৰ সাহস প্ৰদৰ্শন কৰে যিসকলে নতুন পথত খোজ কাঢ়িবলৈ সাজু। এনে এক অগ্ৰগামী ভাৰতক নেতৃত্ব দিবলৈ পাই মই গৌৰৱ অনুভৱ কৰিছো। আজি মই সকলো সহ নাগৰিক বিশেষকৈ ভাৰতৰ যুৱ আৰু মহিলাসকলক নিশ্চিতি দিও যে তেওঁলোকৰ স্বাৰ্থই এই পদবীত মই কাম কৰি থকা সময়ত সৰ্বোচ্চ হ'ব।'

ভাষণত তেওঁ মহাত্মা গান্ধীৰ স্বৰাজৰ কথাও উল্লেখ কৰে। 'আমাৰ স্বাধীনতা সংগ্ৰামে এখন ৰাষ্ট্ৰৰূপে ভাৰতৰ নতুন যাত্ৰাৰ ৰোডমেপ প্ৰস্তুত কৰিছিল। পূজনীয় বাপুৱে স্বৰাজ, স্বদেশী, স্বচ্ছতা আৰু সত্যাগ্ৰহৰ অৱলম্বন কৰি আমাক ভাৰতীয় সংস্কৃতিক মতবাদ অনুধাৱন কৰাৰ পথ দেখুৱাইছিল। নেতাজী সুভাষ চন্দ্ৰ বসু, জৱাহৰলাল নেহৰু, বাবা চাহেব আম্বেদকাৰ, চৰ্দাৰ পেটেল, ভগৎ সিং, সুখদেৱ, ৰাজগুৰু আৰু চন্দ্ৰশেখৰ আজাদৰ দৰে অগণন ব্যক্তিত্বই আমাক ৰাষ্ট্ৰীয় গৌৰৱ সৰ্বোচ্চ কৰি ৰাখিবলৈ শিকাইছিল।' শপতগ্ৰহণৰ পাছত সংসদৰ যৌথ অধিবেশনক সম্বোধি মুৰ্মুৱে কয় যে তেওঁ হৈছে ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱা প্ৰথমগৰাকী ব্যক্তি যিয়ে ভাৰত স্বাধীনতাৰ পাছত জন্মগ্ৰহণ কৰিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনত একাধিক আদিবাসী আন্দোলনৰ অৱদানৰ বিষয়ে ভাষণত উল্লেখ কৰি তেওঁ কয়, 'চাওতাল বিপ্লৱ, পাইকা বিপ্লৱৰ পৰা আৰম্ভ কৰি ক'ই বিপ্লৱ আৰু ভিল বিপ্লৱ পৰ্যন্ত এই সকলো বিপ্লৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামত আদিবাসীসকলৰ অৱদান শক্তিশালী কৰি তুলিছে। সামাজিক উত্তৰণ আৰু দেশপ্ৰেমৰ বাবে আমি 'ধৰতি আবা' ভগৱান, বিৰচা মুণ্ডাৰ আত্মত্যাগৰ দ্বাৰা অনুপ্ৰেৰণা লাভ কৰিছো।' ভাষা আৰু ধৰ্মীয় বৈচিত্ৰ্যৰে ভৰা ভাৰতৰ ঐক্যৰ প্ৰসংগও তেওঁৰ মুখত উচ্চাৰিত হয়। মুৰ্মুৱে কয় যে সংসদীয় গণতন্ত্ৰৰ এই ৭৫ বছৰত বিভিন্ন সম্প্ৰদায়ৰ অংশগ্ৰহণ আৰু ঐক্যমতৰ মাধ্যমেৰে অগ্ৰগতিৰ সংকল্পত দেশ আগুৱাইছে। 'বৈচিত্ৰ্যৰে ভৰা আমাৰ দেশত বহু ভাষা, ধৰ্ম, সম্প্ৰদায়, খাদ্যাভ্যাস, জীৱন-যাপনৰ অভ্যাস, ৰীতি-নীতি অৱলম্বন কৰিও এক ভাৰত শ্ৰেষ্ঠ ভাৰত গঢ়িবলৈ আমি বদ্ধপৰিকৰ।' মুৰ্মুৱে কয়। ভাষণত তেওঁ বিকাশ আৰু অগ্ৰগতিৰ পথেৰে অহৰহ আগবাঢ়ি থকাৰ সমান্তৰালভাৱে ইতিহাসৰ প্ৰতি সজাগতাৰ বিষয়েও উল্লেখ কৰে। 'আজি সমগ্ৰ বিশ্বই বহনক্ষম গ্ৰহণৰ কথা কৈছে, ভাৰতৰ কথা কৈছে। ভাৰতৰ প্ৰাচীন পৰম্পৰা আৰু বহনক্ষম জীৱন ধাৰণ অতি গুৰুত্বপূৰ্ণ হৈছে। মই জনজাতীয় পৰম্পৰাত জন্মলাভ কৰিছো, যি হেজাৰ হেজাৰ বছৰ ধৰি প্ৰকৃতিৰ স'তে ঐক্যতানেৰে জীয়াই আছে। মই মোৰ জীৱনত অৰণ্য আৰু জলভূমিৰ গুৰুত্ব অনুধাৱন কৰিছো।' মুৰ্মুৱে কয় যে ৰাজহুৱা সেৱাৰ জৰিয়তে তেওঁৰ জীৱনৰ অৰ্থ বিচাৰি পাইছে। তেওঁ ভাষণত মহিলা আৰু যুৱসকলক সম্বোধন কৰে। প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ কথা মনত পেলাই তেওঁ কয়, 'আমাৰ সন্মানীয় অটলজীয়ে কৈছিল যে যেতিয়া দেশৰ যুৱকসকল আগবাঢ়ে তেতিয়া তেওঁলোকে কেৱল নিজ লক্ষ্য স্থান নিৰ্ধাৰণ নকৰে, দেশৰ ভৱিষ্যতৰ আকাৰ দিয়ে। আজি আমি এয়া সত্য হোৱাটো প্ৰত্যক্ষ কৰিছো।' যুৱচামক উদ্দেশি তেওঁ কয়, 'ৰাষ্ট্ৰপতিৰূপে আপোনালোকৰ স'তে মোৰ সম্পূৰ্ণ সমৰ্থন আছে।'

ওড়িছাৰ ৰায়ৰংগপুৰৰ নিজ জন্মস্থানত শ্ৰীঅৰবিন্দ ইণ্টিগ্ৰেল স্কুলত শিক্ষকৰূপে কাম কৰাৰ অভিজ্ঞতাৰ কথাও উল্লেখ কৰি তেওঁ কয় যে শিক্ষাৰ ক্ষেত্ৰত ঋষি অৰবিন্দৰ চিন্তা ধাৰাই তেওঁক অহৰহ অনুপ্ৰাণিত কৰে। আনহাতে, তেওঁ কয় যে ৰাণী লক্ষ্মী বাই, ৰাণী ভেলু নাছিয়াৰ, ৰাণী গাইডালু আৰু ৰাণী চেন্নামাৰ দৰে বহু সাহসী মহিলাই ৰাষ্ট্ৰ নিৰ্মাণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত মহিলাৰ শক্তিক অতি উচ্চ স্তৰলৈ লৈ গৈছিল বুলি তেওঁ কয়।

সংসদৰ চেণ্ট্ৰেল হলৰ এক বৰ্ণাঢ্য অনুষ্ঠাত দেশৰ প্ৰথমগৰাকী জনজাতীয় মহিলা মুৰ্মুক ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰায় দেশৰ মুখ্য ন্যায়াধীশ এন ভি ৰামান্নাই। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ, উপ-ৰাষ্ট্ৰপতি এন ভেংকায়া নাইডু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী এই অনুষ্ঠানত উপস্থিত আছিল। তদুপৰি বিভিন্ন সাংসদ, মুখ্যমন্ত্ৰীসকলো উপস্থিত আছিল এই অনুষ্ঠানত। উল্লেখ্য যে ৬৬ বছৰীয়া মুৰ্মুৱে দেশৰ প্ৰথমগৰাকী আদিবাসী লোক আৰু দ্বিতীয়গৰাকী মহিলা ৰাষ্ট্ৰপতিৰূপে পৰিগণিত হৈ ইতিহাস ৰচিলে। আজি তেওঁ শপতগ্ৰহণৰ পূৰ্বে ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়। তাৰ পাছতে বিদায়ী ৰাষ্ট্ৰপতি ক'ৱিন্দক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে টুইটাৰত মুৰ্মুৰ শপতগ্ৰহণ অনুষ্ঠান যুগান্তকাৰী মুহূৰ্ত বুলি অভিহিত কৰি কয়, 'দেশৰ ৰাষ্ট্ৰপতিৰূপে শ্ৰীমতি দ্ৰৌপদী মুৰ্মুৰ শপতগ্ৰহণ সমগ্ৰ ৰাষ্ট্ৰই গৰ্বৰে প্ৰত্যক্ষ কৰিছে। তেওঁ ৰাষ্ট্ৰপতিত্ব লাভ কৰাটো ভাৰতৰ বাবে বিশেষকৈ দৰিদ্ৰ, উপান্ত আৰু নিপীড়িতসকলৰ বাবে যুগান্তকাৰী মুহূৰ্ত।'

## জয়পুৰ জ্ঞানোদয় একাডেমীত কবিতা আবৃত্তি কৰ্মশালা সম্পন্ন



**নাহৰকটীয়া, ২৫ জুলাই ঃ** জয়পুৰ জ্ঞানোদয় একাডেমী কনিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়খনত যোৱা ২১ জুলাইৰ পৰা ২৪ জুলাইলৈকে চাৰিদিনীয়া কাৰ্যসূচীৰে এটি কবিতা আবৃত্তি কৰ্মশালা অনুষ্ঠিত হৈ যায়। গ্ৰীষ্মকালীন কবিতা আবৃত্তি শীৰ্ষক কৰ্মশালাটিত প্ৰশিক্ষণ প্ৰদান কৰে আবৃত্তিকাৰ, আবৃত্তি গুৰু তথা চাচনী চেঁচাসত্ৰ একাডেমী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক কৈশৰ প্ৰতিম বৰুৱাই। চাৰিদিনীয়া কাৰ্যসূচীত আবৃত্তিৰ আৰম্ভণিৰ সৃষ্টি, আবৃত্তিৰ লগত ব্যাকৰণৰ সম্পৰ্ক, সুৰ, কণ্ঠস্বৰ, মানৱ জীৱনত আবৃত্তিৰ গুৰুত্ব, ইত্যাদি বিষয়বস্তুৰে প্ৰশিক্ষণ প্ৰদান কৰে। জ্ঞানোদয় একাডেমীৰ লগতে অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা কৰ্মশালা ২৪ জুলাইত সামৰণি পৰে। এই উপলক্ষে অনুষ্ঠিত চমু অনুষ্ঠানত মহাবিদ্যালয়ৰ আদৰণি বক্তব্য আগবঢ়ায় অধ্যক্ষা জয়শ্ৰী সান্যালে। প্ৰবক্তাসকল উপস্থিত থকা অনুষ্ঠানত প্ৰশিক্ষক কৈশৰ প্ৰতিম বৰুৱাই আবৃত্তিৰ সামগ্ৰিক বিষয়বস্তু সম্পৰ্কে বক্তব্য দাঙি ধৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে দলীয় আবৃত্তি পৰিৱেশন কৰাৰ উপৰি প্ৰবক্তা মুনমী শৰ্মা আৰু স্মৃতি ডেকা খাউণ্ডে একোটাকৈ কবিতা আবৃত্তি কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে প্ৰশিক্ষক বৰুৱাক জ্ঞানোদয় একাডেমীৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। সমগ্ৰ অনুষ্ঠানত আঁত ধৰে একাডেমীৰ জেষ্ঠ প্ৰবক্তা প্ৰশান্ত কুমাৰ গগৈয়ে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জনাই আবৃত্তিৰ চৰ্চা অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

## শিৱসাগৰত চুতীয়া জাতি যুৱ সন্মিলনৰ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**চিদাংমুখ, ২৫ জুলাই ঃ** চুতীয়া জাতি যুৱ সন্মিলনৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত সদৌ চুতীয়া জাতি সন্মিলন আৰু মহিলা সন্মিলনৰ শিৱসাগৰ জিলা সমিতিৰ সহযোগত কালি শিৱসাগৰ নগৰত থকা ঐক্যৰ কাৰ্যালয়ত জ্ঞান অন্বেষণৰ অভিনন্দন যাত্ৰা নামৰ এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। মহিলা সন্মিলনীৰ সভানেত্ৰী কমল কুমাৰী শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যুৱ সন্মিলনীৰ অপূৰ্ব শইকীয়াই। শিক্ষাবিদ তুৰাৰাম খনিকৰে উদ্বোধন কৰা অভিনন্দন অনুষ্ঠানত চুতীয়া যুৱ সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাহিত্য সম্পাদক নৱদ্বীপ চুতীয়া, সাংস্কৃতিক সম্পাদক মৃণাল চুতীয়া, মহিলা সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদিকা ৰেখা ভুঞা শইকীয়া, হাফলুটিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীমন্ত দত্ত, জিলা মহিলা সন্মিলনীৰ উপ-সভানেত্ৰী শান্তিমণি খনিকৰ, চুতীয়া জাতি সন্মিলনীৰ জিলা সমিতিৰ সম্পাদক পৰাগ শইকীয়া আদিয়ে বক্তব্য প্ৰদান কৰে। অভিনন্দন অনুষ্ঠানত জিলাখনৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চেলেং চাদৰ আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাত শিল্পী মৃণাল চুতীয়া, প্ৰয়াক্ষী চুতীয়া আৰু তনয়া হাজৰিকাই গীত পৰিবেশনেৰে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ পূৰ্বে সাধনীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত প্ৰতিনিধি সভাত উপেন বৰাক চুতীয়া জাতি যুৱ সন্মিলনীৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতিৰূপে নিৰ্বাচিত কৰে।

## কৃতীমানক অভিনন্দন ত্ৰিমূৰ্তি গাঁওৰক্ষী বাহিনীৰ



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৫ জুলাইঃ** যোৰহাট সদৰ থানাৰ অন্তৰ্গত লক্ষী নগৰ, সূৰুয নগৰ আৰু নাচনীচুক অঞ্চলাধীন ত্ৰিমূৰ্তি গাঁওৰক্ষী বাহিনীয়ে কালি ইয়াৰ এন, জে মেনচনত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতা লাভ কৰা ২৫ গৰাকী শিক্ষাৰ্থীক অভিনন্দন জনায়। গাঁওৰক্ষী বাহিনীৰ সম্পাদক সমৰ বাৰিকে আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় সভাপতি ভাস্কৰ কলিতাই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি চিনামৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক দাদুল দত্ত, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° ইন্দ্ৰেশ্বৰ দাস, লিচুবাৰী আৰক্ষী চকীৰ প্ৰবেচনৰী উপ-পৰিদৰ্শক প্ৰণৱ নাথে শিক্ষাৰ্থীসকলক উদ্দেশি উদ্‌গনিমূলক বক্তব্য আগবঢ়ায়। অভিভাৱক যতীন বৰা আৰু মাণিক পায়ুনে গাঁও সুৰক্ষাৰ উপৰি উদ্যোক্তাসকলে শৈক্ষিক ক্ষেত্ৰত উত্তৰণৰ বাবে লোৱা এই প্ৰচেষ্টাৰ শলাগ লয়। কৃতীমানসকলক গাঁওৰক্ষী বাহিনীখনৰ তৰফৰ কৰা গামোচা, অভিনন্দন পত্ৰ, স্মাৰক আৰু কলমেৰে অভিনন্দন জনোৱা হয়।

## বিটিচিৰ প্ৰাক্তন প্ৰশাসক ৰাজেশ প্ৰসাদৰ অকাল মৃত্যুত শোক প্ৰকাশ প্ৰমোদ বড়োৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৫ জুলাইঃ** বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীৰ লগতে কাৰ্যবাহী সদস্যসকল, পাৰিষদসকলৰ লগতে বিষয়া-কৰ্মচাৰীসকলে জ্যেষ্ঠ ভাৰতীয় প্ৰশাসনিক বিষয়া অসম চৰকাৰৰ প্ৰধান সচিব তথা বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন প্ৰশাসক ৰাজেশ প্ৰসাদৰ মৃত্যুত শোক প্ৰকাশ কৰে। কালি জিএমচি চিকিৎসালয়ত ক'ভিড-১৯ৰ পাছৰ জটিলতাৰ বাবে অকাল মৃত্যু হোৱাত শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াবৰ্গলৈ সংহতি আৰু আন্তৰিক সমবেদনা জ্ঞাপন কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

## মেৰাপানীৰ গমাৰি বজাৰ শাখাৰ অসম গ্ৰামীণ বিকাশ বেংক

## মেৰাপানীৰ গমাৰি বজাৰ শাখাৰ অসম গ্ৰামীণ বিকাশ বেংকত গ্ৰাহকৰ ধন হৰলুকি

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৫ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ গমাৰি বজাৰস্থিত অসম গ্ৰামীণ বিকাশ বেংকত গ্ৰাহকৰ জমাধন হৰলুকি হোৱা বুলি গুৰুতৰ অভিযোগ তুলিছে এজন নিয়মীয়া গ্ৰাহকে। অভিযোগ অনুসৰি মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত নৱগ্ৰাম গাঁৱৰ খগেন হাজৰিকা নামৰ লোকজনে উক্ত বেংকৰ ছেভিংছ ৭২২১০১০০১১৩৬২ নম্বৰৰ একাউণ্টত তেওঁ নিয়মীয়াভাৱে টকা পইচা লেনদেন কৰি আহিছিল। যোৱা ১৬ জুলাইত গ্ৰাহকজনে তেওঁৰ পাচবুক আপডেট কৰোতে এক জানুৱাৰী ২০২২ত তেওঁৰ জমাধন একলাখ ৩৮ হেজাৰ ৪৯টকা ৫০ পইচা দেখুৱাই আৰু ইয়াৰ পাছত টকা উলিওৱা আৰু জমা দিয়া লেনদেনৰ শেষত ১৬ জুলাইত ৫৬ হেজাৰ ৫৮৭ টকা ৫০ পইচা দেখুৱায়। ১৬ জুলাইৰ পৰা গ্ৰাহকজনে বেংকৰ লগত কোনো লেনদেন কৰা নাছিল। কিন্তু আজি ২৫ জুলাইত বেংকৰপৰা টকা উলিয়াবলৈ আহি ২০ হেজাৰ টকাৰ আহৰণ পত্ৰ দিয়াৰ পাছত বেংকতমাত্ৰ ১৬ হেজাৰ ৫৮৭ টকা ৫০ পইচাহে জমা থকা বুলি কৈ গ্ৰাহকজনক পঠাই দিয়েছ ইয়াৰ পাছত নিজৰ একাউণ্টৰ পৰা জমাধন হৰলুকি হোৱা ঘটনাৰ সন্দৰ্ভত গ্ৰাহকজনে সাংবাদিকৰ কাষ চাপে। গ্ৰাহকজনৰ অভিযোগৰ ভিত্তিত এই প্ৰতিবেদকে গমাৰি বজাৰ শাখাৰ পৰিচালকৰ লগত যোগাযোগ কৰাত পৰিচালকজনে পাচবুক আপডেট কৰা কম্পিউটাৰত চিষ্টেম ভুল হোৱা বুলি জানিবলৈ দিয়ে। পৰিচালকজনৰ এই কথাত আশ্বস্ত হ'ব পৰা নাই গ্ৰাহকজন। সেয়েহে উৰ্ধ্বতম কৰ্তৃপক্ষই ইয়াৰ এক তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব বুলি বাতৰি কাকতৰ যোগে আহ্বান জনাইছে।

## বিষ্ণু জ্যোতি সংগীত আৰু চাৰুকলা চিত্ৰকলা বিদ্যালয়ৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**কাকজান, ২৫ জুলাই ঃ** পূব যোৰহাটৰ ঢেকীয়াখোৱাস্থিত নৃত্য, কলা গীতৰ অগ্ৰণী অনুষ্ঠান বিষ্ণু জ্যোতি সংগীত চিত্ৰকলা বিদ্যালয়ৰ প্ৰাংগণত এখন অভিনন্দন অনুষ্ঠান কালি অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে বিদ্যালয়ৰ কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য প্ৰতিযোগিতাত সন্মান লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষ হৈছে আৰু সেই উদীয়মান ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্য এই সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। বিদ্যালয়ৰ সঞ্চালক নৱকৃষ্ণ বৰাই আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত বুধিন চাংমাই প্ৰতিচ্ছবিত বৰ্তমানৰ অধ্যক্ষ নয়নমণি ভট্টাচাৰ্যই বন্তি প্ৰজ্বলন কৰি আৰম্ভণি কৰে। অনুষ্ঠানত বিশিষ্ট চিকিৎসক, সাহিত্যিক ডাঃ গোলাপ ডেকা, মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ সম্পাদক দীপক বৰা, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ শিল্পী ৰেখামণি বৰা, বিশিষ্ট ব্যক্তি ইন্দ্ৰজিৎ সিং, পূব যোৰহাট প্ৰেছ ক্লাবৰ সম্পাদক বিকাশ সন্দিকৈ, সাংবাদিক মানৱজ্যোতি বৰদলৈ, প্ৰাঞ্জল বৰুৱা, সাৰংগপাণি শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। লগতে শিল্পীগ্ৰামত সম্পন্ন হোৱা ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় আৰু দশম আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক প্ৰাপ্ত প্ৰতিযোগীসকলক স্মাৰক, গামোচা অভিনন্দন পত্ৰৰে আদৰিণ জনাই ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। ইপিনে, উক্ত অনুষ্ঠানতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত-বাদ্যৰ এক বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰি অনুষ্ঠান জীপাল কৰি তোলাৰ লগতে সাংস্কৃতিক কৰ্মী কাকতি, ৰাতুল বৰা, মেঘালী বৰা বৰুৱা প্ৰমুখ্যে শতাধিক অভিভাৱক, ৰাইজ উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে।


## ধৰ্মপ্ৰাণা মহিলা মাদৈ বেগমৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২৫ জুলাইঃ** ডিমোৰ ৰাইছাইৰ নিবাসী তথা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী স্বাধীনতা সংগ্ৰামী প্ৰয়াত মহম্মদ হুছেইন ওৰফে কমাণ্ডাৰৰ দ্বিতীয় পুত্ৰ মহৰুম নিজামুদ্দিন হুছেইনৰ পত্নী ধৰ্মপ্ৰাণা মহিলা মাদৈ বেগম (৭৫)ৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। ধৰ্মপ্ৰাণী মহিলাগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ আহি তেওঁৰ বাসভৱনত উপস্থিত হয়। ধৰ্মপ্ৰাণা মহিলাগৰাকী বিগত কিছু দিন ধৰি উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁৰ জানাজা আজি বিয়পি দিহাজান জানাজা গৃহত গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।

## ৰাধাবাৰী-ৰঙাগড়া চাহ বাগিচাত চাহ শ্ৰমিকৰ সমস্যা সমাধানৰ দাবীত প্ৰতিবাদ

### চাহ শ্ৰমিকৰ সমস্যা সমাধান নকৰিলে আন্দোলনৰ হুংকাৰ চাহ মজদুৰ সংঘৰ



**খুমটাই, ২৫ জুলাই ঃ** গোলাঘাট জিলাৰ ৰাধাবাৰী আৰু ৰঙাগড়া চাহ বাগিচাত আজি বাগিচা দুখনৰ হেজাৰ হেজাৰ শ্ৰমিকে চাহ শ্ৰমিকৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে অসম চাহ মজদুৰ সংঘৰ উদ্যোগত ৰাধাবাৰী চাহ বাগিচা আৰু ৰঙাগড়া চাহ বাগিচাৰ কাৰ্যালয় সন্মুখত শ্ৰমিকসকলে হাতে হাতে প্লেকাৰ্ড লৈ এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। চাহ শ্ৰমিক প্ৰতিবাদকাৰীসকলে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি, উপ-কৰ্মচাৰীৰ বেতন বৃদ্ধি, ঘৰভাড়া বৃদ্ধি আৰু ভ্ৰমণ ভাট্টা বৃদ্ধিকে ধৰি বিভিন্ন সমস্যাৰ সমাধানৰ দাবী কৰাৰ লগতে বাগিচা দুখনৰ স্বত্বাধিকাৰী পক্ষলৈ একোখনকৈ দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে। গোলাঘাট জিলাৰ অসম চাহ মজদুৰ সংঘৰ উদ্যোগত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত বাগিচাখনৰ হেজাৰ হেজাৰ শ্ৰমিকে নিজৰ প্ৰাপ্য মজুৰিৰ বাবে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইফালে, শ্ৰমিকসকলৰ দাবীসমূহ শীঘ্ৰেই মালিকপক্ষই পূৰণ নকৰিলে জংগী আন্দোলনৰ হুংকাৰ দিয়ে চাহ শ্ৰমিকৰ লগতে চাহ মজদুৰ সংঘই।

## বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত সত্ৰীয়া নৃত্য কৰ্মশালাৰ সামৰণি

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ জুলাইঃ** গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত ১৫ দিনীয়া কাৰ্যসূচীৰে বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী ইন্দ্ৰমোহন বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই গুৰুজনাৰ জন্মস্থানত নৱপ্ৰজন্মই কৰা কৃষ্ণ নাম বন্দন শ্ৰৱণ কীৰ্তনৰ বাবে যি সুন্দৰ পৰিৱেশ বিৰাজ কৰিছে তাক প্ৰশংসা কৰে। বটদ্ৰৱা প্ৰেছ ক্লাবৰ সম্পাদক কন্দৰ্প কুমাৰ কলিতাই আঁত ধৰা অনুষ্ঠানত নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি চলচ্চিত্ৰ, মঞ্চৰ জনপ্ৰিয় অভিনেতা, তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য ৰাজীৱ বৰঠাকুৰ আৰু ডিমৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মোহিনী মোহন ডেকাই 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰল প্ৰতিভাৰ চৰ্চা কৰি, শংকৰদেৱক আমি ভগৱানৰূপে নহয় এজন মানৱ হিচাপে অধ্যয়ন আৰু চৰ্চা কৰিলে গুৰুজনা বিশ্বত উজলি উঠিব, কাৰণ তেওঁৰ দৰে প্ৰতিভা বিশ্বত বিৰল বুলি মন্তব্য কৰে। জুৰীয়া মহাবিদ্যালয়ৰ অধ্যাপিকা ড° প্ৰাঞ্জুমণি শইকীয়া আৰু কণ্ঠশিল্পী দীপান্বিতা গোস্বামীকে আদি কৰি কে'বাগৰাকী ব্যক্তিয়ে ভাষণ প্ৰদান কৰা অনুষ্ঠানত নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি কনক হাজৰিকা, দৈনিক অগ্ৰদূত কাকতৰ জ্যেষ্ঠ সাংবাদিক তথা নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি হেমেন কুমাৰ দাস, নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক ভাস্কৰ জ্যোতি মেধি, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য বিপিন বৰা, দিপুল শইকীয়া, হীৰণ নাথ, ধনীয়াভেটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল ইছলাম, বৰদোৱা ইন্ধন এজেন্সীৰ পৰিচালক তুৰ্য জ্যোতি গায়ন, প্ৰশিক্ষক লক্ষ্যজিৎ শইকীয়া, শিল্পী উপেন শইকীয়া, মুন ভূঞা, ৰাজীৱ মহন্ত, জগন্নাথ কলিতা, পূজা শইকীয়া, নিতুমণি দেৱী, বটদ্ৰৱা প্ৰেছ ক্লাবৰ সভাপতি পদুম কলিতা, কাৰ্যকৰী সভাপতি মাণিক বৰা দিব্যজ্যোতি বৰুৱাকে আদি কৰি পাঁচ শতাধিক লোক উপস্থিত থাকে। অনুষ্ঠানৰ সামৰণি অনুষ্ঠানৰ শেষৰ ফালে প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে বৰগীত, মাটিৰ আখৰা, কৃষ্ণ নৃত্য, নাদুভংগী, চালি নাচ, গীতৰ নাচ আদি বিভিন্ন সত্ৰীয়া নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰে।

## বিশ্বনাথত যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মধ্যকালীন অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মধ্যকালীন অধিবেশন (উত্তৰ খণ্ড) আজি বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত ক্ষেত্ৰত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণাপ্ৰতাপ বৰুৱাই আৰু লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত মধ্যকালীন অধিবেশনত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ওদালগুৰি, শোণিতপুৰ, লখিমপুৰ, ধেমাজি আৰু বিশ্বনাথ জিলা সমিতিৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক সমিতি আৰু শাখা সমিতিসমূহৰ পৰা প্ৰতিনিধিত্ব কৰে প্ৰতিনিধিবৰ্গই। লগতে এই দিনজোৰা অধিবেশনত উপস্থিত থাকে কেন্দ্ৰীয় মধ্যকালীন অধিবেশনৰ প্ৰতিনিধি সভাৰ (উত্তৰাখণ্ড) সভাপতি ৰাণাপ্ৰতাপ বৰুৱা, কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা তথা প্ৰতিনিধি সভাৰ উদ্বোধক কমল ভৰালী, কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা হেমেন চক্ৰৱৰ্তী, পুলক বৰা আৰু ৰঞ্জিত চাংমাই, কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ চাংমাই প্ৰমুখ্যে কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকল। অধিবেশনত পাঁচখন জিলাৰ প্ৰায় পাঁচ শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইফালে, সংবাদ মাধ্যমৰ আগত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ চাংমাই সৰৱ হৈ পৰে বৰ্তমানৰ শাসনাধিষ্ঠিত চৰকাৰৰ বিৰুদ্ধে।

## প্ৰতাপখাতাত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

**চিথিলা, ২৫ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ফকিৰাগ্ৰাম মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা প্ৰতাপখাতা ভিচিডিচি কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কোকৰাঝাৰ জিলা সভাপতি জেঠমল মাল্লু, মিনাৰা বেগম, ফকিৰাগ্ৰাম মণ্ডল সভাপতি মনোজ কুমাৰ ৰায়, ভিচিডিচিৰ চেয়াৰমেনদ্বয় খৰ্গেশ্বৰ নাথ, কনক বৰ্মনৰ লগতে সাহিদুল ইছলাম আদিয়ে উপস্থিত থাকে। আজিৰ সভাতেই অনাগত দিনত সংখ্যালঘু অধ্যুষিত অঞ্চলত বিজেপিক শক্তিশালী কৰিব লাগিব বুলি প্ৰকাশ কৰে বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কোকৰাঝাৰ জিলা সভাপতি জেঠমল মাল্লুয়ে। এতিয়া জাত-পাতৰ ৰাজনীতি নচলে সকলোৱে বুজি পাইছে আৰু বিজেপিমুখী হৈছে বুলিও উল্লেখ কৰে মাল্লুৱে।

## টেঙাখাত মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সন্মিলিত সভা



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৫ জুলাইঃ** টেঙাখাত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ একত্ৰিতত কালি টেঙাখাত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত কৰা হয়। প্ৰাক্তন ছাত্ৰ তথা তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অধ্যাপক সুজিৎ সোণোৱালে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰাক্তন ছাত্ৰ তথা শিক্ষক দিব্যজ্যোতি সোণোৱালে। ৰাজনীতি বিজ্ঞান বিভাগৰ লগতে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কাম কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত সভাখনত প্ৰাক্তন ছাত্ৰ অৰ্জুন ছেত্ৰী, অজয় মল্লিক, নৱজ্যোতি বুঢ়াগোহাঁইকে ধৰি কে'বাজনো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে উদ্দেশ্য ব্যাখ্যাৰ ওপৰত বক্তব্য ৰাখে। ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ একত্ৰিত এখন পূৰ্ণাংগ সমিতি আগষ্টৰ ভিতৰত গঠন কৰিবলৈ প্ৰস্তুতি চলাব বাবে সভাই সমন্বয়ক শান্তনু গগৈক দায়িত্ব ভাৰ অৰ্পণ কৰে। সভাৰ আঁত ধৰে প্ৰাক্তন ছাত্ৰ গকুল গগৈয়ে। অসমৰ বিভিন্ন প্ৰান্তত জীৱিকাৰ সূত্ৰে সিঁচৰতি হৈ থকা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক ৮৪৭১৯১৩৮৭২ আৰু ৮১৩৬০১২১৬৩ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ সমন্বয়ক শান্তনু গগৈয়ে অনুৰোধ জনাইছে।

## অসম মৰাণ সভাৰ নৱগঠিত সমিতিক দায়িত্বভাৰ অৰ্পণ




অগ্ৰদূত বাৰ্তা

**তালাপ, ২৫ জুলাই ঃ** অসম মৰাণ সভাৰ তালাপ কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ নৱ নিৰ্বাচিত সমিতিখনক আজি দায়িত্বভাৰ অৰ্পণ কৰা হয়। উল্লেখ্য যে যোৱা দুই আৰু তিনি জুলাইত অঞ্চলটোৰ এক নম্বৰ কৰ্দৈগুৰি (ভতিয়ামখাল) গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত অষ্টম ত্ৰি বাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাত ৰণ্টু ডাঙৰীয়াক সভাপতি আৰু অনিল মৰাণক সাধাৰণ সম্পাদক ২০২২-২০২৪ৰ বাবে নিৰ্বাচিত কৰে। আজি তালাপ কৰ্দৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত ন-পুৰণি সভাপতি পুলিন মৰাণ-ৰণ্টু ডাঙৰীয়াৰ সঞ্চালনাত দায়িত্বভাৰ অৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে পুৰণা সমিতিৰ সভাপতি পুলিন মৰাণ আৰু সাধাৰণ সম্পাদক ৰমন মৰাণ নেতৃত্বাধীন সমিতিখনে ৰণ্টু ডাঙৰীয়া আৰু অনিল মৰাণ নেতৃত্বাধীন নতুন সমিতিখনক দায়িত্বভাৰ অৰ্পণ কৰে। নতুন সমিতিখনক শপত বাক্য পাঠ কৰোৱায় আঞ্চলিক সমিতিখনৰ উপদেষ্টা ফটিক চন্দ্ৰ মৰাণে। অনুষ্ঠানত অসম মৰাণ সভাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বিশ্বজিৎ বড়া, সহকাৰী সাধাৰণ সম্পাদক বিতুপন মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি হেম বৰুৱা, বিৰাজ মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ তালাপ কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ সভানেত্ৰী শেৱালী দহোতীয়া কাকতি, নৱনিৰ্বাচিত সভানেত্ৰী মামনী মৰাণ আৰু সম্পাদিকা লুলুমণী মৰাণ, কৰ্দৈগুৰি আঞ্চলিক যুৱ সংঘৰ ভাৰপ্ৰাপ্ত সভাপতি ৰহেন্দ্ৰ মৰাণ, অসম মৰাণ সভাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ধনুদ্ধৰ মৰাণকে ধৰি ভালেকেইগৰাকী সন্মানীয় ব্যক্তি উপস্থিত থাকে।

## বেঁকাজানৰ এশঘৰীয়া ন-জানখনা প্ৰাথমিক বিদ্যালয়ত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

### বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দিশৰ সন্দৰ্ভত আলোচনাচক্ৰ সম্পন্ন



বিশেষ সংবাদদাতা

**নগাবাট, ২৫ জুলাই ঃ** তিতাবৰ মহকুমাৰ বেকাজান এশঘৰীয়া ন-জানখনা প্ৰাথমিক বিদ্যালয়ত পহিলা জুলাইৰ পৰা ২৩ জুলাইলৈ ২৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি পৰে। সেয়ে শনিবাৰে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰে বিভিন্ন শৈক্ষিক আৰু সাংস্কৃতিক কাৰ্যসূচী। পুৱা গছপুলি ৰোপণেৰে আৰম্ভ হোৱা কাৰ্যসূচীত পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ উদ্বোধন কৰে মঃ ইউচুফ আহমেদে। দুপৰীয়া শিক্ষক ৰবীন চুতীয়াৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হয়। বেঁকাজান মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক তথা ন-জানখনা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ দাসে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যাৰ সন্দৰ্ভত আলোকপাত কৰা সভাত মুখ্য আলোচ্য বিষয় ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশত সহ বিদ্যায়তনিক ক্ৰীড়াকলাপৰ ভূমিকা'ৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰে তুৰুং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক অৰুণ কোঁৱৰে। সভাত সহ আলোচক হিচাপে মাধপুৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰাণজিৎ বৰকাকতি আৰু বৰহোলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক দীপাংকৰ পূজাৰী, সন্মানীয় অতিথিৰূপে ৰাইডাংজুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সঞ্জীৱ গগৈ, বৰহোলা সাংবাদিক সন্থাৰ সম্পাদক অজয় শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ চন্দ্ৰ দাস আদিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ বন্তি প্ৰজ্বলনৰ পাছতে মঞ্চ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বুধীন্দ্ৰ নাথ বৰচেতিয়াই। ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল নৃত্য, নাটক আদিৰে জীপাল কৰি তোলে সাংস্কৃতিক অনুষ্ঠান। উল্লেখ্য যে কৰ্মশালাত ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি বিনামূলীয়া পাঠদানৰ লগতে সৃষ্টিশীল নৃত্য আদিৰ প্ৰশিক্ষণ প্ৰদান কৰিছিল। বিদ্যালয়খনৰ প্ৰধান শিক্ষক দেৱজিৎ দাসৰ নেৰানেপেৰা প্ৰচেষ্টাত সফলভাৱে ৰূপায়িত হোৱা সমগ্ৰ কাৰ্যসূচীৰ বাবে স্থানীয় সচেতন ৰাইজে শলাগ লৈছে।

## চৌষষ্ঠি কলাৰ দুই-এক কলা ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব লাগে

### ঢেকিয়াজুলিৰ কেহেৰুখুন্দাত কুৰ্মী সমাজৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২৫ জুলাইঃ** ঢেকিয়াজুলিৰ কেহেৰুখুন্দাত কালি কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত চাহ জনগোষ্ঠীৰ কুৰ্মী সমাজৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শতাধিক কৃতীমান ছাত্ৰ-ছাত্ৰীক শোণিতপুৰ জিলা কুৰ্মী সমাজৰ উদ্যোগত আৰু শোণিতপুৰ জিলা মহিলা সমিতিৰ তৰফৰ পৰা অভিনন্দন জনায়। কেহেৰুখন্দা নামঘৰ প্ৰাংগণত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয় যে ছাত্ৰ-ছাত্ৰীসকলে কেৱল লিখা-পঢ়া কৰিলেই সকলো সম্ভৱ নহয়। চৌষষ্ঠি কলাৰ ভিতৰত দুই-এক কলাও ছাত্ৰ-ছাত্ৰীসকলে আয়ত্ত কৰিব লাগে। লিখা-পঢ়াৰ সমান্তৰালকৈ বিভিন্ন খেল-ধেমালি অভিনয় আদিৰ জৰিয়তেও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ উপাৰ্জনৰ বাট মুকলি কৰিব পাৰে। বৰ্তমান সকলো দিশতে উপাৰ্জনৰ বাট মুকলি আছে। এই উপাৰ্জনৰ পথবোৰ ছাত্ৰ-ছাত্ৰীসকলে কিদৰে অৰ্জন কৰে সেইটো ডাঙৰ কথা। মুঠতে ছাত্ৰ-ছাত্ৰীসকলে যি কামেই নকৰক কিয় সেই কাম নিষ্ঠা আৰু সততাৰে কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে টিভি বা ম'বাইল চাই নহয় বৰঞ্চ তেওঁলোক কিতাপ পত্ৰ অধ্যয়ন কৰিলেহে বেছি লাভৱান হ'ব বুলি উল্লেখ কৰে। একেদৰে ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপক তথা সাহিত্যিক নকুল কুৰ্মীয়েও ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ-মাতৃয়ে চিকিৎসক, অভিযন্তা হোৱাৰ হেঁচা দিয়াৰ প্ৰৱণতাক বাদ দি ছাত্ৰ-ছাত্ৰীসকলক নিজৰ কৰ্মপথ নিজেই ঠিক কৰিবলৈ দিব লাগে বুলি উল্লেখ কৰে। শোণিতপুৰ জিলা কুৰ্মী সমাজৰ সম্পাদক হুমেশ্বৰ কুৰ্মীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে জিলা কুৰ্মী সমাজৰ সভাপতি প্ৰফুল্ল কুৰ্মীয়ে। অভিনন্দন অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে সদৌ অসম কুৰ্মী সমাজৰ সভাপতি চহন লাল কুৰ্মী, সম্পাদক সোমেশ মাহাত্বো, সদৌ চাওতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি মিন্টু হেমৰম, সৎনামী সমাজৰ কেন্দ্ৰীয় সম্পাদক দ্বীপচান্দ সৎনামী, ঢেকিয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি শিৱ চাহু, কেহেৰুখুন্দা পঞ্চায়তৰ সভানেত্ৰী জোনালী চুণ্ডি, কেহেৰুখুন্দা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অশোক কুৰ্মী, শিক্ষক ভীষ্মকান্ত মাহাত্বো, সদৌ অসম কুৰ্মী মহিলা সমিতিৰ সম্পাদিকা ৰাণু মাহাত্বো, সহকাৰী সম্পাদিকা গুণেশ্বৰী মাহাত্বো আদিয়ে। সভাত স্বাধীনতা সংগ্ৰামী মনোৰা কুৰ্মীৰ পৰিয়ালবৰ্গক মান-পত্ৰ, শৰাই গামোচাৰে সম্বৰ্ধনা জনায়।

# বানত সৰ্বাধিক ক্ষতি ঢেকিয়াজুলি পুনৰীক্ষণ দলৰ চৰজমিন অধ্যয়ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৫ জুলাই ঃ** উপৰ্যুপৰি দুটাকৈ বানে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে শোণিতপুৰতো বিস্তৰ ক্ষতিসাধন কৰিছিল। এই প্ৰলয়ংকৰী বানত জিলাখনৰ ভিতৰত আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে জিলাখনৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চল। চৰকাৰী তথ্যত এই কথা প্ৰকাশ পাইছে। ইপিনে, বানৰ ফলত গৃহহীন হোৱা সকলক গৃহ নিৰ্মাণৰ বাবে অহা সাত আগষ্টৰ ভিতৰত চৰকাৰী সাহায্য প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বিপৰীতে ইতিমধ্যে এই সাহায্য প্ৰদানৰ বাবে চৰকাৰী পুনৰীক্ষণ সমিতিয়ে শোণিতপুৰত উপস্থিত হৈ চৰজমিন অধ্যয়ন অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰাজ্যৰ বিত্ত তথা সমাজকল্যাণ মন্ত্ৰী অজন্তা নেওগক এই বিষয়ত শোণিতপুৰৰ অভিভাৱক মন্ত্ৰীৰূপে নিয়োগ কৰা হৈছে আৰু মন্ত্ৰী নেওগো জিলাখনত উপস্থিত হৈ বালিপৰা, ৰঙাপৰা তথা চাৰিদুৱাৰৰ বান বিধ্বস্ত অঞ্চললৈ গৈছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নিৰ্দেশ মতে, জিলাসমূহৰ পৰা শেহতীয়াকৈ লাভ কৰা বানৰ সময়ত ঘৰ-দুৱাৰ আৰু অন্যান্য আন্তঃগাঁথনিৰ ক্ষতিৰ বিপৰীতে লাভ কৰা আৰ্জি প্ৰস্তাৱৰ পুনৰীক্ষণৰ বাবে প্ৰতিখন জিলাৰ বাবে এটা ৰাজ্যিক পৰ্যায়ৰ দল গঠন কৰা হৈছে, এই দলটোৱে প্ৰতিখন জিলাত উপস্থিত হৈ এই আন্তঃগাঁথনিসমূহ পৰিদৰ্শন কৰি আৰু ইয়াৰে ২০ শতাংশ প্ৰস্তাৱৰ পুনৰীক্ষণ কৰিব লাগিব আৰু লগতে পুনৰীক্ষণ কৰা প্ৰতিটো ঘৰ জিঅ'-টেগ কৰাৰ নিৰ্দেশ দিয়া হৈছে। শোণিতপুৰ জিলাৰ বানৰ ক্ষয়-ক্ষতিৰ পৰিদৰ্শন তথা পুনৰীক্ষণৰ বাবে চৰকাৰে গঠন কৰি দিয়া ১৭ জনীয়া দলটোত মহিলা-শিশু উন্নয়ন বিভাগৰ সচিব পাৰ্থ প্ৰতিম মজুমদাৰ, মহিলা-শিশু উন্নয়নৰ সঞ্চালক বিভাষ মোদী, অতিৰিক্ত সঞ্চালক অভিজিৎ সিনহা, আৰু বিভাগৰ যুটীয়া সচিব গৌতম মজুমদাৰ প্ৰমুখ্যে অনান্য সদস্যসকল আছে। ইপিনে, মন্ত্ৰী নেওগে উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত যোৱা নিশা আয়োজিত এখন সভাত এই সন্দৰ্ভত গঠন কৰা ৰাজ্যিক পৰ্যায়ৰ দলৰ স'তে মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে জৰীপ কৰি দলটোৱে সংগ্ৰহ কৰা তথ্যসমূহ বিতংভাৱে পৰ্যালোচনা কৰাৰ লগতে পৰ্যালোচনা প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত উপস্থিত বিষয়াসকলক নিৰ্দেশনা দিয়ে। এই সন্দৰ্ভত শোণিতপুৰ জিলাৰ পৰা চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰতিবেদনত সন্তোষ প্ৰকাশ কৰে বিত্ত মন্ত্ৰীগৰাকীয়ে। সভাত মন্ত্ৰীগৰাকীয়ে মহিলা আৰু শিশু উন্নয়ন বিভাগৰ বিষয়াসকলক বিভাগটোৰ চলি থকা সকলো নিৰ্মাণ প্ৰকল্প সময় মতে সম্পূৰ্ণ কৰাৰ দিশত মনোনিৱেশ কৰাৰ লগতে মহিলা আৰু শিশু হিতাধিকাৰীসকলৰ বাবে পুষ্টিকৰ খাদ্যৰ যোগান সুনিশ্চিত কৰা আৰু এই সন্দৰ্ভত বিশেষ সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে এইবাৰ ১৩ পৃষ্ঠাত চাওক

## চেলেংহাটত তাই ভাষাৰ কৰ্মশালাৰ সামৰণি

**চেলেংহাট, ২৫ জুলাই ঃ** অসমত ৬০০ বছৰ ৰাজত্ব কৰা আহোম জনগোষ্ঠীৰ তাই ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যেৰে অনলাইন শিক্ষা গোট আৰু পূৰ্বাঞ্চল তাই সাহিত্য সভা যোৰহাট জিলা শাখাৰ উদ্যোগত তথা আহোম জাতীয় মহাসভা আৰু টেঙাবাৰী গাঁওবাসীৰ সহযোগত যোৰহাট জিলাৰ চেলেংহাট টেঙাবাৰী গাঁৱৰ ৰংগমঞ্চত ১৬ দিনীয়া তাই ভাষাৰ কৰ্মশালাৰ আজি সামৰণি পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৰ্মশালাৰ মূল্যায়ন কৰাৰ লগতে সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাত সভাপতিত্ব কৰে পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ যোৰহাট জিলা সভাপতি ইন্দ্ৰেশ্বৰ গগৈয়ে। অনুষ্ঠানত প্ৰশিক্ষক প্ৰদীপ গগৈ, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ জিলা সম্পাদক তৰুণ গগৈ, কেন্দ্ৰীয় উপ-সভাপতি চিনানন্দ গগৈ, আহোম জাতীয় মহাসভাৰ জিলা সম্পাদক সঞ্জীৱ ঢেকীয়াল ফুকন, সাংগঠনিক সম্পাদক অনুৰঞ্জন দুৱৰাৰ লগতে জিলা শাখাৰ বিভিন্নজন বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।



*অনুজ সাহিত্য-সংস্কৃতি গোষ্ঠীৰ বৰগীত প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীক মানপত্ৰ প্ৰদান, সোমবাৰে।*

# পুৰস্কাৰে মানুহক জীয়াই থকাৰ অনুপ্ৰেৰণা জগায়

### ৰাণীত 'স্বাক্ষৰ'ৰ সম্বৰ্ধনা অনুষ্ঠান সন্মান



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৫ জুলাই ঃ** ঐতিহাসিক ৰাণী অঞ্চলৰ একমাত্ৰ প্ৰতিভাসন্ধানী অনুষ্ঠান 'স্বাক্ষৰ'ৰ উদ্যোগত ৰাণী হাইস্কুলৰ প্ৰেক্ষাগৃহত কালি প্ৰতিবছৰৰ দৰে এইবেলিও কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা তথা মাহজোৰা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰাণী অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা কে'বাগৰাকী কৃতী শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱক-অভিভাৱিকাসকলক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। স্বাক্ষৰৰ সভাপতি ভাস্কৰজ্যোতি কলিতাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিতি থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক এডৱাৰ্ড ষ্টেডী এন চাংমা। সভাত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে নৱজ্যোতি আদৰ্শ বিদ্যামন্দিৰৰ অধ্যক্ষ তথা স্বাক্ষৰৰ উপদেষ্টা দ্বিজেন চন্দ্ৰ দাস, উপদেষ্টা অপূৰ্ব গোস্বামী, প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ গোবিন্দ বড়ো, স্বাক্ষৰৰ উপদেষ্টা তথা কবি চবিন চন্দ্ৰ নাথ, পবিত্ৰ কুমাৰ দাস, উপদেষ্টা পৰাগজ্যোতি দাস, বিমলজ্যোতি দাস, শংকৰ দাস, আনোৱাৰ হুছেইন, সুৰেন ঠাকুৰীয়া, ৰজনীকান্ত দাস, বিজয় ৰাভা, হিতেশ ৰাভা আদি। ভাষণ প্ৰসংগত জ্ঞানগৰ্ভ তথা সাৰুৱা ভাষণেৰে সমৱেত আটাইকে আপ্লুত কৰি মুখ্য অতিথি অধ্যাপক চাংমাই ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয় যে সন্মান আৰু পুৰস্কাৰে মানুহক জীয়াই থকাৰ অনুপ্ৰেৰণা দিয়ে। লগতে খ্যাতিহে মানুহক স্বীকৃতি প্ৰদান কৰে। জীৱনত আগবাঢ়ি যাবলৈ হ'লে মাৰ্গ দৰ্শন আৰু মাৰ্গ দৰ্শক হ'ব লাগিব। তেতিয়াহে জীৱনত সফল হ'ব পৰা যায়।

# অসম অনুসূচিত জাতি পৰিষদৰ আলোচনাচক্ৰ-অভিনন্দন অনুষ্ঠান সম্পন্ন

**তিতাবৰ, ২৫ জুলাই ঃ** অসম অনুসূচিত জাতি পৰিষদৰ তিতাবৰ জিলা সমিতিৰ উদ্যোগত ড° মনমোহন সিং ৰাজহুৱা প্ৰেক্ষাগৃহত ২৩ জুলাইত বৰ্ণাঢ্য কাৰ্যসূচীৰে আলোচনাচক্ৰ, কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন আৰু অন্তৰংগ আলাপ অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানত সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ জনগোষ্ঠীটোৰ প্ৰায় ২০০ গৰাকী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱাভাৱে বিপুল সম্বৰ্ধনা জনায়। অনুষ্ঠান উপলক্ষে পুৱা পতাকা উত্তোলন কৰে তিতাবৰ জিলা অনুসূচিত জাতি পৰিষদৰ সভাপতি অৰবিন্দ হাজৰিকাই। ড° বি আৰ আম্বেদকাৰ, ড° ভূপেন হাজৰিকা, সতী ৰাধিকাৰ প্ৰতিচ্ছবিত কৃতী শিক্ষক দেৱেশ্বৰ হাজৰিকা, বিধায়ক ভাস্কৰ জ্যোতি বৰুৱা, জাতি পৰিষদৰ তিতাবৰ জিলাৰ উপদেষ্টা লাহেশ্বৰ দাস, মহেশ হাজৰিকা, মাণিক আইচে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অভিজিৎ হাজৰিকা, দিব্যৰঞ্জন দাস, বিজিত দাসে আঁতধৰা অনুষ্ঠানতে ১৯৭৮ৰ অনুসূচিত জাতি-জনজাতি সংৰক্ষণ আইন, অসমত ইয়াৰ প্ৰয়োগ আৰু সুফল শীৰ্ষক বিষয়ত আলোচনাচক্ৰ আৰু অন্তৰংগ আলাপ অনুষ্ঠান সঞ্চালনা কৰে অৰবিন্দ হাজৰিকাই। উদ্বোধন কৰে পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক দিপাংকৰ হাজৰিকাই। অনুষ্ঠানত মুখ্য অতিথিৰূপে দেৰগাঁৱৰ বিধায়ক তথা জাতি পৰিষদৰ কেন্দ্ৰীয় সভাপতি ভবেন্দ্ৰ নাথ ভৰালী, তিতাবৰৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱাই অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অ'এনজিচি চিনামৰা মুখ্য মহা প্ৰবন্ধক তথা সৰ্বভাৰতীয় অনুসূচিত জাতি, জনজাতি কল্যাণ পৰিষদৰ সম্পাদক মুনীন্দ্ৰ নাথ দাস, ডিব্ৰুগড়ৰ সাহিত্যিক ড° হেমন্ত কুমাৰ দাস, সাংবাদিক শশাংক দত্ত, চৰাইদেউ জিলাৰ সমাজকৰ্মী গোবিন্দ মহাপুৰুষীয়া, এন এফ ৰেলৱেৰ বিষয়া ঘনকান্ত দাস, তপন বৈষ্ণৱ, মাজুলীৰ সমাজকৰ্মী জিতুল দাস, কৃতী শিক্ষক দেৱেশ্বৰ হাজৰিকা, সফল ব্যৱসায়ী তথা কৃতী ছাত্ৰ নীলোৎপল শইকীয়া, তিতাবৰ পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ প্ৰতিমা দাসে অংশগ্ৰহণ কৰে। সকলোকে আয়োজক অনুষ্ঠানে বিশেষ উপহাৰেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত সম্প্ৰীতি ৰাগিনী হাজৰিকা আৰু দীক্ষিতা হাজৰিকাই পৰিৱেশন কৰা গীতৰ কণ্ঠদানে উপস্থিত সকলোকে আপ্লুত কৰে।

# আগমনীৰ ঘাটত উদ্ধাৰ গংগাধৰ নৈত নয়ন আবেদিনৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**বক্সিৰহাট, ২৫ জুলাইঃ** ধুবুৰী জিলাৰ আগমনীৰ গংগাধৰ নৈত গা ধুবলৈ গৈ নিৰুদ্দিষ্ট হোৱা নয়ন আবেদিনৰ আজি মৃতহেদ স্থানীয় ৰাইজে উদ্ধাৰ কৰে আগমনীৰ গংগাধৰ নৈৰ ঘাটত। যোৱা ১৬ জুলাইত গংগাধৰ নৈত গা ধুবলৈ গৈছিল পাঁচগৰাকী স্কুলীয়া যুৱক। গা ধুবলৈ লওঁতে আটাইকেইজন যুৱক নৈৰ সোঁতত উটি গৈছিল। পাছত স্থানীয় ৰাইজে তিনিজন যুৱকক উদ্ধাৰ কৰিছিল। নয়ন আবেদিন আৰু ইমান আহমেদ সন্ধানহীন হৈ আছিল। ইয়াৰে এজনৰ মৃতদেহ বিন্নাছৰা ঘাটত ৰাইজে উৱলি যোৱা অৱস্থাত যোৱা ১৮ জুলাইত উদ্ধাৰ কৰে। আজি পুৱাৰ ভাগত একাংশ মহিলাই নৈৰ পাৰলৈ গৈ নৈৰ এটা চুকত কাউৰী উৰি থকা প্ৰত্যক্ষ কৰি একাংশ মানুহক অৱগত কৰে। ৰাইজে উপস্থিত হৈ মৃতদেহটো প্ৰত্যক্ষ কৰি আগমনী থানাত খবৰ দিয়ে। আগমনী আৰক্ষী ঘটনাস্থলীত গৈ মৃতদেহটো উদ্ধাৰ কৰাৰ পাছত পৰিয়ালৰ লোকে মৃতদেহটো নয়নৰ বুলি চিনাক্ত কৰে। দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰজন মেধাৱী হোৱাৰ উপৰি ফুটবল খেলুৱৈ আৰু ভাল গান গাইছিল। কিশোৰজন আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক সাজিদুল আবেদিন আৰু গোৱালপৰীয়া গীতৰ শিল্পী হামিদা সৰকাৰৰ পুত্ৰ আছিল। এই খবৰে সমগ্ৰ আগমনী অঞ্চলত শোকৰ ছাঁ পৰে।

# মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২৫ জুলাই ঃ** টীয়কৰ মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ৰ একবিংশতম প্ৰতিষ্ঠা দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মুদৈজান কমলাবাৰী শাখা সত্ৰৰ প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত পুৱা ৰেঙণি এটি আশাৰ সঞ্চালক বিজু শৰ্মাই বৃক্ষৰোপণ আৰু পৰিচালনা সমিতিৰ সভাপতি বিদ্যুৎ বিকাশ গগৈ আৰু কাৰ্যকৰী সভাপতি ডাঃ মহানন্দ নেওগে স্মৃতি তৰ্পণ কৰাৰ পাছতেই পতাকা উত্তোলন কৰে পৰিচালনা সমিতিৰ সভাপতি উপেন বৰা বুঢ়াভকতে। ঢেকীয়াখোৱা বৰনামঘৰৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ কলিতাই উদ্বোধন কৰা মুকলি সভাত মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ পদ্মশ্ৰী গোপীৰাম

### পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতলৈ সত্ৰজ্যোতি সন্মান প্ৰদান

বৰগায়ন বুঢ়াভকত সত্ৰজ্যোতিক সন্মান প্ৰদান কৰাৰ লগতে কে'বাটাও শৈক্ষিক ন্যাস বঁটা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা হয়। সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ ভূঞা আৰু প্ৰশিক্ষক যতীন্দ্ৰ মহন্তই আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক যাদৱ বৰা নিৰ্দিষ্ট বক্তা হিচাপে, সংগীত নাটক একাডেমী বঁটাপ্ৰাপক টংকেশ্বৰ হাজৰিকা বৰবায়ন, সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰশিক্ষক জনাৰ্দন ভূঞা বৰবায়ন, সাংবাদিক উৎপল বৰা, টীয়ক প্ৰেছ ক্লাবৰ সভাপতি প্ৰান্তনু দত্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইপিনে, সভাৰ মাজতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সত্ৰীয়া সংস্কৃতিৰ বিভিন্ন গীত-নৃত্য প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰি তোলে।

## গোলাঘাটৰ ঘিলাধাৰী চাহ বাগিচাত দুঘন্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ

**অগ্ৰদূত বাৰ্তা**


**ফৰকাটিং, ২৫ জুলাই ঃ** গোলাঘাট জিলা চাহ মজদুৰ সংঘৰ অন্তৰ্গত ঘিলাধাৰী চাহ মজদুৰ শাখা সংঘৰ উদ্যোগত আজি ঘিলাধাৰী বাগিচাৰ কল ঘৰৰ প্ৰাংগণত দুঘন্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা প্ৰায় সাত বজাত ৰূপায়িত ধৰ্মঘট কাৰ্যসূচীত সংঘৰ সম্পাদক বাবুল বাউৰীয়ে সহস্ৰাধিক শ্ৰমিকৰ মাজত ধৰ্মঘট কাৰ্যসূচীৰ প্ৰতিবেদন পাঠ কৰে। সংশ্লিষ্ট প্ৰতিবেদনত উল্লেখ থকা অনুসৰি মালিকপক্ষৰ বিৰুদ্ধে শ্ৰমিকৰ দীৰ্ঘদিনীয়া বিভিন্ন গুৰুত্বপূৰ্ণ অভাৱ-অভিযোগ আৰু উপ-শ্ৰমিকৰ বেতন সংশোধনৰ উপৰি ভ্ৰমণ ভাট্টা আদিৰ প্ৰতিবাদত এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়িত কৰে। উল্লেখ্য যে মালিকপক্ষই দীৰ্ঘদিন ধৰি খাঁটিখোৱা শ্ৰমিক-কৰ্মচাৰীসকলক বহু গুৰুত্বপূৰ্ণ সমস্যাৰ পৰিপ্ৰেক্ষিতত শোষণ-নিষ্পেষণ কৰি অহাৰ অভিযোগত এনে কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি মজদুৰ সংঘই সদৰী কৰিছে। উল্লেখ্য যে সংশ্লিষ্ট দাবী সম্বলিত এখন বৃহৎ দাবীপত্ৰ জিলা উপায়ুক্তলৈ প্ৰেৰণ কৰিছে ঘিলাধাৰী মজদুৰ সংঘই।

# চি বি এছ ইত ৯৭.৪০ শতাংশ নম্বৰেৰে তামাৰহাটলৈ গৌৰৱ কঢ়িয়াই আনিলে ৰূপক বৰ্মনে



**তামাৰহাট, ২৫ জুলাইঃ** সদ্যঘোষিত চি বি এছ ইৰ ফলাফলত দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত ৯৭.৪০ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সমগ্ৰ তামাৰহাট অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিলে ধুবুৰী জিলাৰ অন্তৰ্গত তামাৰহাটৰ সোণালুৰ ডাবৰী গাঁৱৰ ৰূপক বৰ্মনে। ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত সোণালুৰ ডাৱৰী গাঁৱৰ বাসিন্দা মলেন্দ্ৰ বৰ্মন আৰু ৰীণা বৰ্মনৰ পুত্ৰ তথা জৱাহৰ নৱোদয় বিদ্যালয়, আলমগঞ্জৰ ছাত্ৰ ৰূপক বৰ্মনে সদ্যঘোষিত চি বি এছ ইৰ দশম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত ইংৰাজীত ৯৭, সাধাৰণ গণিতত ১০০, অসমীয়া ৯১ সাধাৰণ বিজ্ঞানত ৯৯ আৰু সমাজ বিজ্ঞানত ১০০ নম্বৰসহ মুঠ ৪৮৭ নম্বৰ (৯৭.৪০ শতাংশ) লাভ কৰি বিদ্যালয়খনৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মেধাৱী শিক্ষাৰ্থী ৰূপক বৰ্মনৰ পিতৃ মলেন্দ্ৰ বৰ্মন আগমনী শিক্ষাখণ্ডৰ অধীনস্থ কাছাৰীগাঁও এম ই স্কুলত শিক্ষকতা কৰি আছে।

# বিহালীৰ বটিয়ামাৰীত নতুন সাহিত্য পৰিষদৰ গ্ৰন্থ উন্মোচনী



**অগ্ৰদূত বাৰ্তা**

**বিহালী, ২৫ জুলাই ঃ** অসমৰ অন্য এক সাহিত্যানুষ্ঠান নতুন সাহিত্য পৰিষদৰ পূব বিহালী শাখাৰ উদ্যোগত, বটিয়ামাৰী পঞ্চায়ত সভাগৃহত আজি এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। ১৩ পৃষ্ঠাত চাওক

## সাধাৰণ জাতি বিকাশ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ জুলাই ঃ** সাধাৰণ জাতি বিকাশ পৰিষদ, অসম নলবাৰী জিলা সমিতিৰ সাধাৰণ সভা এখন অহা ৩১ জুলাইত দিনজোৰা কাৰ্যসূচীৰে নলবাৰীস্থিত দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰীগুৰু ভৱনত যো-জা কৰা হৈছে সাধাৰণ জাতি বিকাশ পৰিষদ, নলবাৰী জিলা সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ শৰ্মা, সম্পাদক ধৰ্মেশ্বৰ পাটোৱাৰীয়ে। কাৰ্যসূচী অনুসৰি সিদিনাখন পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, প্ৰতিনিধি সভা। দিনৰ ১২ বজাত মুকলি সভাত সভাপতিত্ব কৰিব জিতেন্দ্ৰ নাথ শৰ্মাই। সভা উদ্বোধন কৰিব নলবাৰীৰ প্ৰাক্তন বিধায়ক তথা অধ্যক্ষ বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগম।

## পোৰাকুছিত উৎসৱ বিদ্যাৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ জুলাইঃ** নলবাৰীৰ পোৰাকুছিত অৱস্থিত পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত কাইলৈ পুৱা ন বজাৰ 'উৎসৱ বিদ্যাৰম্ভ' অনুষ্ঠিত হ'ব। অনুষ্ঠানত বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতিৰ সভাপতি সুভাষ বৰ্মন, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নৰেন শৰ্মা, ক্ৰীড়া সংগঠক দীপক কুমাৰ দাসকে ধৰি কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকিব। অনুষ্ঠানৰ লগত সংগতি ৰাখি সামূহিক বন্তি প্ৰজ্বলন, শপত বাক্য পাঠ, স্মৃতি তৰ্পণ, বিদ্যাৰম্ভ অনুষ্ঠান আদি কাৰ্যক্ৰম সম্পাদন কৰা হ'ব বুলি বিদ্যালয়খনৰ অধ্যক্ষই জানিবলৈ দিছে।

## টিহু অনুৰাধা ডেঞ্চ একাডেমীৰ নৃত্য প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৫ জুলাইঃ** অনুৰাধা ডেঞ্চ একাডেমী টিহুৰ উদ্যোগত সৰ্বেশ্বৰ দাস জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত ২২ জুলাইৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত আধুনিক নৃত্য কৰ্মশালাৰ অন্তত যোৱা নিশা প্ৰশিক্ষাৰ্থীসকলৰ মাজত এখন আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুৰাধা ডেঞ্চ একাডেমীৰ সঞ্চালক দীপক পাঠকে পৰিচালনা কৰাৰ লগতে ব্ৰজেন দাস আৰু সঞ্জীৱ মল্লিকে বিচাৰকৰ দায়িত্ব পালন কৰা প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰে সাগৰিকা দাসে, দ্বিতীয় স্থান লাভ কৰে চয়নিকা কলিতাই, তৃতীয় স্থান লাভ কৰে ধৃতিৰাজ কাশ্যপ আৰু ভৈৰৱী দাসে।

# মৰাণত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ২০২২ সামৰণি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৫ জুলাই ঃ** মৰাণ অঞ্চলৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ সপ্তদশ বৰ্ষপূৰ্তি উপলক্ষে যোৱা ২৩ আৰু ২৪ জুলাইত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ২০২২ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মৰাণৰ মিলিত শিল্পী সমাজৰ নাট্যমন্দিৰত অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ডেৰশৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি, ২৩ জুলাইত পুৱা উদ্‌যাপন সমিতিৰ সভাপতি তথা জোনাকী মেলৰ মুখ্য উদ্যোক্তা বাছা বৰাই পতাকা উত্তোলন কৰাৰ পাছতে ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ কৰে সংস্কৃতিৰ সাধক ড° অনিল শইকীয়াই। মৰাণৰ মহিলা মঞ্চ সুৰপিয়াসীৰ সদস্যসকলে পৰিৱেশন কৰা এটি ভূপেন্দ্ৰ সংগীতেৰে মঞ্চ উদ্বোধন কৰাৰ পাছতে প্ৰতিযোগিতা আৰম্ভ হয়। ২৪ জুলাইৰ পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতা সন্ধিয়া সামৰণি পৰে। সামৰণিৰ পাছতে একেটা মঞ্চতে পুৰস্কাৰ বিতৰণী সভা অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি বাছা বৰাই সভাপতিত্ব কৰা সভাৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সম্পাদক দ্বীজেন্দ্ৰ নাথ দত্তই। সভাত বিশিষ্ট অতিথিৰূপে ভাষণ আগবঢ়াই মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সংস্কৃতিক সাধক ড° অনিল শইকীয়া, বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰা, মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° যতীন চুতীয়াৰ লগতে বিচাৰক নাজিৰাৰ প্ৰবীণ মহন, ধেমাজিৰ ড° শংকৰ পাটোৱাৰী আৰু ডিব্ৰুগড়ৰ ড° পবিত্ৰ কুমাৰ পেগুৱে। প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হৈছিল। নিম্ন শাখা প্ৰথমৰ পৰা সপ্তম শ্ৰেণীলৈ আৰু উচ্চ শাখা অষ্টম শ্ৰেণীৰ পৰা মুকলি আছিল। বঁটাপ্ৰাপ্ত প্ৰতিযোগীসকলক নগদ ধনৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ ১০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ সাতহেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ পাঁচহেজাৰ টকা প্ৰদান কৰা হয়। নিম্ন শাখাত প্ৰথম পুৰস্কাৰ আঠহেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ পাঁচহেজাৰ টকা আৰু তৃতীয়া পুৰস্কাৰ পাঁচহেজাৰ টকা প্ৰদান কৰা হয়। নিম্ন শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে নাজিৰাৰ চয়নিকা বসুমতাৰীয়ে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে শিৱসাগৰৰ টেঙাপুখুৰীৰ সংস্কৃতি সোণোৱালে। তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হয় মৰাণৰ মেঘ হৰ্ষিতা চুতীয়াই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে মাকুমৰ পূজা বৰা আৰু আমগুৰিৰ আৰ্যনীল দুৱৰাই। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে শিৱসাগৰৰ ৰাজকুমাৰী ফাল্গুনী, দ্বিতীয় হয় মৰাণৰ প্ৰীতিষ্মা ডেকাৰজা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে মৰাণৰ প্ৰীয়ম বৰপাত্ৰ গোহাঁয়ে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে মৰাণৰ ষষ্ঠীতনয়া কলিতা আৰু কিৰণময়ী তামাঙে।

# বিশ্বনাথত অপায়-অমংগল নাশৰ বাবে স্থানীয় লোকৰ দ্বাৰা ভাগৱত পাঠ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৫ জুলাই ঃ** কালি বিশ্বনাথ নগৰৰ মধুপুৰ তিনিআলি অৰ্থাৎ বিশ্বনাথ চাৰিআলি ছোৱালীক হাইস্কুলৰ সন্মুখত মধুপুৰ তিনিআলি ব্যৱসায়ী সন্থা আৰু স্থানীয় ৰাইজৰ উদ্যোগত কালি এদিনীয়া কাৰ্যসূচীৰে ভাগৱত পাঠ আৰু ব্যাখ্যা কাৰ্যসূচী গ্ৰহণ কৰা হয়। উল্লেখ যে বিগত তিনি মাহৰ ভিতৰত কোনো অমংগলীয়া শক্তিৰ কোপদৃষ্টিত আমাৰ মধুপুৰ তিনিআলিৰ দুজনকৈ ব্যৱসায়ী আৰু লগতে এজন স্থানীয় যুৱকক আমি আকস্মিকভাৱে হেৰুৱাবলগীয়া হ'ল। তেনে অমংগলীয়া শক্তিয়ে যাতে অঞ্চলটোত পুনৰ কোনো অঘটন ঘটাব নোৱাৰে। আপায় অমংগলসমূহ নাশ কৰি সকলোৰে মংগল হোৱাৰ কামনাৰে কালি মধুপুৰ তিনিআলিত এক ভাগৱত পাঠ আৰু ব্যাখ্যা কাৰ্যসূচী গ্ৰহণ কৰা হয়। আয়োজক মণ্ডলীৰ হৈ সম্পাদক ভূটান শইকীয়াই কালি এই কথা জানিব দিয়ে। ইফালে, এই ভাগৱত পাঠ আৰু ব্যাখ্যা কাৰ্যসূচীত ভাগৱত পাঠ আৰু ব্যাখ্যাৰ বাবে আমন্ত্ৰণ কৰি অনা হয় সুদূৰ মঙলদৈৰ পৰা পুৰন্দৰ হাজৰিকাক। এই ভাগৱত পাঠ আৰু ব্যাখ্যা কাৰ্যসূচীত উক্ত স্থানৰ লোকসকলৰ লগতে মধুপুৰ, নবপুৰ অঞ্চলৰ আই মাতৃসকলেও অংশগ্ৰহণ কৰে।

# বৰহোলাৰ ইকৰাণিত চকু পৰীক্ষা, চশমা প্ৰদান শিবিৰ

### ■ প্ৰায় শতাধিক লোকৰ চকু পৰীক্ষা



**বিশেষ সংবাদদাতা**

**নগাবাট, ২৫ জুলাই ঃ** তিতাবৰ মহকুমাৰ বৰহোলাৰ ইকৰাণিত অনুষ্ঠিত হয় এক চকু পৰীক্ষা আৰু চশমা প্ৰদান শিবিৰ। ইকৰাণি আঞ্চলিক চুতীয়া জাতি যুৱ সন্মিলনৰ আহ্বানত ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ উদ্যোগত ইকৰাণি পঞ্চায়ত কাৰ্যালয়ত অনুষ্ঠিত শিবিৰটোত অঞ্চলটোৰ প্ৰায় শতাধিক লোকৰ চকু পৰীক্ষা কৰি চশমা প্ৰদান কৰে। সেয়ে পুৱা শিবিৰটোৰ ফিটা কাটি উদ্বোধন কৰে সমাজকৰ্মী মুকুট বৰাই। ইকৰাণি আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ সভাপতি দিলীপ বৰাই আঁত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক সমাজকৰ্মী হেমেন শইকীয়া, দ্বীপেন বৰাই বন্তি প্ৰজ্বলন কৰা উদ্বোধনী অনুষ্ঠানত সন্মানীয় অতিথিৰূপে চুতীয়া জাতি যুৱ সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদক যদুমণি চুতীয়া, বৰহোলা সাংবাদিক সন্থাৰ সম্পাদক অজয় শইকীয়া, মাধপুৰ পঞ্চায়তৰ সভানেত্ৰী প্ৰিয়ংকা ফুকন, সমাজকৰ্মী গুণিতা শইকীয়া আদি উপস্থিত থাকে। কাৰ্যসূচীত তিতাবৰ জিলা চুতীয়া জাতি যুৱ সন্মিলনৰ সাংস্কৃতিক সম্পাদক যদুমণি বৰা, ইকৰাণি আঞ্চলিকৰ উপদেষ্টা দুৰ্গেশ্বৰ বৰা, সম্পাদক বিদ্যুৎ বিকাশ বৰা, বিত্ত সম্পাদক বিজয় কুমাৰ বৰা, প্ৰতীম বৰা, মাধুৰ্য বৰা, প্ৰশান্ত বৰা আদি উপস্থিত থাকি সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে আৰ্থিক নাটনিৰ বাবে চকু পৰীক্ষাৰ পৰা বঞ্চিত হোৱা অঞ্চলটোৰ বহুসংখ্যক লোক শিবিৰটোৰ জৰিয়তে যথেষ্ট উপকৃত হৈছে বুলি জানিব পৰা গৈছে।

# অনিৰ্বাণ সাংস্কৃতিক গোষ্ঠীৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

### ■ পদ্মৰাগ জয়ন্তী ন্যাস বঁটা প্ৰদান আৰু স্মাৰকগ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২৫ জুলাই ঃ** যোৰহাট জিলাৰ টীয়কৰ অন্যতম সামাজিক সাংস্কৃতিক অনুষ্ঠান অনিৰ্বাণ সাংস্কৃতিক গোষ্ঠীৰ অলপতে ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন আৰু গোষ্ঠীৰ পৰিচালিত ন্যাস বঁটাসমূহ প্ৰদান কৰা হয়। অনুষ্ঠানৰ প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ নাথ দুৱৰালৈ মৰণোত্তৰভাৱে 'সত্যসন্ধ' উপাধি প্ৰদান আৰু 'কোল্লোলিত-কৈশোৰ' নামেৰে তেওঁৰ স্মাৰক গ্ৰন্থখন উন্মোচন কৰা হয়। অনিৰ্বাণ সাংস্কৃতিক গোষ্ঠীৰ সভাপতি ৰমেন শৰ্মাৰ সভাপতিত্বত সুধাকণ্ঠ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত স্মাৰকগ্ৰন্থ উন্মোচন কৰে নাট্যকাৰ সপোনজ্যোতি ঠাকুৰে। সভাত উপস্থিতসকলৰ ভিতৰত টীয়ক জাতীয় বিদ্যালয়ৰ সঞ্চালক প্ৰদীপ চুতীয়াই ন্যাসৰ ভেটি সবল হোৱাত সহায় হোৱাকৈ বহু কেইখন গ্ৰন্থ ক্ৰয় কৰি ন্যাসলৈ এটা শকত বৰঙণি আগবঢ়ায়। আনহাতে, সাংস্কৃতিক গোষ্ঠীটোৰ প্ৰতিষ্ঠাৰ ৪০ বছৰ উপলক্ষে 'পদ্মৰাগ জয়ন্তী বৰ্ষ' ঘোষণা কৰি বিশিষ্ট শিল্পী, নাট্যকাৰ দেৱব্ৰত মহন্তই এখন ৪০ দফীয়া বাৰ্ষিক কৰ্মসূচী ঘোষণা কৰে। সভাত প্ৰয়াত ৰবীন্দ্ৰ নাথ দুৱৰালৈ মৰণোত্তৰভাৱে আগবঢ়োৱা 'সত্যসন্ধ' উপাধিৰ স্মাৰক গ্ৰহণ কৰে তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ সুৰেন দুৱৰাই। অনুষ্ঠান দীৰ্ঘদিন ধৰি পৰিচালনা কৰি অহা ন্যাস বঁটাসমূহৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত টীয়কৰ কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শ্বেহনাজ অনজুম য়াচমিন, শিক্ষক প্ৰাণ তৰুণ চন্দ্ৰ চাংকাকতি আৰু শিক্ষকবন্ধু কমল দুৱৰা সোঁৱৰণী ন্যাস প্ৰাথমিক বৃত্তি পৰীক্ষাত যোৰহাট জিলা ভিত্তিত চতুৰ্থ স্থানপ্ৰাপ্ত ডিম্পল দোলাকাষৰীয়ালৈ আগবঢ়োৱা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ আৰু এই পৰীক্ষাত সাধাৰণ গণিতত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শ্বেহনাজ অনজুম য়াচমিন ক্ৰমে দেৱজ্যোতি হাজৰিকা সোঁৱৰণী বঁটা আৰু গৌৰী বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত বুৰঞ্জী বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত পৰিষ্মা পেগুলৈ ড° যতীন কোঁৱৰে আগবঢ়োৱা বঁটা আৰু একেটা পৰীক্ষাতে ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শ্বেহনাজ অনজুম য়াচমিনলৈ প্ৰশান্ত গোস্বামীয়ে আগবঢ়োৱা বঁটা প্ৰদান কৰা হয়। সভাত প্ৰাক্তন অধ্যাপক খগেন ফুকন, ন্যাসৰ সভাপতি ড° অনন্ত তামুলী, দেৱমাল্য বৰুৱা ন্যাসৰ দাতা বিনন্দ বৰুৱা, দেৱজ্যোতি হাজৰিকা ন্যাসৰ দাতা উৰ্মিমালা হাজৰিকা আৰু গৌৰী বৰুৱা সোঁৱৰণী ন্যাসৰ দাতা মাখনি বৰুৱাকে আদি কৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে।






### শ্ৰমিকৰ মজুৰি বৃদ্ধি আৰু কৰ্মচাৰীৰ বেতন বৃদ্ধিৰ দাবীৰে স্মাৰকপত্ৰ প্ৰদান

# ৰাষ্ট্ৰপতিৰ শপতগ্ৰহণৰ দিনাই বাগিচাত শ্ৰমিকৰ প্ৰতিবাদ

**তিতাবৰ, ২৫ জুলাই ঃ** এগৰাকী আদিবাসী মহিলাই দেশৰ সৰ্বোচ্চ পদবী ৰাষ্ট্ৰপতিৰ আসনৰ শপতগ্ৰহণ কৰাৰ ঐতিহাসিক দিনটোতেই চাহ জনগোষ্ঠীৰ শ্ৰমিক-বনুৱাসকলে নিজৰ প্ৰাপ্য অধিকাৰৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি তিতাবৰ মহকুমাৰ অন্তৰ্গত বিভিন্ন চাহ বাগিচাত আজি পুৱাৰ ভাগতে চাহ শ্ৰমিকসকলে দুঘন্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। চাহ মজদুৰ সংঘৰ তিতাবৰ শাখাৰ অধীনস্থ মহকুমাটোৰ ৩৭ খন চাহ বাগিচাৰ শাখা সংঘৰ অন্তৰ্ভুক্ত শ্ৰমিক আৰু বাগিচা উপ-কৰ্মচাৰী সন্থাৰ বিষয়ববীয়া তথা কৰ্মচাৰীসকলে ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বোকাহোলা চাহ কোম্পানীৰ অধীনস্থ তিতাবৰৰ মেজেঙানি চাহ বাগিচাতো তিতাবৰ চাহ মজদুৰ সংঘৰ সম্পাদক নগেন কুৰ্মীৰ নেতৃত্বত শতাধিক চাহ শ্ৰমিকে পুৱা সাত বজাৰ পৰা ন বজালৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি বাগিচা চৌহদ উত্তাল কৰি তোলে। বিজেপি চৰকাৰ শাসনলৈ আহিলেই অসমৰ চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৩৫০ টকালৈ বৃদ্ধি কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু ৰাজ্যত ইতিমধ্যে বিজেপি চৰকাৰে দুজনকৈ মুখ্যমন্ত্ৰীৰ নেতৃত্বত ছটা বছৰ অতিক্ৰম কৰিলে, কিন্তু চাহ শ্ৰমিকক দিয়া এটা প্ৰতিশ্ৰুতিও পালন নকৰিলে। অত্যাৱশ্যকীয় সামগ্ৰীত জিএছটি আৰোপ কৰি বয়বস্তুৰ দৈনিক মূল্যবৃদ্ধি ঘটাই আহিছে যদিও শ্ৰমিকৰ ন্যূনতম স্বাৰ্থ পূৰণত চৰকাৰখনে তিলমানো গুৰুত্ব আৰোপ কৰা নাই। চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰাতো শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া দাবী যদিও আজিকোপতি ৰাজ্য চৰকাৰ তথা বাগিচা কৰ্তৃপক্ষই বিষয়টোত ৰহস্যজনক মৌনতা



অৱলম্বন কৰি আহিছে। নিৰ্বাচন আহিলেই চৰকাৰী পক্ষই শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰিব বুলি শ্ৰমিকৰ ভোটভিক্ষা কৰে, কিন্তু শাসনৰ গাদীত বহাৰ লগে লগেই সকলো পাহৰি যায়। চৰকাৰী পক্ষৰ অনীহাৰ বাবেই পুঁজিপতি মালিক গোষ্ঠীয়ে শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবীটোক আজিলৈকে ন্যায্যতা প্ৰদান নকৰিলে। চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ প্ৰসংগত অসম চাহ মজদুৰ সংঘ, বাগিচাৰ মালিকপক্ষ আৰু ৰাজ্য চৰকাৰৰ লগত কে'বালানি আলোচনা ইতিমধ্যে সমাপ্ত হৈছে। প্ৰতিবাদ আলোচনা কালত চৰকাৰী পক্ষই গুৰুত্ব সহকাৰে গ্ৰহণ কৰে যদিও পৰৱৰ্তী সময়ত বিষয়টোক লৈ চৰকাৰ তথা মালিকপক্ষই কোনো সদিচ্ছা প্ৰকাশ নকৰে। দৌপদ্ৰী মুৰ্মুৰ দৰে এগৰাকী চাহ জনগোষ্ঠীৰ মহিলাক ৰাষ্ট্ৰপতিৰ আসনত অধিষ্ঠিত কৰাৰ বাবে চৰকাৰক ধন্যবাদ জনোৱাৰ লগতে মুৰ্মুৰ কাৰ্যকালতে শ্ৰমিকৰ মজুৰি বৃদ্ধি, জনজাতিকৰণ আৰু ভূমিপট্টা প্ৰদান বিষয়টোও নিষ্পত্তি কৰি বিজেপি চৰকাৰক নিজৰ সদিচ্ছা দেখুৱাবলৈ দাবী উত্থাপন কৰে। একে সময়তে বাগিচাসমূহত অস্থায়ীভাৱে ঠিকাভিত্তিক পাতছিঙা কামত নিয়োজিত শ্ৰমিকসকলৰ পাতৰ মূল্যবৃদ্ধি কৰা, উপ-কৰ্মচাৰীসকলৰ ভ্ৰমণ বানচ ১০ হেজাৰ টকালৈ বৃদ্ধি কৰা, বাগিচাত কৰ্মৰত উপ-কৰ্মচাৰীসকলৰ বেতন বৃদ্ধি কৰা, শ্ৰমিক আইন অনুসৰি কৰ্মৰত শ্ৰমিকসকলক সকলো সা-সুবিধা প্ৰদান কৰাৰ লগতে কে'বাটাও দাবী সম্বলিত একোখনকৈ স্মাৰকপত্ৰ প্ৰতিখন চাহ বাগিচাৰ পৰিচালকৰ হাতত অৰ্পণ কৰে।

## সমাজত মহিলাসকলৰ দায়িত্ব অপৰিসীম

### থমনাত ৰাভা সাহিত্য সভাৰ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৫ জুলাই ঃ** নিখিল ৰাভা সাহিত্য সভাৰ বাগ্‌সা জিলা সমিতি আৰু টটলাপাৰা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আজি টটলাপাৰা কলীয়া ঠাকুৰ গোসাঁইঘৰ প্ৰাংগণত এখন বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। নিখিল ৰাভা সাহিত্য সভাৰ বাগ্‌সা জিলাৰ সভাপতি ধনবৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত ২০২২ৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ১৩ জন ছাত্ৰ-ছাত্ৰী, হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ১০ জন ছাত্ৰ-ছাত্ৰীৰ লগতে গাঁওখনৰ উচ্চ শিক্ষাৰ ডিগ্ৰীধাৰী লোকসকলক ৰাজহুৱাভাৱে অভিনন্দন জনায়। ৰাভা সাহিত্য সভাৰ উপৰি স্থানীয় টটলাপাৰা গাঁও উন্নয়ন সমিতিয়েও কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনায়। অনুষ্ঠানত অসম চৰকাৰৰ এআৰআইএছ ছ'চাইটিৰ অধ্যাপক ড° হেমন্ত ৰাভাই অংশ লৈ কয় যে সমাজত মহিলাসকলৰ দায়িত্ব অপৰিসীম। পুৰুষসকল বিভিন্ন কামত নিয়োজিত হৈ থকাৰ সময়ত ঘৰ তথা পৰিয়ালটো সুন্দৰকৈ পৰিচালনা কৰাত মহিলাসকলেই আগভাগ লয়। নিজৰ ল'ৰা-ছোৱালীক মাতৃসকলে অধিখ সময় দি সকলো দিশ বুজে। গতিকে ভৱিষ্যতৰ মাতৃ তথা বৰ্তমানৰ ছাত্ৰীসকলে শিক্ষা-দীক্ষাৰে অধিক পুষ্ট হ'লেহে সঠিকভাৱে পৰিয়াল চলাব পাৰিব। নগাঁও বিবিকে কলেজৰ সহকাৰী অধ্যাপক ড° ভূপেন ৰাভাই সভাত অংশ লৈ কয় যে আমি প্ৰত্যেকে প্ৰথমে মানুহ হৈ সমাজত থিয় হ'ব শিকিব লাগে। আমি উচ্চ ডিগ্ৰীধাৰী হ'লেও মানৱীয়তাৰ গুণ হেৰুৱাব নালাগে। টকা সৰ্বস্ব পৰিয়ালে আমাক ইজনৰ পৰা আনজনৰ মাজৰ দূৰত্ব বৃদ্ধি কৰিছে। ই অশুভ পৰম্পৰা। বাগ্‌সা জিলা কৃষি বিষয়া দুলাল দাসে উদ্বোধন কৰা এই অভিনন্দন অনুষ্ঠানত নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তুলসী মানস ৰাভা, বাগ্‌সা জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ নাথ ৰাভা আদিয়ে অংশ লয়।

## ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সাধাৰণ সভা সম্পন্ন 'মহাশ্বেতা' উন্মোচন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৫ জুলাই ঃ** ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সাধাৰণ সভা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় জিলাৰ কাৰ্যকৰী সভাপতি মধুমিতা দত্তৰ সভাপতিত্বত তথা জিলা সম্পাদক অনিতা গগৈয়ে আঁতধৰা অনুষ্ঠানত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট চিকিৎসক ডিব্ৰুগড় চিভিল হাস্পতালৰ ইনচাৰ্জ ডাঃ উৎপলা বৰুৱা, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে শিক্ষক, কবি তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক জয়ন্তজিত বৰুৱা। মানৱী দাসৰ দীপস্তুতি পৰিৱেশনেৰে আৰম্ভ হোৱা সভাখনত ডিব্ৰুগড় জিলা লেখিকা সমাজৰ পত্ৰিকা 'মহাশ্বেতা' উন্মোচন কৰা হয়। আনহাতে, শিশু শিতানৰ লৰিয়লি বসন্তোৎসৱ প্ৰতিযোগিতাৰ পুৰস্কাৰ আৰু লেখিকা সমাজে আয়োজন কৰা নাট কৰ্মশালাৰ চাৰ্টিফিকেটছসমূহ মুকলি সভাতে উপস্থিত থকা বিশিষ্ট অতিথিসকলৰ দ্বাৰা প্ৰদান কৰা হয়। আনহাতে কাৰ্যসূচীৰ লগত সংগতি ৰাখি বিবিজান দত্তই আঁতধৰা কবিতা পাঠৰ অনুষ্ঠান সম্পন্ন হয়। ডিব্ৰুগড়ৰ শ্ৰীভাৰতী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা বন্দনা মহন্তৰ সঞ্চালনাত অনুষ্ঠিত কবিতা অনুষ্ঠানত ডিব্ৰুগড়, চাবুৱা, তিনিচুকীয়া, দুলীয়াজান আদি ভিন্ন প্ৰান্তৰৰ প্ৰায় ২৫ জনৰো অধিক কবিয়ে কবিতা পাঠ কৰে। সভাত জিলা সমাজৰ লাহোৱাল আঞ্চলিক, ডিব্ৰুগড় আঞ্চলিকৰ বিষয়ববীয়াসকলৰ লগতে উপস্থিত থাকে জিলা সমাজৰ মামণি শৰ্মা, মিনাক্ষী দাস বৰুৱা, ভাৰতী বৰুৱা, অদিতি কোঁৱৰ, ৰূপামণি গগৈ, নিভা বৰা বৰুৱা, সুস্মিতা চৌধুৰী, নিভা বৰচেতিয়া, ফুকন কনকচম্পা বুঢ়াগোহাঁই, হীৰুমা শইকীয়া, জোনটি বৰা গগৈ, বৰ্ণালী পাটগিৰি আদি জিলা সমাজৰ বিষয়ববীয়াসকল। আনহাতে, নৃত্যাংগনা সঞ্জনা বৰদলৈ, চন্দনা শৰ্মাৰ ভায়লীন বাদন, অভিকা গগৈ, দীক্ষিতা গগৈৰ নৃত্য পৰিৱেশনৰ উপৰি লৰিয়লিসকলৰ গীত-মাতেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অসম লেখিকা সমাজৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে, উপ-সমিতি গঠন কৰাৰ লগতে সংগঠন শক্তিশালী কৰা সন্দৰ্ভতো আলোচনা কৰা হয়।

## ছয়গাঁৱত গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত প্ৰাতঃভ্ৰমণলৈ যোৱা চিকিৎসা কৰ্মী

### গাড়ীৰে হত্যাৰ চেষ্টা চলোৱা বুলি অভিযোগ

**ছয়গাঁও, ২৫ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত ঢেকেনাবড়ী নৰপূৰ গাঁৱৰ বাসিন্দা তথা চিকিৎসা কৰ্মী ৰমেশ দাসক আজি এজন যুৱকে হত্যাৰ চেষ্টাৰ চলোৱা বুলি অভিযোগ উত্থাপন কৰি তেওঁৰ বিৰুদ্ধে ছয়গাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। তথ্য মতে এ এছ-০১, ই ডব্লিউ-০৩৮৪ নম্বৰ টাটা নেক্সো গাড়ী এখনেৰে দলৈপাৰা গাঁৱৰ নিৰঞ্জন দাসে ছয়গাঁৱত ৰমেশ দাসক দেখা পায় পিছফালৰ পৰা তীব্ৰ জোৰে খুন্দা মাৰে। যাৰ ফলত বহু দূৰলৈ ৰমেশ ছিটিকি যোৱাৰ লগতে বাঁওভৰিৰ আঙুলি সম্পূৰ্ণৰূপে ছিঙি যায়। ঘটনাৰ খবৰ পোৱা মাত্ৰকে দাসৰ পৰিয়াল আৰু বন্ধুবৰ্গ আহি চিকিৎসাৰ বাবে ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও আঘাত গুৰুতৰ দেখি ততাতৈয়াকৈ গুৱাহাটীলৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। ইয়াৰ পূৰ্বে ৰমেশে নিৰঞ্জনৰ বিৰুদ্ধে ছয়গাঁও থানাত এজাহাৰ দাখিল কৰে। তথ্য মতে, প্ৰতিদিনে ৰমেশে প্ৰাতঃভ্ৰমণ কৰি ছয়গাঁৱলৈ যোগ অভ্যাসৰ বাবে আহে। এজাহাৰত উল্লেখ কৰা অনুসৰি যোৱা বছৰ এখন বিয়াৰ দৰা বৰণত তীব্ৰ জোৰে গাড়ী সুমুৱাই দিয়াক কেন্দ্ৰ কৰি দুয়োৰে তৰ্ক-বিতৰ্ক হয় আৰু তেতিয়াই ৰমেশে নিৰঞ্জনক ধমকি দিছিল। তেতিয়াই নিৰঞ্জনে ৰমেশক চাই ল'ম বুলি কৈছিল। অৱশ্যে প্ৰকৃত ঘটনা কি সেয়া আৰক্ষীৰ তদন্তৰ পাছতহে ওলাই পৰিব।

## বিশ্ব দৰবাৰত অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ-প্ৰসাৰৰ লক্ষ্য মাহাতোৰ

### ভাৰতীয় সেনাৰ জীৱন পৰিক্ৰমাৰ ওপৰত সাংবাদিক পংকজ মাহাতোৰ এহেজাৰ এশ শাৰীৰ দেশপ্ৰেমমূলক কবিতা

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২৫ জুলাই ঃ** বিশ্ব দৰবাৰত অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্য আগত ৰাখি গোৱালপাৰা জিলাৰ ধূপধৰাৰ যুৱ সাংবাদিক পংকজ মাহাতোয়ে এটাৰ পাছত এটাকৈ অসমীয়া ভাষাত দীঘলীয়া কবিতা লিখি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ নাম উজলাই থকাৰ মাজতে পুনৰবাৰ লিখি উলিয়ালে আন এটি দীঘলীয়া কবিতা। দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ লগতে দেশৰ আভ্যন্তৰীণ সংকটৰ সময়ত সংকট মোচনৰ ভূমিকা পালন কৰা ভাৰতীয় সেনাৰ দেশপ্ৰেমৰ আধাৰত সাংবাদিক মাহাতোয়ে লিখি উলিয়ালে এহেজাৰ এশ শাৰী 'সংকটৰ আচ্ছাদনত অপৰাজেয় যোদ্ধা' শীৰ্ষক দেশপ্ৰেমমূলক কবিতাটি। এই সম্পৰ্কে সাংবাদিকজনে জানিবলৈ দি কয় যে প্ৰতিবেশী ৰাষ্ট্ৰসমূহৰ ভাৰত বিৰোধী কাৰুকাৰ্য ৰক্ষাৰ বাবে ভাৰতীয় তিনিটা বিভাগৰ সেনাই চৰম ত্যাগ কৰিবলগীয়া হয়। দেশ সেৱাৰ অপাৰ স্পৃহাৰ বাবেই পৰিয়ালৰ মোহ-মায়া ত্যাগ কৰি পাহাৰে-ভৈয়ামে বিচৰণ কৰি দেশৰ অভেদ্য সুৰক্ষা কৱচ হিচাপে জাগ্ৰত প্ৰহৰী হৈ আছে। প্ৰখৰ ৰ'দ, প্ৰচণ্ড ঠাণ্ডা বতাহ-বৰষুণ একাকাৰ কৰি যিকোনো পৰিস্থিতিতে দেশৰ সুৰক্ষাৰ বাবে প্ৰস্তুত হৈ থাকে। দেশৰ সুৰক্ষাৰ বাবে ভাৰতীয় সেনাই এইদৰে চৰম ত্যাগ, অসীম দেশপ্ৰেম, স্বাভাৱিকতে গভীৰ চৰ্চাৰ বিষয় বুলি গণ্য কৰিয়েই সাংবাদিকজনে এই কবিতাটি লিখিছে বুলি জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে সেনাৰ বিষয়টো যিহেতু এক আন্তৰ্জাতিক বিষয় সেইবাবেই সাংবাদিকজনে অসমীয়া ভাষাত কবিতাটি লিখি অসমীয়া ভাষা-সাহিত্যক বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসৰ কথা জানিবলৈ দিয়ে। উল্লেখ্য যে ইয়াৰ পূৰ্বে সাংবাদিক মাহাতোয়ে দেশৰ স্বাধীনতা সংগ্ৰামী দেশপ্ৰেমৰ আধাৰত ২০১৪ত ২৬১২ শাৰীৰ দীঘলীয়া কবিতা লিখি লিমকা বুক অৱ ৰেকৰ্ডছ, ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ, ইণ্ডিয়ান এছিভাৰ বুক অৱ ৰেকৰ্ডছ, এছিয়া বুক অৱ ৰেকৰ্ডছৰ পৰা বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেনাৰ দেশপ্ৰেমৰ আধাৰত লিখা 'সংকটৰ আচ্ছাদনত অপৰাজেয় যোদ্ধা' শীৰ্ষক কবিতাটি দেশৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি গুৱাহাটীত উন্মোচন কৰা হ'ব বুলি সাংবাদিকজনে জানিবলৈ দিয়ে। ইতিমধ্যে এই দীঘলীয়া কবিতাটি কাব্যগ্ৰন্থ হিচাপে ছপা কৰাৰ কাম সমাপন হোৱা বুলি জনায় মাহাতোয়ে।

## ডিফেঞ্চ ফ'ৰ্চ প্ৰপাৰেটৰী একাডেমীৰ যুৱক-যুৱতীক শাৰীৰিক প্ৰশিক্ষণ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ জুলাইঃ** ডিফেঞ্চ ফ'ৰ্চ প্ৰপাৰেটৰী একাডেমীৰ উদ্যোগত বিশ্বনাথৰ গলিয়াৰ আৰ্ৰত ভৱনৰ সমীপৰ বাকৰিত কালিৰ পৰা যুৱক-যুৱতীক শাৰীৰিকভাৱে প্ৰস্তুত কৰিবলৈ পাঁচদিনীয়া বিনামূলীয়া প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। এই প্ৰশিক্ষণ হ'ল ঋণাত্মক চিন্তাৰ পৰা আঁতৰি যুৱ সমাজক সঠিক পথ দেখুওৱা সপোনেৰে আৰম্ভ কৰা এক অভিযান বুলি অভিহিত কৰা উদ্যোক্তাসকলে। কেন্দ্ৰীয় চৰকাৰৰ অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হিচাপে সেনা বাহিনীত মকৰল হ'বলৈ যি দৈহিক আৰু মানসিক প্ৰস্তুতিৰ আৱশ্যক, সেই ধৰণৰ ব্যৱহাৰিক প্ৰশিক্ষণ দি ডেকাচামক অগ্নীবীৰৰূপে প্ৰস্তুত কৰিবলৈ 'ডিফেন্স ফ'ৰ্চ প্ৰিপাৰেটৰী একাডেমী'-এ আজিৰ পৰা এই পাঁচদিনীয়া প্ৰশিক্ষণ কৰ্মশালা আৰম্ভ কৰিছে বুলি সদৰী কৰিছে। কালিৰ এই প্ৰশিক্ষণ কৰ্মশালাৰ আৰম্ভ কৰে বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে আৰু বিধায়কজনক সহযোগিতা আগবঢ়াই বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। কালিৰ অনুষ্ঠানত বিশ্বনাথৰ বিভিন্ন অঞ্চলৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকি উদ্যোক্তাসকলৰ শলাগ লয়। ইফালে, এই কৰ্মশালত বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক যুৱক-যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে। ইতিমধ্যে এই প্ৰশিক্ষণৰ দ্বাৰা যুৱকসকলৰ ভৱিষ্যৎ নিৰ্মাণ হ'ব বুলিও বিধায়ক বৰঠাকুৰে আশা প্ৰকাশ কৰে।

## ২৮ জুলাইত নলবাৰী নাট্য মন্দিৰত ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৫ জুলাই ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত অহা ২৮ জুলাইত নাট্য মন্দিৰত নলবাৰী বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে এইবাৰ নলবাৰী জিলাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯০ শতাংশ ঊৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰী, উচ্চতৰ মাধ্যমিক (কলা, বিজ্ঞান, বাণিজ্য) চূড়ান্ত পৰীক্ষাৰ ৮৫ শতাংশ ঊৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হ'ব। তদুপৰি কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হ'ব। বিশেষ অভিনন্দন অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মা, জিলা উপায়ুক্ত গীতিমনি ফুকন আৰু জিলা আৰক্ষী অধীক্ষক পবিন্দ্ৰ কুমাৰ নাথ অতিথিৰূপে অংশগ্ৰহণ কৰিব। পুৱা ১১বজাত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত নলবাৰী জিলাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ২৫০গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা (কলা, বিজ্ঞান, বাণিজ্য শাখা)ৰ ১১০ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে কীৰ্তিমানসকলে অধ্যয়ন কৰা প্ৰায় সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত প্ৰথম তিনিগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক শিক্ষাবিদ, মুক্তি যুঁজাৰু, প্ৰয়াত বিপিন চন্দ্ৰ শৈক্ষিক ন্যাসৰ তৰফৰ পৰা বিপিন চন্দ্ৰ শৰ্মা সোঁৱৰণী বিশেষবঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত কৃতীমান ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু, অভিভাৱক অভিভাৱিকা আৰু ৰাইজৰ উপস্থিতি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, শিক্ষা সম্পাদক চন্দন বেজবৰুৱা আৰু সাধাৰণ সম্পাদক অক্ষয় ডেকা, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন আৰু সাধাৰণ সম্পাদক নৰ ডেকাই আন্তৰিকতাৰে কামনা কৰিছে।

## বিশ্বনাথত মূৰ্ছনাৰ কণ কণ শিশুৱে মঞ্চস্থ কৰা নাটক 'সপোনৰ সেউজীয়া হাঁহি'

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ জুলাই ঃ** বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মূৰ্ছনাৰ উদ্যোগত আজি অনুষ্ঠিত কৰা হ'ল কণ কণ শিশুসকলৰ দ্বাৰা অভিনিত গ্ৰীষ্মকালীন নাট সপোনৰ সেউজীয়া হাঁহি। দৰাচলতে বিশ্বনাথ চাৰিআলি নগৰৰ কমাৰ্চ কলেজৰ সমীপত থকা মূৰ্ছনাৰ প্ৰেক্ষাগৃহত কিছুদিনৰ পৰা কণ কণ শিশুসকলৰ বাবে অনুষ্ঠিত কৰা হৈছিল গ্ৰীষ্মকালীন শিশু নাট অভিনয় কৰ্মশালা। মূৰ্ছনাৰ এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে এই কণ কণ শিশুসকলক লৈ অজি আৰু অহা কাইলৈ অৰ্থাৎ দেওবাৰে দুদিনীয়া কাৰ্যসূচীৰে এখন পূৰ্ণাংগ নাট মঞ্চস্থ কৰা হ'ব। মূৰ্ছনাই প্ৰতি বছৰে গৰম বন্ধত বিভিন্ন স্থানৰ শিশুসকলক গ্ৰীষ্মকালীন নাট প্ৰশিক্ষণ প্ৰদান কৰি আহিছে যদিও এইবাৰ মূৰ্ছনাৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিছে। ইতিমধ্যে মূৰ্ছনাৰ এই নাট প্ৰশিক্ষণ কৰ্মশালা কালি সমাপ্ত কৰি আজি প্ৰথম নিশাৰ নাট মঞ্চস্থ কৰা সপোনৰ সেউজীয়া হাঁহি নামৰ এখন পূৰ্ণাংগ নাট। বিশ্বনাথৰ বিভিন্ন অঞ্চলৰ প্ৰায় ৩৫ গৰাকীতকৈ অধিক কণ কণ শিশুৱে অভিনয় কৰে নাটকত। এই কৰ্মশালাৰ মুখ্য প্ৰশিক্ষকৰূপে আছিল বিশ্বনাথৰ জনপ্ৰিয় যুৱক জিংকু বৰুৱাই প্ৰশিক্ষণ প্ৰদান কৰে ৰিতুপন লস্কৰ, অম্লান জ্যোতি শৰ্মাই এই প্ৰশিক্ষণত সহযোগিতা আগবঢ়াই আহিছে লগতে অৰ্পিতা শৰ্মায়ো প্ৰশিক্ষণ প্ৰদান কৰে বুলি জানিব দিছে জিংকু বৰুৱাই। ইতিমধ্যে আজি এই কৰ্মশালাৰ সমাপ্ত কৰি কণ কণ শিশুসকলে অভিনয় কৰা সপোনৰ সেউজীয়া হাঁহি নামৰ নাটখন প্ৰদৰ্শন কৰা হয়। এই নাটকৰ পৰিচালক হ'ল জিংকু বৰুৱা, নাট্যকাৰ হ'ল বিশ্বনাথৰ বিশিষ্ট লেখক তথা নাট্যকাৰ কৃষ্ণ ভূঞা। আজিৰ এই নাট উপভোগ কৰিবলৈ বিশ্বনাথৰ বিভিন্ন স্থানৰ লোকে ভিৰ কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ। আজি মঞ্চস্থ কৰা নাটখনে দৰ্শকৰ যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। কাইলৈ মঞ্চস্থ হ'বলগীয়া নাটখনো উপভোগ কৰিবলৈ সমূহ বিশ্বনাথবাসী ৰাইজক আহ্বান জনাই মূৰ্ছনা নাট্যগোষ্ঠীৰ সভাপতি দ্বিজেন মহন্ত, সম্পাদক মৰুৎ বৰদলৈৰ লগতে উদ্‌যাপন সমিতিয়ে।

## লখিমপুৰত ক'ভিড টিকাকৰণৰ অমৃত মহোৎসৱত ১০ দিনত ২৭ হেজাৰক প্ৰতিষেধক প্ৰদান

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৫ জুলাই ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি আৰম্ভ হোৱা ক'ভিড টিকাকৰণৰ অমৃত মহোৎসৱৰ জৰিয়তে ১৫ জুলাইৰ পৰা ৭৫ দিনলৈ ১৮ৰ পৰা ৫৯ বছৰৰ বয়সৰ ব্যক্তিক বিনামূলীয়াকৈ চৰকাৰী কেন্দ্ৰত ক'ভিড-১৯ৰ তৃতীয় পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। লখিমপুৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকে জনোৱা অনুসৰি জিলাখনত ২৫ জুলাইৰ লৈকে ৮,৩৯,৮৫৩ জন ব্যক্তিক ক'ভিড-১৯ৰ প্ৰতিষেধকৰ প্ৰথম পালি, ৮,২৯,০০৪১ দ্বিতীয় পালি ৫০ হেজাৰৰ অধিক ব্যক্তিক সতৰ্কতামূলক পালি প্ৰদান কৰা হৈছে। উল্লেখ্য যে ১০ দিনত ২৭ হেজাৰৰো অধিক ব্যক্তিক সুৰক্ষাসূচক প্ৰতিষেধক প্ৰদান কৰা হৈছে।

## সমাজকৰ্মী- অগপ নেতা খবিৰউদ্দিন আহমেদৰ মৃত্যু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ জুলাই ঃ** শিৱসাগৰ নগৰৰ বাবুপট্টি অঞ্চলৰ প্ৰয়াত তমিজউদ্দিন আহমেদৰ দ্বিতীয় পুত্ৰ, বিশিষ্ট সমাজকৰ্মী, অগপ নেতা তথা সৰবৰহী ব্যক্তি খবিৰউদ্দিন আহমেদ ওৰফে ভাইটি (৭২) ৰ আজি পুৱতি নিশা জিএমচি হাস্পতালত অৱস্থাত মৃত্যু হয়। আহমেদৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে জন্মস্থান শিৱসাগৰত শোকৰ ছাঁ পৰে। উল্লেখ্য যে কিছু দিন পূৰ্বৰ পৰা শাৰীৰিকভাৱে অসুস্থ হৈ থকা আহমেদক ডিব্ৰুগড়ত চিকিৎসা কৰি আছিল যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈ যোৱা হৈছিল। উল্লেখ্য যে আহমেদ শিৱসাগৰ টাউনৰ এজন সুলভ মূল্যৰ ব্যৱসায়ী হোৱাৰ লগতে অগপৰ এজন নিষ্ঠাবান কৰ্মী আছিল। ইয়াৰ লগতে সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদকৰ সহিতে শিৱসাগৰ পৌৰ সভাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। আহমেদৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অগপৰ শিৱসাগৰ জিলা সমিতি, আছু নেতা সমীৰণ ফুকন, সদৌ অসম সুলভ মূল্য ব্যৱসায়ী সন্থা, দিচাংমুখ-শিৱসাগৰ মেজিক সন্থা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতি, সংগ্ৰামী সেনা অসমৰ কেন্দ্ৰীয় সমিতি, ঐক্য সেনা অসম, উজনি অসম মুছলিম কল্যাণ পৰিষদ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতি, শিৱসাগৰ জিলা কংগ্ৰেছৰ উপ-সভাপতি আনোৱাৰ হুছেইন, ৰাইজৰ দলৰ লগতে বহু ব্যক্তি আৰু দল-সংগঠনে। মৃত্যুৰ সময়ত দুজন পুত্ৰ আৰু এগৰাকী কন্যাৰ সহিতে এটি বৃহৎ পৰিয়াল ইহসংসাৰত এৰি যায়।

## বানত সৰ্বাধিক ক্ষতি ঢেকিয়াজুলি

*১২ পৃষ্ঠাৰ পৰা* বানত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়নৰ পাছত শোণিতপুৰৰ পৰা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগলৈ ঢেকিয়াজুলি, ঠেলামাৰা, তেজপুৰ আৰু চাৰিদুৱাৰ ৰাজহ চক্ৰ সামৰি মুঠ ৭৬৭ টা আৰ জি প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল। আৰু ইয়াৰে সৰ্বাধিক ক্ষতিগ্ৰস্ত ঘৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অধীনত হোৱাটো নিশ্চিত কৰা হৈছে। এই পুনৰীক্ষণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় সকলো সহায়-সহযোগিতাৰ বাবে সংশ্লিষ্ট চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া, দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়া, পঞ্চায়ত প্ৰতিনিধিসকলক দলটোৰ লগত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। স্মৰ্তব্য যে বিভিন্ন সময়ত চৰকাৰী পৰিকল্পনা কাৰ্যক্ষেত্ৰত ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে একাংশই ব্যৱহাৰ কৰিবলৈ বিচৰাৰ বাবেই একাংশ লোক বঞ্চিত হৈ আহিছে। এইবাৰ জিলাখনত হোৱা বানৰ সময়তো পশুখাদ্যৰ বাবে কৃষক আৰু পশুপালকসকলে হাহাকাৰ কৰিবলগীয়া হোৱাৰ বিপৰীতে পৰৱৰ্তী সময়ত একাংশ ৰাজনৈতিকভাৱে সক্ৰিয় লোকেহে চৰকাৰী পশুখাদ্য সংগ্ৰহ কৰি অঞ্চলসমূহত বিতৰণ কৰিছিল যদিও এই সময়ত বহু অঞ্চলতে চৰকাৰীভাৱে নিৰ্ধাৰিত পৰিমাণতকৈ পশুখাদ্যৰ পৰিমাণ বানাক্ৰান্ত লোকক কমাই আদায় দিয়া হৈছিল বিভিন্ন অজুহাত প্ৰদৰ্শন কৰি। এনে অৱস্থাত চৰকাৰী তৎপৰতাৰ বিপৰীতে বানত ক্ষতিগ্ৰস্তসকলে এইবাৰ কিমান সঠিকভাৱে চৰকাৰী সাহায্য লাভ কৰিবলৈ সক্ষম হয় সেয়া লক্ষ্যণীয় হ'ব বুলি বানাক্ৰান্ত একাংশ লোকে মন্তব্য কৰিছে।

## বিহালীৰ বটিয়ামাৰীত নতুন সাহিত্য

*১২ পৃষ্ঠাৰ পৰা* সভাখনত সভাপতিত্ব কৰে নতুন সাহিত্য পৰিষদৰ পূব বিহালী শাখাৰ সভাপতি তুলা উপাধ্যায়ে। সভা পৰিচালনা কৰে শাখাৰ সম্পাদক স্বপন শৰ্মাই। সভাৰ আৰম্ভণিতে শিশুসকলৰ মাজত চিত্ৰাংকন, অসমীয়া আৰু ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহ পৰিচালনা কৰে শিক্ষক প্ৰদীপ শৰ্মা, সমাজকৰ্মী ভুৱন ঘোৰ্ছানে ছেত্ৰী আৰু সঞ্জীৱ লুইটেলে। প্ৰতিযোগিতাৰ প্ৰাপ্তসকলক পুৰস্কাৰ বিতৰণ কৰা হয়। অনুষ্ঠান পৰিচালনা কৰে শিক্ষক, শিল্পী সেৱক শৰ্মাই। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ দত্তই। ভাষণ প্ৰসংগত তেওঁ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰে বৰ্তমানৰ নতুন প্ৰজন্মক সকলো দিশতে আগবাঢ়ি যাব পৰাকৈ প্ৰস্তুত কৰিবৰ বাবে চৰকাৰে যি আঁচনি গ্ৰহণ কৰিছে, সেয়া যথেষ্ট উপযোগী বুলি কয়। ইফালে, নতুন সাহিত্য পৰিষদৰ দ্বাৰা প্ৰকাশিত তথা স্বপন শৰ্মাই সম্পাদনা কৰা গ্ৰন্থ 'দৃষ্টি' উন্মোচন কৰে জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন বৰুৱাই। তেওঁ কয় যে বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ মানসিকতাৰ অভাৱ হৈছে। ম'বাইল আৰু ইন্টাৰনেটৰ প্ৰতি আসক্তি বৃদ্ধি হৈছে। তথাপি গ্ৰন্থৰ প্ৰকাশ হৈ থকাটো শুভ লক্ষণ। আমি জ্ঞান লাভৰ বাবে সুক্ষ্ম দৃষ্টিৰে সমাজৰ প্ৰতিটো দিশ চাই, তাৰ উন্নয়নৰ বাবে চিন্তা কৰিব লাগে। আজি উন্মোচন হ'ব লগা গ্ৰন্থ 'দৃষ্টি'য়েও যেন তাকেই প্ৰতিফলিত কৰে। সভাত শিল্পী ভ্ৰাতৃত্ৰয় বিনোদ শৰ্মা, সেৱক শৰ্মা আৰু স্বপন শৰ্মাই গীত পৰিৱেশন কৰি দৰ্শকক আমোদ যোগায়। আনহাতে, 'দৃষ্টি' সম্পাদনা গোষ্ঠীৰ উপদেষ্টা, অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শইকীয়াৰ মৃত্যুত সভাই শোক প্ৰকাশ কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰে। সমজুৱাৰ ফালৰ পৰা সমাজকৰ্মী অৰুণ শৰ্মা, যুৱ সমাজকৰ্মী নিৰঞ্জন দাস আৰু শিক্ষক দিগন্ত দাসে আনুষংগিক বক্তব্য ৰাখে। সভাত শলাগৰ শৰাই আগবঢ়ায় সেৱক শৰ্মাই।

## মধুপুৰ সত্ৰত সত্ৰীয়া সংস্কৃতিৰ কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**হাউলী, ২৫ জুলাই ঃ** পশ্চিমবংগৰ কোচবিহাৰৰ থলুৱা সংস্কৃতি আৰু অসমৰ সত্ৰীয়া সংস্কৃতিৰ সমন্বয়ৰ বাৰ্তা বিয়পাই মধুপুৰ সত্ৰত যোৱা ১৪ জুলাইৰ পৰা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আৰু মধুপুৰ সত্ৰ সমিতিৰ সহযোগত অনুষ্ঠিত ১০ দিনীয়া সত্ৰীয়া নৃত্য আৰু বৰগীতৰ কৰ্মশালা আজি এক সত্ৰীয়া আৰু আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেৰে সামৰণি কৰা হয়। মধুপুৰ সত্ৰৰ পৰা সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত কয় যে উত্তৰবংগৰ প্ৰায় ১০খন সত্ৰ তথা নামঘৰত ৬০ গৰাকী বংগভাষী প্ৰশিক্ষাৰ্থীয়ে মহাপুৰুষ দুজনাৰ অনুপম সৃষ্টি সত্ৰীয়া নৃত্য আৰু বৰগীতৰ এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। মধুপুৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ পীতাম্বৰ ভকতে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোৰ আদৰণি ভাষণ দিয়ে অসম সত্ৰ মহাসভাৰ সভাপতি জীতেন্দ্ৰ নাথ প্ৰধানিয়ে। সভাত বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, জিনকাটা সত্ৰৰ সত্ৰাধিকাৰ বিচিত্ৰ নাৰায়ণ ভকত আৰু বনমালী পাঠকে ভাষণ দি মধুপুৰ সত্ৰ সমিতিয়ে সমগ্ৰ উত্তৰবংগৰ



বিভিন্ন ঠাইত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰৰ সন্দৰ্ভত গ্ৰহণ কৰা আঁচনিৰ বিষয়ে বিতং ব্যাখ্যা কৰে। সামৰণি অনুষ্ঠানত উত্তৰবংগৰ বিশিষ্ট বুদ্ধিজীৱী ফালাকাটা ফুলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহেশ চন্দ্ৰ বৰ্মনে এক ব্যতিক্ৰমী ভাষণেৰে অসম আৰু কোচবিহাৰৰ থলুৱা কৃষ্টি-সাংস্কৃতিৰ বিকাশ সাধনৰ জৰিয়তে দুয়োখন ৰাজ্যৰ মাজত একতাৰ বান্ধোন অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে কে'বাগৰাকীও ইছলাম ধৰ্মত দীক্ষিত প্ৰশিক্ষাৰ্থীয়ে সত্ৰীয়া নৃত্য আৰু বৰগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গঢ়িব খোজা ভেদাভেদহীন এক বৰ অসমৰ সপোনক সাকাৰ ৰূপ দিয়াত এই প্ৰশিক্ষণে এক যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হৈছে। সত্ৰ সমিতিৰ সম্পাদক হৰিদেৱ দাসে আঁতধৰা এই অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত বৰগীত আৰু সত্ৰীয়া নৃত্য মাঠি আখৰা প্ৰদৰ্শন কৰি সমগ্ৰ উত্তৰবংগৰ আকাশ-বতাহ সত্ৰীয়া সংস্কৃতিৰে মুখৰিত কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অনুষ্ঠান-প্ৰতিষ্ঠানত বৃক্ষৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মধুপুৰ সত্ৰ চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।



# কিশোৰ-কিশোৰীৰ চমকত উদ্ভাসিত যুৱ অলিম্পিক





## তালিকাৰ প্ৰথম তিনিটা স্থানত গুৱাহাটী, কামৰূপ, তিনিচুকীয়া

**গুৱাহাটী, ২৫ জুলাই ঃ** চলিত অসম যুৱ অলিম্পিকৰ আজি চতুৰ্থ দিনা আৰ্চাৰী, টেনিছ, সাঁতোৰ আৰু ফুটবলৰ লগতে অন্য ক্ৰীড়াত ৰাজ্যৰ নৱাগত খেলুৱৈসকলে দুৰ্দান্ত প্ৰদৰ্শন কৰি ক্ৰীড়াপ্ৰেমীক মন্ত্ৰমুগ্ধ কৰিছে। চতুৰ্থ দিনাৰ অন্তত পদক তালিকাত গুৱাহাটীয়ে ৭৬ টা পদকৰ সৈতে শীৰ্ষস্থান ৰাখিছে। দলে ২১ টা সোণ, ২৬ টা ৰূপ আৰু ২৯ টা ব্ৰঞ্জৰ পদক কৰিছে। ইফালে, কামৰূপে ১৩ টা সোণ, আঠটা ৰূপ আৰু ১৩ টা ব্ৰঞ্জৰ পদকসহ মুঠ ৩৪ টা পদক লাভ কৰি দ্বিতীয় স্থানত আছে। পদক তালিকাৰ তৃতীয় স্থানত থকা তিনিচুকীয়াই ১৮ টা পদক লাভ কৰিবলৈ সক্ষম হৈছে।

**পুৰুষৰ ফুটবল ঃ** অসম যুৱ অলিম্পিকৰ আজি ঐতিহ্যমণ্ডিত নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত এক ৰোমাঞ্চকৰ ফাইনেলত মৰিগাঁও দলে ধেমাজিক দুৰ্দান্ত প্ৰদৰ্শনেৰে ৪-১ গ'লত পৰাজিত কৰি সোণ লাভ কৰে। মৰিগাঁৱৰ বিভানজ্যোতি লস্কৰে মেচত হেট্ৰিক কৰে। ইফালে, ছোৱালীৰ ফুটবলৰ ফাইনেলত ডিব্ৰুগড় জিলাই ৩-২ গ'লত তিনিচুকীয়াক পৰাজিত কৰি চেম্পিয়ন হয়।

**আৰ্চাৰী ঃ** ৰিকাৰ্ভ ল'ৰাৰ শাখাত গুৱাহাটীৰ নিশান্ত শৰ্মাই স্বৰ্ণ জয় কৰাৰ বিপৰীতে শিৱসাগৰৰ দেৱাংগ গগৈয়ে ৰূপ অৰ্জন কৰে। আনহাতে, গোলাঘাটৰ নৈশৰ নিয়ৰ বৰাই ব্ৰঞ্জৰ পদক জয় কৰে। ইফালে, ৰিকাৰ্ভ ছোৱালীৰ শাখাত ডিব্ৰুগড়ৰ হীৰামণি হালনাই স্বৰ্ণ জয় কৰে। গুৱাহাটীৰ ৰেশ্মিন আবেদিনে ৰূপ তথা শিৱসাগৰৰ ছানিয়া গামে ব্ৰঞ্জৰ পদক জয় কৰে। ইফালে, কম্পাউণ্ড শাখাত গুৱাহাটীৰ অৰ্ণৱজ্যোতি ডেকাই স্বৰ্ণ জয় কৰাৰ বিপৰীতে গুৱাহাটীৰ কুলদীপ কুমাৰ আৰু গুৱাহাটীৰে মিথিছাৰ ব্ৰহ্মই ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে। কম্পাউণ্ড ছোৱালীৰ শাখাত বাগসাৰ অঞ্জলি বড়োৱে স্বৰ্ণ জয় কৰাৰ বিপৰীতে গুৱাহাটীৰ মাধুৰী মেধিয়ে ৰূপৰ পদক অৰ্জন কৰে। আনহাতে ব্ৰঞ্জৰ পদক জয় কৰে বাক্সাৰ বৰ্ণালী বড়োৱে।

**ৰোয়িং ঃ** ল'ৰাৰ শাখাত গুৱাহাটীৰ ফাৰহান আলীয়ে স্বৰ্ণ জয় কৰাৰ বিপৰীতে গুৱাহাটীৰ হৰ্ষিত ৰাজকোঁৱৰে ৰূপ আৰু গুৱাহাটীৰে পলাশ লোচন নাথে ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, ছোৱালীৰ শাখাত গুৱাহাটীৰ দেবাশ্মিতা কাশ্যপে স্বৰ্ণ জয় কৰাৰ বিপৰীতে গুৱাহাটীৰ জেছিকা বসুমতাৰী আৰু গুৱাহাটীৰ ৰিয়া বৰুৱাই ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে। অসম যুৱ অলিম্পিকৰ কাইলৈ পঞ্চম দিনা ড্ৰেগন নাও, চেপাক টাক্ৰো, উশু, মল্লযুঁজ, এথলেটিকছ আৰু ভাৰোত্তোলন অনুষ্ঠিত হ'ব।

## পৰম্পৰাগত ক্ৰীড়াক স্বীকৃতি প্ৰদান অসম অলিম্পিকৰ

## যোগাসন ক্ৰীড়াই মুহিলে ক্ৰীড়াপ্ৰেমীক

**দীপশিখা বৰা, বেবেজীয়া, ২৫ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত অসম যুৱ অলিম্পিক-২০২২ৰ বিভিন্ন ইভেণ্টৰ খেলসমূহৰ লগতে যোগাসন ক্ৰীড়াতো ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বাছনিভুক্ত যোগ খেলুৱৈসকলৰ চমকপদ যোগাসন শৈলী প্ৰদৰ্শনে ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে অসম অলিম্পিক সন্থাই যোগ ক্ৰীড়াক বিশেষ গুৰুত্ব প্ৰদানৰে স্বীকৃতি দিয়াত ৰাজ্যৰ যোগপ্ৰেমীসকল যথেষ্ট উৎফুল্লিত হোৱা পৰিলক্ষিত হৈছিল। যাৰবাবে আন খেলসমূহৰ দৰে ৰাজ্যৰ যোগ খেলুৱৈসকলো উপকৃত হোৱাৰ সুযোগ আহি পৰিছে। মনকৰিবলগীয়া যে, এইবেলি খেল' ইণ্ডিয়া ইয়ুথ গেমছতো



পোনপ্ৰথমবাৰৰ বাবে যোগক অন্তৰ্ভুক্তি কৰা হৈছিল আৰু সেই প্ৰতিযোগিতাত অসমৰ প্ৰতিযোগীগৰাকীয়ে পদক অৰ্জনৰে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিবলৈয়ো সক্ষম হৈছিল। গুৱাহাটীত আয়োজিত অসম যুৱ অলিম্পিকৰ যোগ ইভেণ্টৰ ট্ৰেডিচনেল যোগাসনৰ ৮-১৮ বছৰ বয়সৰ ছোৱালীৰ শাখাত নগাঁৱৰ উদিতাৰাণী বৰা আৰু ল'ৰাৰ শাখাত বজালীৰ সন্দীপ শৰ্মাই প্ৰথমস্থান অৰ্জন কৰিছে। আৰ্টিছটিকৰ ছিংগলছৰ ছোৱালীৰ শাখাত তিনিচুকীয়াৰ পৰিধি ৰজক আৰু ল'ৰাৰ শাখাত গুৱাহাটীৰ সুমিত দে'য়ে প্ৰথমস্থান লাভ কৰাৰ বিপৰীতে আৰ্টিছটিকৰ পেয়াৰৰ ছোৱালীৰ শাখাত নগাঁৱৰ নিয়ৰ নিলম শিৱম-অৱন্তিকা তালুকদাৰৰ যুটী আৰু ল'ৰাৰ শাখাত গুৱাহাটীৰ সুমিত দে'-মৃগেশ ঠাকুৰীয়াৰ যুটীয়ে প্ৰথমস্থান লাভ কৰিছে। ৰিডমিক যোগৰ ছোৱালীৰ শাখাত গুৱাহাটীৰ উৰ্বি তহবিলদাৰ-স্নেহশিখা দাস আৰু ল'ৰাৰ শাখাত নগাঁৱৰ চয়ন কৰ্মকাৰ-ৰেজাজ হাজৰিকাই প্ৰথমস্থান অধিকাৰ কৰে বুলি অসম যোগ সন্থাৰ সম্পাদকে জানিবলৈ দিয়ে।

## জিমনাষ্টিকছত গুৱাহাটী কামৰূপৰ খেলুৱৈৰ অধিপত্য



**গুৱাহাটী, ২৫ জুলাই ঃ** চলিত অসম যুৱ অলিম্পিকৰ জিমনাষ্টিকছত পুৰুষৰ আৰ্টিষ্টিক জিমনাষ্টিকছত স্বৰ্ণ জয় কৰে কামৰূপৰ জয়জিৎ বনিকে। গুৱাহাটীৰ জিয়াদ আহমেদে ৰূপ আৰু কামৰূপৰ পীয়ুষ আগৰৱালে ব্ৰঞ্জ জয় কৰে। ইফালে, ছোৱালীৰ আৰ্টিষ্টিক জিমনাষ্টিকছৰ আনইভেন বাৰত গুৱাহাটীৰ কাশীশ আগৰৱালে স্বৰ্ণ পদক জয় কৰে। আনহাতে কামৰূপৰ অন্বেষা গোস্বামীয়ে ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে গোলাঘাটৰ অদিতি টোডিয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, পুৰুষৰ আৰ্টিষ্টিক জিমনাষ্টিকছ পমেল ঘোঁৰা বিভাগত কামৰূপৰ কৌশিক ডেকাই স্বৰ্ণ জয়েৰে সুন্দৰ প্ৰদৰ্শন আগবঢ়ায়। আনহাতে কামৰূপৰ পীয়ুষ আগৰৱালে ৰূপ আৰু গুৱাহাটীৰ জিয়াদ আহমেদে ব্ৰঞ্জ জয় কৰে। পুৰুষৰ আৰ্টিষ্টিক জিমনাষ্টিকছ ৰিং শাখাৰ শ্বাসৰুদ্ধকাৰী খেলৰ অন্তত শিৱসাগৰৰ কৃষ সাহাই স্বৰ্ণ জয় কৰে। আনহাতে কামৰূপৰ কৌশিক ডেকাই ৰূপ তথা গুৱাহাটীৰ জিয়াদ আহমেদ আৰু কামৰূপৰ কৃষ্ণ কাশ্যপ গগৈয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মহিলা আৰ্টিষ্টিক জিমনাষ্টিকছৰ টেবুলত কামৰূপৰ অন্বেষা গোস্বামীয়ে ভল্টিং টেবুলত স্বৰ্ণ জয় কৰে। গুৱাহাটীৰ অৱন্তিকা বৰুৱাই ৰূপৰ পদক আৰু গুৱাহাটীৰ কাশীশ আগৰৱাল তথা নাজৰিনা পাৰ্বিনে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে, জিমনাষ্টিকছৰ আন এক শাখাত কামৰূপৰ কৌশিক ডেকাই স্বৰ্ণ জয় কৰাৰ বিপৰীতে নগাঁৱৰ ওম চেত্ৰীয়ে ৰূপৰ আৰু কামৰূপৰ জয়জিৎ বনিক আৰু শিৱসাগৰৰ শতাদ্ৰু শৰ্মাই ব্ৰঞ্জৰ পদক জয় কৰে।

## চাৰিটা সোণ লাভ কৰি উপাসাৰ চমক

**গুৱাহাটী, ২৫ জুলাই ঃ** অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ যৌথ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা অসম যুৱ অলিম্পিকৰ জিমনাষ্টিকছত ৰাজ্যৰ কিশোৰ-কিশোৰীসকলে প্ৰত্যাসিত প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ক্ৰমাগত দুখন খেল' ইণ্ডিয়াত জিমনাষ্টিকছত পদক লাভ কৰি অসমলৈ গৌৰৱ লৈ অহা উপাসা তালুকদাৰে চলিত অসম যুৱ অলিম্পিকতো চমকপ্ৰদ প্ৰদৰ্শন কৰে। তেওঁ মুঠ চাৰিটা সোণ লাভ কৰিবলৈ সক্ষম হয়। দিছপুৰৰ ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাত ৰিদমিক জিমনাষ্টিকছত কামৰূপৰ উপাশা তালুকদাৰে স্বৰ্ণ জয় কৰে। কামৰূপৰ অৱন্তিকা দাসে ৰূপৰ পদক আৰু নগাঁৱৰ জিয়া স্বৰ্গীয়াৰীয়ে ব্ৰঞ্জ জয় কৰে। ইফালে, ৰিদমিক জিমনাষ্টিকছ বল ইভেণ্টত উপাশা তালুকদাৰে সোণ, অৱন্তিকা দাসে ৰূপৰ পদক আৰু কামৰূপৰ শ্ৰেয়া গুপ্তাই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ৰিদমিক জিমনাষ্টিকছ হুপত কামৰূপৰ উপাশা তালুকদাৰে উৎসাহী প্ৰদৰ্শন অব্যাহত ৰাখি স্বৰ্ণ জয় কৰে। কামৰূপৰ অৱন্তিকা দাসে ৰূপ আৰু নগাঁৱৰ জিয়া স্বৰ্গীয়াৰীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে, ৰিদমিক জিমনাষ্টিকছ ৰেবন শাখাত উপাশা তালুকদাৰে আন এক সুন্দৰ প্ৰদৰ্শনেৰে আন এটা স্বৰ্ণ জয় কৰে। কামৰূপৰ অৱন্তিকা দাসে ৰূপ আৰু কামৰূপৰ শ্ৰেয়া গুপ্তাই ব্ৰঞ্জ জয় কৰে।





## দ্বিতীয় এদিনীয়াত দুই উইকেটৰ ৰোমাঞ্চকৰ বিজয়

# ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় ভাৰতৰ



**প'ৰ্ট অব স্পেইন, ২৫ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটোৰ এখন মেচ বাকী থাকোতেই ২-০ ৰ অগ্ৰগতি লৈ শৃংখলা জয় নিশ্চিত কৰিছে। যোৱানিশা হোৱা দ্বিতীয়খন মেচত ভাৰতে দুই উইকেটত ৰোমাঞ্চকৰ বিজয় সাব্যস্ত কৰে। কঠিন পৰিস্থিতিত খেলি অলৰাউণ্ডাৰ অক্ষৰ পেটেলৰ দুৰ্দান্ত বেটিঙে ভাৰতলৈ কঢ়িয়াই আনে ইপ্সিত বিজয়। উল্লেখ্য যে ৩১২ ৰানৰ জয়ৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে প্ৰাথমিক বিপৰ্যয় নেওচি অক্ষৰৰ লগতে আয়াৰ, চেমছন আৰু গিলৰ যুঁজাৰু বেটিঙৰ ফলত মেচখনত জয়ৰ লগতে শৃংখলাও হস্তগত কৰে। শৃংখলাটো জয়ৰ লগে লগে ভাৰতে আন্তঃৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেটত স্থাপন কৰিছে নতুন অভিলেখ। মেচখনত পোনতে বেট ধৰি ৱেষ্ট ইণ্ডিজে অপেনাৰ শ্বাই হোপৰ (১১৫ৰ দৰ্শনীয় শতকৰ লগতে অধিনায়ক নিকোলাছ পুৰানৰ (৭৪ৰ অৰ্ধ শতকৰ সহায়ত ৩১১-৬ ৰানৰ এক শক্তিশালী স্ক'ৰ থিয় কৰায়। প্ৰত্যুত্তৰত ভাৰতে লেহেমীয়া আৰম্ভণি কৰি ইনিংছৰ ১৭.২ অভাৰত মাত্ৰ ৭৯ ৰানত ধাৱান (১৩ৰ, শুভমন গিল আৰু সূৰ্যকুমাৰ যাদৱৰ (৯ৰ উইকেট হেৰুৱায়। অৱশ্যে গিলে ৪৩ ৰানৰ এটা সুন্দৰ ইনিংছেৰে ভাৰতক কিছু সকাহ প্ৰদান কৰিছিল। এই প্ৰাৰম্ভিক বিপৰ্যয়ৰ পিছত সঞ্জু চেমছন (৫৪ৰ আৰু শ্ৰেয়াস আয়াৰে (৬৩ৰ চতুৰ্থ উইকেটত এক শক্তিশালী যুটি বান্ধি ভাৰতক মেচখনলৈ ঘূৰাই আনে। দুয়ো অৰ্ধশতক অৰ্জন কৰাৰ কিছু সময় পিছতে অৱশ্যে বিদায় লয়। এনে অৱস্থাত ভাৰতৰ জয় প্ৰায় অসম্ভৱ বুলি ধাৰণা কৰা হৈছিল যদিও অক্ষৰ পেটেলে দুৰ্দান্ত বেটিঙেৰে ভাৰতক বিজয়ৰ লক্ষ্যত উপনীত কৰায়। পেটেলে ৩৫ বলত পাঁচটা ছয়েৰে ৬৪ ৰানৰ এক মাৰমুখী অপৰাজিত ইনিংছ খেলে। আনহাতে, দীপক হুদাই ৩৩ ৰাণ কৰে। অন্তিম অভাৰত ভাৰতক জয়ৰ বাবে প্ৰয়োজন আছিল আঠ ৰানৰ। প্ৰথম তিনিটা বলত ভাৰতে দুই ৰান সংগ্ৰহ কৰাৰ পিছত অক্ষৰে মেয়াৰ্চৰ চতুৰ্থটো বলত এটা বিশাল ছয় কোবাই ভাৰতলৈ জয় কঢ়িয়াই আনে। জয়ৰ লগে লগে আৰু এখন খেল বাকী থকা অৱস্থাত ভাৰতে শৃংখলাও দখল কৰে।

## যোৰহাট জিলা কাৰাটে দলৰ সাফল্য

**যোৰহাট,২৫ জুলাই ঃ** যুৱ অলিম্পিকৰ কাৰাটে শাখাত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ দলটিয়ে ছটা সোণ, সাতটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদক লাভ কৰি জিলা খনলৈ সাফল্য আনিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ ছোৱালীৰ কেডেট বিভাগত কাটা আৰু কুমিতে দুয়োটা শিতানত মুগ্ধা বৰুৱাই সোণৰ পদক লাভ কৰে। ৰাজ নন্দন শইকীয়াই এটা সোণ আৰু এটা ব্ৰঞ্জ, ৰিম্পি বৰা, কৌষ্ঠভ গগৈ আৰু আদিত্য বৰাই এটাকৈ সোণৰ পদক লাভ কৰিছে। আনহাতে স্বেতা হাজৰিকা, বন্দনা দাস অৰীয়ান শৰ্মা, ৰৌচন ৰাজীৱ বৰা, প্ৰীয়াংকুশ কুমাৰ বৰুৱা, আয়ুস শইকীয়া, পাৰলী দাসে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয় । আৰীয়ান শৰ্মা, পঞ্চিমিতা বৰদলৈ, নিহাৰ হাজৰিকা, অংগনা শইকীয়া আৰু বন্দনা দাসে এটাকৈ ব্ৰঞ্জৰ পদক লাভ কৰে।এই সাফল্যৰ কাৰণে যোৰহাট জিলা কাৰাটে সন্থাৰ সভাপতি জুল খাউণ্ড আৰু সম্পাদক ৰবীন শইকীয়াই যোৰহাট জিলা কাৰাটে দলটিলৈ অভিনন্দন জ্ঞাপন কৰিছে।

## পাকিস্তানৰ অভিলেখ ভংগ টীম ইণ্ডিয়াৰ

**প'ৰ্ট অব স্পেইন, ২৫ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটোৰ এখন মেচ বাকী থাকোতেই ২-০ ৰ অগ্ৰগতি লৈ শৃংখলা জয় নিশ্চিত কৰিছে। যোৱানিশা হোৱা দ্বিতীয়খন মেচত ভাৰতে দুই উইকেটত ৰোমাঞ্চকৰ বিজয় সাব্যস্ত কৰে। এই জয়েৰে ভাৰতে আন্তঃৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেটত এটা দলৰ বিৰুদ্ধে একেৰাহে সৰ্বাধিক দ্বিপাক্ষিক এদিনীয়া শৃংখলা জয়ৰ নতুন অভিলেখ স্থাপন কৰিছে। ভাৰতীয় দলে এই শৃংখলা জয়ৰ লগে লগে ৱেষ্ট ইণ্ডিজৰ বিৰূদ্ধে ধাৰাবাহিক শৃংখলা জয়ৰ ধাৰা ১২ টালৈ বৃদ্ধি কৰে। ২০০৭ ৰ পৰা ২০২২ লৈ ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাগ লোৱা দ্বিপাক্ষিক এদিনীয়া শৃংখলাত এটাও শৃংখলা হেৰুওৱা নাই আৰু এইদৰেই এই বিশেষ কৃতিত্ব অৰ্জন কৰিছে। এই ক্ষেত্ৰত ভাৰতে পাকিস্তানৰ নামত থকা ধাৰাবাহিক দ্বিপাক্ষিক শৃংখলা জয়ৰ অভিলেখ ভংগ কৰে। পাকিস্তানে ১৯৯৬ ৰ পৰা ২০২১ লৈ জিম্বাবোৱেৰ বিৰুদ্ধে একেৰাহে ১১ টা



শৃংখলা জয়ী হৈছিল। এই ৰেকৰ্ড তালিকাত তৃতীয় স্থানতো পাকিস্তানৰ নামেই আছে। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দলটোৱে ১৯৯৯-২০২২ বৰ্ষত ১০ টা শৃংখলাত ধাৰাবাহিক জয় সাব্যস্ত কৰিছে।

## হোনোৱাল-খ্ৰীষ্টজ্যোতিৰ খেল ড্ৰ

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ২৫ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত আজি পূৰ্বৰ চেম্পিয়ন হোনোৱাল চাহ বাগিচা ফুটবল দল আৰু খ্ৰীষ্টজ্যোতি ফুটবল ক্লাৱৰ মাজৰ খেলখন ১-১ ত অমীমাংসিতভাৱে সমাপ্ত হয়। ফলত দুয়োটা দলে লীগৰ পইণ্ট ভগাই লয়। খেলৰ ১৩ মিনিটতে দীপন মানকিৰ গ'লেৰে খ্ৰীষ্টজ্যোতিয়ে অগ্ৰগতি লয় যদিও ৮০ মিনিটত হোনোৱালৰ নিৰ্ভৰযোগ্য ষ্ট্ৰাইকাৰ ৰাম ৰাৱে এটা দৰ্শনীয় গ'ল কৰি সমতা স্থাপন কৰে। খেলখন পৰিচালনা কৰে এন্দ্ৰিয়াছ তাঁতী, উইলিয়ম ভালুৰি, দীপক তাঁতী আৰু দিপীকা গগৈয়ে । ২৬ জুলাইৰ খেল ঃ হোলোংগুৰি চাহ বাগিচা ফুটবল দল বনাম হোনোৱাল ফুটবল ক্লাৱ।

## অল ষ্টাৰ ক্লাবৰ পইণ্ট লাভ

**যোৰহাট,২৫ জুলাই ঃ** যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি বি গ্ৰুপৰ অন্তিম খেলত অল ষ্টাৰ ক্লাবে কেন্দ্ৰীয় ক্লাব টীয়ক দলক ৪-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰিবলৈ সক্ষম হয়। আজি খেলত অল ষ্টাৰ দলৰ হৈ দিপু চাওৰাই দুটা তথা নেলছন হ'ৰ আৰু বিতু বৰুৱাই এটাকৈ গল কৰাৰ বিপৰীতে কেন্দ্ৰীয় ক্লাব টীয়ক দলৰ হৈ একমাত্ৰ গ'লটো দিবলৈ সক্ষম হয় অজিত হেমৰামে। আজি খেল পৰিচালনা কৰে বিমান সন্দিকৈয়ে। লাইনত সহায় কৰে ত্ৰিনোজ বড়া আৰু ৰাজদ্বীপ বড়াই। চতুৰ্থ ৰেফাৰী পৱন পাঠক। ২৬ জুলাই খেল ঃ গোহাঁই টেকেলা ফুটবল ক্লাব বনাম ৰমাকান্ত ফুটবল ক্লাব।

## ৰাজস্থানী যুৱক সংঘৰ জয়



**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৫ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ কাইলৈ সামৰণি পৰিব। লীগৰ আজিৰ খেলত নগাঁও ৰাজস্থানী যুৱক সংঘই বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ৩-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। নগাঁও ৰাজস্থানী যুৱক সংঘৰহৈ তিলকজ্যোতি বৰদলৈ, উপেন হোকাই আৰু অনিল পাটৰে গ'লকেইটা দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পাৰ্শজ্যোতি দাসক সহায় কৰে ৰয়েল ইছলাম, কৃষ্ণকান্ত দাস আৰু ঘনশ্যাম দাসে। খেলখনত নগাঁও ৰাজস্থানী যুৱক সংঘৰ বিনন্দ খাটনিয়াৰ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়। উল্লেখ্য যে, এই লীগৰ অন্তিমখন খেলত সঞ্জীৱন সমাজে ষ্টাৰ স্পৰ্টিং ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

## গড়গাঁও-ভোগবাৰী চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, শিমলুগুৰি, ২৫ জুলাই ঃ** নাজিৰা মহকুমাৰ গড়গাঁও কলেজ খেলপথাৰত গড়গাঁও ফুটবল কচিং চেন্টাৰৰ সৌজন্যত গ্ৰীষ্মকালিন অনূৰ্দ্ধ ১৫ আৰু ১৩ ফুটবল প্ৰতিযোগিতাত গড়গাওঁ ফুটবল কচিং চেন্টাৰ আৰু ভোগবাৰী কচিং চেন্টাৰ চূড়ন্ত বিজয়ী হয় । আজি অনুষ্ঠিত ফাইনেলত গড়গাঁও কচিং চেন্টাৰে লাকুৱা ফুটবল কচিং চেন্টাৰক ছ৩-১গ্ল গ'লত পৰাস্ত কৰি বিজয়ী হয় । আনহাতে আজিয়ে অনুষ্ঠিত হোৱা ১৩ অনূৰ্দ্ধৰ ফুটবলত ভোগবাৰী কচিং চেন্টাৰে গড়গাওঁ ফুটবল কচিং চেন্টাৰক ছ২-০গ্ল গলত পৰাস্ত কৰি বিজয়ী হয় । খেলৰ অন্তত বটাসমূহ প্ৰদান কৰে নাজিৰা জিলা ক্ৰীড়া সন্থাৰ সম্পাদক গোপাল গগৈ ,আছুৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি মানৱ হাজৰিকাই।





## বঙাইগাঁও আৰক্ষী থানা একাদশৰ অগ্ৰগতি লাভ


**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও , ২৫ জুলাই ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰৰ বৰবিলা ৰশ্মি সংঘৰ খেলপথাৰত অনুষ্ঠিত জিলাখনৰ আন্তঃ আৰক্ষী থানা ফুটবল প্ৰতিযোগিতাত আজি অনুষ্ঠিত খেলখনত বঙাইগাঁও আৰক্ষী থানাই ৫-১ গ'লত মাণিকপুৰ আৰক্ষী থানা একাদশক পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে । প্ৰতিযোগিতাৰ অন্তত পশ্চিম সংমণ্ডলৰ ডিজিপি দিলীপ কুমাৰ দে আৰু আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই বিজয়ী আৰু বিজিত দলক বঁটা প্ৰদান কৰে।

## য়ুথ অলিম্পিকলৈ ওদালগুৰিৰ ৫০ জনীয়া দল



**অগ্ৰদূত বাৰ্তা**
**টংলা, ২৫ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত হৈ থকা য়ুথ অলিম্পিক গেমছত অংশগ্ৰহণ কৰিবলৈ ওদালগুৰি জিলাৰ বিভিন্ন ঠাইৰ পৰা ৫০ জনীয়া যুৱক-যুৱতী খেলুৱৈৰ দল প্ৰশিক্ষক ,দলপতি মুকুন্দ শৰ্মা বৰুৱাৰ নেতৃত্বত আজি পুৱা ৰেলেৰে ৰাওনা হয়। এথলেটিকছ আৰু ৰাগবি খেলত ভাগ ল'বলগীয়া খেলুৱৈসকলক নমল ৰাভা ,খৰ্গেশ্বৰ বৰা ,টংলা ক্ৰীড়া সন্থাৰ সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, বলিৰাম ডেকা প্ৰমুখ্যে দল- সংগঠনে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

## বিল্যাসনন্দন চ'ৰা



# কুকুৰৰ বিস্কুট

কুকুৰটোক বিস্কুট খুৱাই খুৱাই পাপ্পুৱে পাৰ্টিৰ লিডাৰবোৰৰ কথা শুনি আছে। শুনি আছে মানে শুনি থকা যেন লাগিছে, কিন্তু প্ৰকৃততে শুনিছে নে নাই সেয়া কেৱল পাপ্পুৱে জানে আৰু পাপ্পুৰ কুকুৰটোৱে জানে। লিডাৰবোৰে কিবা-কিবি কৈ আছে আৰু পাপ্পুৱেও কথাবোৰত সঁহাৰি দি গৈছে। যিবোৰ কথাত পাপ্পুৱে সঁহাৰি দিয়া নাই, সেইবোৰত কুকুৰটোৱে ভুকভুকাই সঁহাৰি দিছে। লিডাৰবোৰে বকিবলৈ ধৰিছে, 'নাই, এইবোৰ ভাল কথা হোৱা নাই!

ঃ কি ভাল কথা হোৱা নাই?
ঃ নহয় মানে আমি ধৰিব নোৱৰা হৈছো।
ঃ কি?
ঃ কোন আমাৰ মানুহ কোন বেলেগৰ!
ঃ কিয়?
ঃ আমাৰ বুলি ভাবি থকা বহুতেই ৰুলিং পাৰ্টিৰ লগত ৰাতি ৰাতি মিলামিছা কৰে।
ঃ দিনততো কৰিব পৰা নাই।
ঃ দিনত পৰা নাই।

পাপ্পুৱে গৰ্বেৰে ক'লে—'সেইটোৱে আমাৰ কৃতিত্ব!' লিডাৰ এজনে লগে লগে ক'লে—'ৰাতি মিলামিছা কৰি আমাৰ আটাইবোৰ অংকই যে ওলট-পালট কৰি দিয়ে!' পাপ্পুৱে কিবা এটা ক'ব খোজাৰ আগেয়ে কুকুৰটোৱে মাত দিলে—ভৌ ভৌ! সেই ভৌ ভৌ শুনি পাপ্পুৱে হাঁহি মাৰি সুধিলে—'ই কি কৈছে জানানে?'

ঃ কি কৈছে?
ঃ কৈছে যে তোমালোকৰ অকণো বুদ্ধি-বৃত্তি নাই।
ঃ কিয়?
ঃ আৰে ভাই, যিবোৰ খেলত হৰাটো খাটাং, তাকে লৈ অংক কৰি মৰিবৰ কি দৰকাৰ?

পাপ্পুৱে আৰু ভালকৈ বুজাই দিলে—'ধৰি লোৱা ইণ্ডিয়া আৰু ব্ৰাজিলৰ ফুটবল মেচ হ'ব!'

ঃ হ'ব নেকি?
ঃ নহয়। হ'ব বুলি ধৰি লোৱা।
ঃ ল'লো বাৰু!
ঃ মেচখনত কোন জিকিব?
ঃ ব্ৰাজিল।
ঃ ইণ্ডিয়া?
ঃ পাত্তাই নাপায়।
ঃ তেনেহ'লে ইণ্ডিয়াৰ কি ৰণকৌশল হোৱা উচিত?
ঃ যিমান পাৰি সিমান কম গ'ল খাই কেনেবাকৈ নাকটো বচাই অহা!
ঃ ঠিকেই!

এইবাৰ পাপ্পুৱেও ক'লে— 'আমিও এই অংকটোৱে কৰিব লাগে! খেল যিয়ে নহওক, হৰাততো আমি হাৰিমেই। কিন্তু বৰ বেছি বেয়াকৈ যাতে হাৰিব লগা নহয়, তাকে লৈ আমি অংকটো কৰিব লাগে।'



এজন লিডাৰে চিঞৰি দিলে— 'সেইবুলি আমি আৰু কিমান হাৰিম?'

ঃ সেই অংকটো কোনেও নাজানে!
ঃ এচেম্বলীত হাৰিলো।
ঃ হাৰিছো।
ঃ পঞ্জাৱত হাৰিছো।
ঃ হাৰিছো।
ঃ মধ্যপ্ৰদেশত হাৰিলো।
ঃ হাৰিছো।
ঃ মহাৰাষ্ট্ৰতো হাৰিলো।
ঃ হাৰিছো।
ঃ ইউ পিতো হাৰিলো।
ঃ হাৰিছো।
ঃ ৰাষ্ট্ৰপতি ইলেকচনত হাৰিছো।
ঃ হাৰিছো।
ঃ এনেকৈ হাৰি থাকিলে কি হ'ব?

পাপ্পুৱে মাত দিলে—'এটা কামেই হ'ব!'

ঃ কি হ'ব?
ঃ নাইকিয়া হ'ব।
ঃ আমাৰ পাৰ্টিটো?
ঃ নহয়! যাৰ লগত কথা পাতি আছা, তেওঁ!

পাপ্পুৱে বহাৰ পৰা উঠি দি ক'লে— 'কাইলৈৰ পৰা মই নাইকিয়া হ'ম। কুকুৰটোক বিস্কুট আনি খুৱাই থৈ যাবা!'

---

ককাক-আইতাকৰ ছত্ৰছায়াত ডাঙৰ-দীঘল হৈও কেতিয়াও নিজৰ লক্ষ্যৰ পৰা আঁতৰি যোৱা নাছিল। ককাক-আইতাকৰ প্ৰতিপালনতে সদ্যঘোষিত চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত অসাধাৰণ ফলাফলেৰে সমগ্ৰ দেশতে চৰ্চিত হৈছে এই কিশোৰীগৰাকী। এই ছাত্ৰীগৰাকীয়েই হৈছে পাটনাৰ নিবাসী সৃজা। সদ্যঘোষিত ফলাফলত তেওঁ লাভ কৰিছে ৯৯.৪ শতাংশ নম্বৰ। যাৰ সফলতাত আবেগিক হৈ পৰিছে তেওঁক ককাক-আইতাক।



# মাতৃ প্ৰয়াত, পিতৃয়ে এৰি যোৱা সত্ত্বেও কন্যাই পালে ৯৯.৪ শতাংশ

## ককা-আইতাৰ ছাঁত থাকিয়ে চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত বিশেষ সাফল্য কিশোৰীৰ

**নিউজ ব্যুৰ'**
**পাটনা, ২৫ জুলাই ঃ** শৈশৱতে পিতৃ-মাতৃৰ স্নেহৰ পৰা বঞ্চিত হোৱা সত্ত্বেও হতাশাই ঘেৰি ধৰা নাছিল বিহাৰৰ এগৰাকী কিশোৰীক। ককাক-আইতাকৰ ছত্ৰছায়াত ডাঙৰ-দীঘল হৈও কেতিয়াও নিজৰ লক্ষ্যৰ পৰা আঁতৰি যোৱা নাছিল। ককাক-আইতাকৰ প্ৰতিপালনতে সদ্যঘোষিত চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত অসাধাৰণ ফলাফলেৰে সমগ্ৰ দেশতে চৰ্চিত হৈছে এই কিশোৰীগৰাকী। এই ছাত্ৰীগৰাকীয়েই হৈছে পাটনাৰ নিবাসী সৃজা। সদ্যঘোষিত ফলাফলত তেওঁ লাভ কৰিছে ৯৯.৪ শতাংশ নম্বৰ। যাৰ সফলতাত আবেগিক হৈ পৰিছে তেওঁক ককাক-আইতাক।

মাতৃৰ মৃত্যুৰ পাছতে পিতৃয়ে সৃজাক এৰি আঁতৰি গৈছিল। দ্বিতীয় বিবাহ কৰাই তেওঁ নতুনকৈ সংসাৰ কৰিছিল। আনকি কোনো দিনেই সন্তানৰ মুখখন চাবলৈকো তেওঁ অহা নাছিল। মাতৃৰ মৃত্যুৰ পাছত যেতিয়া দেউতাকেও সৃজাক এৰি আন নাৰীৰ কাষলৈ গুচি গ'ল, তেতিয়া মাতৃৰ মাক-দেউতাকেই কিশোৰীগৰাকীৰ লালন-পালন আৰম্ভ কৰে। ককাক-আইতাকৰ গৃহতেই সৃজাই অব্যাহত ৰাখিলে পঢ়া-শুনা। এগৰাকী অভিভাৱকহীন কিশোৰীৰ এনে অসাধাৰণ কৃতিত্বৰ খবৰ ততালিকেই চৌদিশে বিয়পি পৰিল। স্বাভাৱিকভাৱেই সংবাদ মাধ্যম উপস্থিত হ'ল কিশোৰীৰ ককাক-আইতাকৰ ঘৰত। সৃজাক কাষত বহুৱাই বৃদ্ধা আইতাকে চকুলো টুকি জোঁৱায়েকৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি ক'লে, 'তেওঁ এদিন উপলব্ধি কৰিব লাগিব।' নাতিনীৰ কৃতিত্ব পৰম সুখী হোৱা বুলি সদৰী কৰি বৃদ্ধাই ক্ষোভেৰে কয়, 'মোৰ ছোৱালীৰ মৃত্যুৰ পাছতে জোঁৱায়ে নাতিনীক এৰি গুচি যায়। দ্বিতীয় বিয়া কৰায়। নাতিনীক চোৱা-চিতা কৰিবলৈ কোনো নাছিল। সেয়ে আমি তাইকৈ আনি পঢ়া-শুনা কৰালো। যিমান খিনি পাৰো কৰি যাম।' ইয়াৰ পাছতে সৃজাৰ পিতৃক উদ্দেশ্য কৰি বৃদ্ধাই কয়, 'আশা কৰো জীয়েকৰ এই ফলাফল দেখি নিজৰ সিদ্ধান্তৰ বাবে তেওঁ অনুতপ্ত হ'ব। যিদৰে ছোৱালীজনীক এৰি গুচি গৈছিল, মোৰ ছোৱালীৰ মৃত্যুৰ পাছতো এবাৰো জীয়েকক চাবলৈ নাহিল, তাৰ বাবে তেওঁ অনুতপ্ত হ'বই লাগিব।' সেই সময়ত আইতাকৰ কাষত বহি থকা কৃতী ছাত্ৰী সৃজাৰ অমলিন মুখত দেখা গৈছিল স্মিত হাঁহি। তথাপি পৰীক্ষাত ঈৰ্ষণীয় নম্বৰ লাভ কৰাৰ পাছতো যেন কিশোৰী ছাত্ৰীগৰাকীৰ দৃষ্টিত আছিল এক শূন্যতা। সেই ভিডিঅ'টোৱেই সম্প্ৰতি শ্বেয়াৰ কৰিছে বিজেপি সাংসদ বৰুণ গান্ধীয়ে। সাংসদজনে লিখিছে, 'ত্যাগ আৰু সমৰ্পণৰ অনন্য নজিৰ। মাতৃৰ মৃত্যুৰ পাছত কন্যাক এৰি গ'ল পিতৃয়ে। নিজৰ পৰিশ্ৰম আৰু ককাক-আইতাকৰ অক্লান্ত প্ৰচেষ্টাত সেই ছোৱালীজনীয়ে আজি ৯৯.৪ শতাংশ লাভ কৰিছে।' তাৰ পাছতে গান্ধীয়ে আইতাকক উদ্দেশ্যি লিখে, 'মা, আপোনাৰ কোনো কামত আহিলে মই নিজকে সৌভাগ্যবান বুলি গণ্য কৰিম।'



নামিলে বা তাৰ কাষলৈ গ'লে কোনেও আৰু জীৱিত অৱস্থাত উভতি আহিব নোৱাৰে। সম্প্ৰতি তেনে এটা ভয়ানক হ্ৰদৰ সন্ধান পালে মায়ামি বিশ্ববিদ্যালয়ৰ এদল বিজ্ঞানীয়ে।

# সাগৰৰ গভীৰত 'মৃত্যু হ্ৰদ'ৰ সন্ধান পালে বিজ্ঞানীয়ে

## নমাৰ লগে লগে মৃত্যু হ'ব পাৰে যিকোনো প্ৰাণীৰ

**নিউজ ব্যুৰ'**
**মায়ামি, ২৫ জুলাই ঃ** নামিলে বা তাৰ কাষলৈ গ'লে কোনেও আৰু জীৱিত অৱস্থাত উভতি আহিব নোৱাৰে। সম্প্ৰতি তেনে এটা ভয়ানক হ্ৰদৰ সন্ধান পালে মায়ামি বিশ্ববিদ্যালয়ৰ এদল বিজ্ঞানীয়ে। লোহিত সাগৰৰ প্ৰায় ছহেজাৰ ফুট গভীৰত বিজ্ঞানীসকলে সম্প্ৰতি ১০ ফুট দৈৰ্ঘ্যৰ এই মৃত্যুপুৰীৰ সন্ধান পাইছে। ছেম পুৰকিছ নামৰ এজন বিজ্ঞানীয়ে 'লাইভ ছায়েন্স'ত দাবী কৰিছে যে লুণীয়া পানীৰে পৰিপূৰ্ণ এই পুলত নমাৰ লগে লগে মৃত্যু হ'ব পাৰে যি কোনো প্ৰাণীৰ। উল্লেখ্য যে সমুদ্ৰৰ তলত এই ধৰণৰ গভীৰ তথা অগভীৰ হ্ৰদৰ সৃষ্টি হয়। এইবোৰক কোৱা হয় 'ব্ৰাইন পুল'। গভীৰ সাগৰৰ তলত এই হ্ৰদৰ সৃষ্টি হয়। ছেমে এই হ্ৰদ কিয় ইমান ঘাতক তাৰ ব্যাখ্যাও কৰিছে। তেওঁ কয়, 'এই ঘাতক পুলত লৱণৰ পৰিমাণ মাত্ৰাধিক। এই অঞ্চলটোৰ পানী সাগৰৰ সাধাৰণ পানীতকৈ তিনিৰ পৰা আঠ গুণ অধিক লৱণাক্ত। কেৱল সেয়াই নহয়, সেই পানীত অন্যান্য ৰাসায়নিক দ্ৰব্যৰ মাত্ৰাও বহু বেছি। ইয়াত আছে বিষাক্ত হাইড্ৰ'জেন ছালফাইডৰ ভাণ্ডাৰ। ফলত সাগৰৰ পানীৰ পৰা এই হ্ৰদৰ পানীৰ পাৰ্থক্য বিস্তৰ। ইয়াৰ উপৰি এই পুলত অক্সিজেনৰ কোনো অস্তিত্বই নাই। সেই বাবেই মুহূৰ্ততে মৃত্যু হ'ব পাৰে সামুদ্ৰিক জীৱ আৰু যিকোনো প্ৰাণীৰ।' এই হ্ৰদ বিপুল পৰিমাণৰ জীৱাণুৰ বাসস্থান বুলিও ছেমে মন্তব্য কৰিছে। অৱশ্যে পৃথিৱীত কিদৰে সাগৰৰ জন্ম হৈছিল, সেই কথা জানিবলৈ এই আৱিষ্কাৰে অনেক সাহায্য কৰিব বুলিয়ে ছেমে দাবী কৰিছে। তেওঁ লগতে কয় যে এই আৱিষ্কাৰ জৰুৰী আছিল। কিয়নো ইয়াৰ পৰাই অনুমান কৰিব পৰা যাব আন কোনো গ্ৰহত এই ধৰণৰ পৰিস্থিতিত কোনো প্ৰাণী বাচি আছে নে নাই।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থান প্ৰাপ্ত মেধাৱী ছাত্ৰৰ কৰুণ জীৱন গাথা

## অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিও নাপালে চৰকাৰী চাকৰি



বিশেষ সংবাদদাতা
**নগাঁও, ২৫ জুলাই ঃ** যুৱকজনৰ নাম ৰূপজ্যোতি বেজবৰা। ঘৰ নগাঁও জিলাৰ বেবেজীয়াৰ মাহৰীআটিত। ১৯৯৬ত উচ্চতৰ মাধ্যমিক পৰীক্ষাত কলা শাখাত নগাঁও মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ তেওঁ অসমৰ ভিতৰতে লাভ কৰিছিল ষষ্ঠ স্থান। পৰৱৰ্তী সময়ত ১৯৯৯ত কটন কলেজৰ পৰা মেজৰসহ স্নাতক ডিগ্ৰী আৰু ২০০১ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। আন ১০জন যুৱকৰ দৰেই তেওঁৰো জীৱনটোক লৈ বহু সপোন আছিল, বহু পৰিকল্পনা আছিল। কিন্তু অত্যন্ত মেধাৱী এই ছাত্ৰজনৰ জীৱনৰ চকৰি যেন ওলোটা ফালেহে ঘূৰিলে। স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছতো প্ৰচুৰ মেধা সম্পন্ন ৰূপজ্যোতিয়ে এটা চৰকাৰী চাকৰি যোগাৰ কৰিব নোৱাৰিলে। সেই সময়ৰ নিযুক্তিত স্বচ্ছতা নথকা হেতুকে তেওঁ অৰ্হতা থকা সত্ত্বেও এটা চৰকাৰী চাকৰি যোগাৰ কৰিব পৰা নাছিল। ফলত মানসিকভাৱে ভাগি পৰে। ব্যৱসায় কৰিবলৈকো হাতত ফুটাকড়ি এটা নথকাত গোটেই আকাশখন মূৰৰ ওপৰত ভাগি পৰাৰ দৰে হয়। বৰ্তমান তেওঁ ৰোগাক্ৰান্ত। spondylopathies (icd code m48.8) নামৰ এক জটিল ৰোগত আক্ৰান্ত। এই জটিল বেমাৰে খাই পেলাইছে তেওঁৰ শৰীৰ। ঘৰখনত উপাৰ্জন বুলিবলৈ কোনো নাই। দেউতাক দেৱেন বেজবৰাৰ কেতিয়াবাই মৃত্যু হৈছে। মাটি বেছি মাক আৰতি বেজবৰাই তেওঁৰ চিকিৎসা কৰি আছে। টকাৰ অভাৱত আজি এবছৰে ডাক্তৰৰ ওচৰলৈ নিব পৰা নাই ৰূপজ্যোতিক। ফলত বিনা চিকিৎসাই জটিল ৰোগৰ ওচৰত আত্মসমৰ্পণ কৰাৰ দৰে হৈছে। ইমান কষ্টৰ মাজতো তেওঁ নীলিম কুমাৰ, অনুভৱ তুলসীৰ কবিতা আওৰাই দুখ পাতলাবলৈ বৃথা চেষ্টা কৰে। যিজন যুৱকৰ সাফল্যত এদিন সমগ্ৰ নগাঁও জিলাবাসীয়েই গৰ্বিত হৈছিল, যাক গামোচা, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে উপচাই দিছিল তেওঁৰ বিপদৰ সময়ত আজি কাষত কোনোৱেই নাই। চৰকাৰী নিযুক্তিৰ মেৰপেছৰ বাবেই যে স্নাতকোত্তৰ ডিগ্ৰীধাৰী যুৱকজনৰ মেধাৰ অপমৃত্যু ঘটিল তাৰো কোনো এদিনো খবৰ লোৱাৰ প্ৰয়োজন বোধ নকৰিলে। এতিয়া ৰূপজ্যোতিৰ একমাত্ৰ ভৰসা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। যদিহে মুখ্যমন্ত্ৰী শৰ্মাই ৰূপজ্যোতিৰ চিকিৎসাৰ কিবা ব্যৱস্থা কৰি দিয়ে তেতিয়া তেওঁৰ জীৱনলৈ হয়তো এমুঠি পোহৰ নামি আহিব।

# তেজপুৰত একশৰণ ভাগৱতী সমাজৰ উদ্যোগত ছয়যোৰা দৰা-কইনাৰ বিবাহ সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৫ জুলাই ঃ** তেজপুৰৰ ডিপোটা অঞ্চলত আজি একশৰণ ভাগৱতী সমাজৰ উদ্যোগত একেলগে অনুষ্ঠিত কৰা হয় কে'বাযোৰো দৰা-কইনাৰ মাজত আনুষ্ঠানিক বিবাহ কাৰ্য। উল্লেখ্য যে ডিপোটাস্থিত একশৰণ ভাগৱতী সমাজৰ ৰাধিকাপুৰ নামঘৰত আজি পুৱাৰে পৰা এই সমূহীয়া বিবাহক লৈ বিৰাজ কৰে এক আনন্দমুখৰ পৰিবেশে। হৰি নামৰ ধ্বনিৰ লগতে আয়তীৰ বিয়ানাম, পানীতোলা পৰ্ব আদিৰে উজ্জীৱিত হৈ উঠা এই বিবাহস্থলীত আজি ছয়যোৰা দৰা-কইনাৰ মাজত একশৰণ ভাগৱতী সমাজৰ বিবাহ পুথিৰ নিয়ম অনুসৰি বিবাহ সম্পন্ন হয়। উল্লেখ্য যে এই দৰা-কইনাসকলৰ মাজত ইতিমধ্যে যুগ্ম জীৱনৰ ৩৩ বছৰ সম্পূৰ্ণ কৰা দৰা-কইনাও আছে। তেওঁলোকে



যিহেতু সমাজৰ নিজা নিয়ম অনুসৰি বিবাহ কাৰ্য সম্পন্ন কৰা নাছিল, সেয়ে আজি এইদৰে বিবাহ কাৰ্য সম্পন্ন কৰে। তদুপৰি, আৰ্থিক কাৰণতো আনুষ্ঠানিকভাৱে বিবাহ সম্পন্ন কৰাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হোৱা সকলকো এনেদৰে একশৰণ ভাগৱতী সমাজে বিবাহ অনুষ্ঠিত কৰাত সহায় কৰি আহিছে। আজিৰ বিবাহ উপলক্ষে ৰাইজক খাদ্যৰেও আপ্যায়ন কৰা হয়।

# মাটিয়াৰ থানা বজাৰত অগ্নিকাণ্ডত আঠখনকৈ দোকান ভস্মীভূত

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৫ জুলাই ঃ** গোৱালপাৰা জিলাৰ মাটিয়া থানা বজাৰত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডৰ ফলত আঠখনকৈ দোকান ভস্মীভূত হোৱাৰ লগতে প্ৰায় এক কোটি টকাৰ সা-সামগ্ৰী নষ্ট হয়। অগ্নিকাণ্ডত ছামছুদ্দিন শেখৰ হাৰ্ডৱেৰৰ দোকান, শ্বাহ আলমৰ চাইকেল আৰু মটৰ চাইকেলৰ গেৰেজ, ছফিয়ৰ ৰহমানৰ দুখনকৈ গেলামালৰ দোকান, ৰফিকুল ইছলামৰ ষ্টেছনাৰীৰ দোকান, জাহাংগীৰ আলীৰ চাহৰ দোকান, জাইনুৰ আলীৰ চাইকেল গেৰেজ আৰু হাবিবুল ৰহমানৰ কম্পিউটাৰৰ দোকান ভস্মীভূত হয়। তথ্য মতে নিশা ১২.৩০ বজাত মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সমীৰ কোঁৱৰে হঠাতে বাহিৰলৈ ওলোৱাত জুইৰ ধোৱা ওলোৱা প্ৰত্যক্ষ কৰে। দাও দাও কৈ জুই জ্বলি থকা প্ৰত্যক্ষ কৰি তৎক্ষণাত অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়াৰ লগতে আৰক্ষী বাহিনীৰ সহযোগত উদ্ধাৰ অভিযান আৰম্ভ কৰে। পাছত ঘটনাস্থলীত অগ্নি নিৰ্বাপক বাহিনীৰ চাৰিখনকৈ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয় যদিও উল্লিখিত আঠখনকৈ দোকান ভস্মীভূত হয়। ইয়াৰে ছামছুদ্দিন শেখৰ সৰ্বাধিক কে'বা লক্ষাধিক টকাৰ সা-সামগ্ৰী ভস্মীভূত হোৱাৰ বিপৰীতে আৰক্ষীৰ তৎপৰতাৰ বাবেই কিছুমান ভস্মীভূত হোৱা দোকানৰ সা-সামগ্ৰী নষ্ট হোৱাৰ পৰা ৰক্ষা পৰে। জুইৰ সূত্ৰপাতৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও বৈদ্যুতিক ছৰ্ট চাৰ্কিটৰ ফলতেই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি ধাৰণা কৰা হৈছে।

# মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰত উত্তেজনাপূৰ্ণ পৰিস্থিতি



## বীমাহীন বাহন ৰাষ্ট্ৰীয় উদ্যানত প্ৰৱেশ কৰা কাৰ্যত বন বিষয়াক জবাবদিহি প্ৰতিবাদকাৰীৰ

## বন্ধৰ সময়ত পৰ্যটক লৈ বিভাগীয় বাহনে প্ৰৱেশ কৰাত প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৫ জুলাই ঃ** বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ প্ৰৱেশদ্বাৰত আজি বিয়লি এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে বন্ধ থকাৰ সময়তে আজি পৰ্যটক কঢ়িয়াই দুখন বিভাগীয় জীপছি মানাহত প্ৰৱেশ কৰাক লৈ এই পৰিস্থিতিৰ উদ্ভৱ হয়। উল্লেখ্য যে মানাহৰ পৰ্যটনক্ষেত্ৰত বিভিন্ন মাছুল বৃদ্ধিৰ সিদ্ধান্তৰ বিৰুদ্ধে 'গ্ৰেটাৰ মানাছ কনজাৰভেছন এণ্ড ট্যুৰিজম ডেভেল'পমেণ্ট ছচাইটী'ৰ উদ্যোগত যোৱা ১১ জুলাইৰ পৰা ধাৰাবাহিকভাৱে আন্দোলনৰ কাৰ্যসূচী অব্যাহত আছে। মাছুল বৃদ্ধিৰ প্ৰতিবাদত মানাহ জীপ ছাফাৰী সন্থাই অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰি দিছে মানাহৰ জীপ ছাফাৰী। তেনেস্থলত আজি দুখনকৈ বিভাগীয় জীপছি গাড়ীৰে পৰ্যটক কঢ়িয়াই মানাহত প্ৰৱেশ কৰাৰ কথা গম পোৱাৰ পাছতে আন্দোলনকাৰী সংগঠনৰ নেতৃবৃন্দ-সদস্য তথা স্থানীয় লোক ক্ষুব্ধ হৈ পৰে। ইফালে, মানাহত কৰ্তব্যৰত বন বিভাগৰ কৰ্মচাৰীয়ে পৰ্যটকৰ বাহনৰ চালকৰ ভূমিকা লোৱা কাৰ্যতো ক্ষুব্ধ হৈ পৰে প্ৰতিবাদকাৰীসকল। সেই সময়তে ঘটনাস্থলীত বিভাগীয় এজন সহকাৰী বন সংৰক্ষক উপস্থিত হোৱাত প্ৰতিবাদকাৰীসকলে তেওঁৰ বাহনখন আগচি ধৰি বিষয়াজনক এই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। অভিযোগ মতে, পৰ্যটক লৈ মানাহত প্ৰৱেশ কৰা বিভাগীয় এএছ-২৮-৯১০৮ নম্বৰৰ জীপছিখনৰ বীমা নাই। বীমাহীন গাড়ীখন মানাহৰ ভিতৰত প্ৰৱেশ কৰিব দিয়াক লৈও ক্ষোভিত হৈ পৰে লোকসকলে। প্ৰতিবাদকাৰীসকলে প্ৰৱেশদ্বাৰতে 'মানাহৰ ফিল্ড ডাইৰেক্টৰ গ' বেক', 'আমাৰ দাবী মানিবই লাগিব' ইত্যাদি শ্ল'গানেৰেও প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ পাছতে পৰ্যটক লৈ যোৱা এখন জীপছি মানাহৰ পৰা ওলাই অহাৰ সময়ত পৰ্যটকসকলক বিভাগীয় আন বাহনেৰে পঠাই দিয়া হয় যদিও জীপছিখন বহুপৰলৈ প্ৰৱেশদ্বাৰতে ৰাখি থয় বিভাগে। আনহাতে, প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালকজনে মানাহৰ মাছুল বৃদ্ধিৰ সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈকেই মাছুল বৃদ্ধিৰ পাছতো মানাহত পৰ্যটক অহাটো প্ৰতিপন্ন কৰিবলৈকে পৰিকল্পিতভাৱে বন্ধৰ সময়ত পৰ্যটকক প্ৰৱেশ কৰিব দিয়াৰ দৰে কাৰ্য কৰিছে। অৱশেষত বাঁহবাৰীৰ ৰেঞ্জাৰ বাবুল ব্ৰহ্মাই ঘটনাস্থলীত উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ স'তে আলোচনাত মিলিত হৈ ভৱিষ্যতে এই ঘটনাৰ পুনৰাবৃত্তি নহয় বুলি আশ্বাস প্ৰদান কৰাতহে প্ৰতিবাদকাৰীসকল শান্ত হয়।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com